www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. (Title) : ASSASS01389

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

'স্বাধীনতা ভাল পোৱা মানে আনক ভাল পোৱা, ক্ষমতাক ভাল পোৱা মানে নিজক ভাল পোৱা। — উইলিয়াম হেজলিট'

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৭৪ ❐ শুকুৰবাৰ ❐ ১৫ আগষ্ট, ২০২৫ চন ❐ ২৯ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 175 ❐ Friday ❐ 15th August, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

'নয়া ভাৰত' থিমেৰে লালকিল্লাত উদ্‌যাপন কৰা হ'ব স্বাধীনতা দিৱস

# আজি দেশে পালন কৰিব ৭৯ সংখ্যক স্বাধীনতা দিৱস

■ তেজৰ বোলেৰে ইতিহাস লিখা স্বাধীনতা উদ্‌যাপন কৰিবলৈ সাজু হৈছে দেশৰ ১৪৫ কোটি জনতা ■

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** আজি দেশৰ ৭৮-সংখ্যক স্বাধীনতা দিৱস। তেজৰ বোলেৰে ইতিহাস লিখা স্বাধীনতা উদ্‌যাপন কৰিবলৈ সাজু হৈছে দেশৰ ১৪৫ কোটি জনতা। স্বাধীনতা সংগ্ৰামৰ সেনানীসকলৰ সোঁৱৰণ আৰু আনন্দ উলাহৰ পাৰ্বভঙা উচাহৰ ঢলেৰে অনুষ্ঠিত হ'ব লগা ▸▸৬ পৃষ্ঠাত



অপাৰেচন সিন্দুৰৰ বীৰত্বৰ স্বীকৃতি

## ৯ গৰাকী বায়ুসেনা বিষয়ালৈ বীৰ চক্ৰ সন্মান

**অনলাইন বাৰ্তা, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ প্ৰাক্কণত কেন্দ্ৰীয় চৰকাৰে অপাৰেচন সিন্দুৰত অসামান্য বীৰত্ব প্ৰদৰ্শন কৰা ৯ গৰাকী ভাৰতীয় বায়ুসেনাৰ বিষয়াক দেশৰ তৃতীয় সৰ্বোচ্চ সামৰিক সন্মান বীৰ চক্ৰ প্ৰদানৰ ঘোষণা কৰিছে। ▸▸৬ পৃষ্ঠাত

৬০ৰো অধিক লোক আহত

## পাকিস্তানৰ স্বাধীনতা দিৱস উদ্‌যাপনৰ সময়ত গুলীচালনাত ৩জন নিহত

**ইণ্টাৰনেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** চিৰবৈৰী পাকিস্তানৰ কৰাচীত স্বাধীনতা দিৱস উদ্‌যাপনৰ সময়ত আকাশী গুলীচালনা কৰা হয়। এই গুলীচালনাত এজন জ্যেষ্ঠ নাগৰিক আৰু ▸▸৬ পৃষ্ঠাত



আজিৰ কলম

## মিছন বসুন্ধৰা ৩.০ ৰ এখন সন্তোষজনক



শৰৎ চন্দ্ৰ চিৰিংফুকন

অসম চৰকাৰে ইতিমধ্যে মিছন বসুন্ধৰা আঁচনিৰ আওতাৰে অসমৰ বহুসংখ্যক ভূমিহীন, গৃহবাসহীন লোকে চৰকাৰী আৰু কোম্পানীৰ মাটিত ▸▸৬ পৃষ্ঠাত

প্ৰশাসনৰ চকুৰ সন্মুখতে পাহাৰ ধ্বংস

## কাৰ্বি আংলঙত অবৈধ শিল কুৰেৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ৰাজ্যিক প্ৰশাসন আৰু বন বিভাগৰ নাকৰ তলতে কাৰ্বি আংলং জিলাৰ পানীমুৰা অঞ্চলত 'সিং ব্ৰাদাৰ্ছ' নামৰ সংস্থাই অবৈধভাৱে শিল কুৰেৰী চলাই পাহাৰ ধ্বংস কৰাৰ অভিযোগ ▸▸৬ পৃষ্ঠাত

হিমন্ত বিশ্ব শৰ্মা জনজাতি বিৰোধী মুখ্যমন্ত্ৰী, সংবাদমেল যোগে প্ৰদেশ কংগ্ৰেছৰ অভিযোগ

## গৰু চুৰি-ভোট চুৰিৰ পিছত এইবাৰ মাটি চুৰিত লিপ্ত বিজেপি

**অসম বাৰ্তা, গুৱাহাটী, ১৪ আগষ্ট ঃ** হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰ আৰু সাংসদ দিলীপ শইকীয়া ▸▸৬ পৃষ্ঠাত

## কংগ্ৰেছ-এজেপিৰ মিলন 'অসমীয়াৰ স্বাভিমানত আঘাত

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি)ৰ উপ-সভাপতি তপন কুমাৰ গগৈয়ে বুধবাৰে বশিষ্ঠস্থিত দলীয় কাৰ্যালয়ত এক সংবাদমেলত কংগ্ৰেছ আৰু অসম জাতীয় ▸▸৬ পৃষ্ঠাত

## বাক্সাত ২০৬৭টা পৰিয়ালৈ এবিঘাকৈ মাটিৰ পট্টা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ১৯৫২ চনত বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ এ, বি আৰু চি ব্লকত তদানীন্তন মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিয়ে সংস্থাপিত কৰিছিল বানে ভগা ৰাইজক। বছৰ বছৰ অতিক্ৰম কৰাৰ পিচতো বৃহত্তৰ অঞ্চলটোৰ ৰাইজে ▸▸৬ পৃষ্ঠাত

আত্মনিৰ্ভৰশীল আৰু শক্তিশালী ভাৰত গঢ়াৰ আহ্বান

## স্বাধীনতা দিৱসৰ পূৰ্বৱৰ্তী ভাষণ সম্বোধন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ

অপাৰেচন সিন্দুৰক "সন্ত্ৰাসবাদৰ বিৰুদ্ধে মানৱতাৰ যুঁজ" বুলি অভিহিত



**নেশ্যনেল বাৰ্তা, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ৭৯তম স্বাধীনতা দিৱসৰ পূৰ্বৱৰ্তী ভাষণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এখন আত্মনিৰ্ভৰশীল আৰু শক্তিশালী ভাৰত গঢ়াৰ আহ্বান জনাইছে। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰদান কৰা ভাষণত তেওঁ অপাৰেচন সিন্দুৰৰ সাফল্য, যুৱ শক্তিৰ ▸▸৬ পৃষ্ঠাত

## চৰকাৰে কাকো বন্দুক-বাৰুদ নিদিয়ে, অনুজ্ঞাপত্ৰহে দিব



মুখ্যমন্ত্ৰীৰ ঘোষণা; সেৱা সেতু প'ৰ্টেলত আবেদনৰ সুযোগ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** অসমৰ স্পৰ্শকাতৰ আৰু দুৰ্গম অঞ্চলত বসবাস কৰা খিলঞ্জীয়া আৰু স্থানীয় বাসিন্দাসকলক আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ এক বিশেষ আঁচনিৰ সূচনা কৰা হৈছে। বৃহস্পতিবাৰে দিছপুৰৰ ▸▸৬ পৃষ্ঠাত

পুনৰ বিবেচনাৰ বাবে ৰায় সংৰক্ষণ উচ্চতম ন্যায়ালয়ৰ

## দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ (এনচিআৰ) ৰাস্তাৰ কুকুৰ স্থানান্তৰ ৰায়



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ**উচ্চতম ন্যায়ালয়ে দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলৰ (এনচিআৰ) ৰাস্তাৰ কুকুৰ স্থানান্তৰৰ সন্দৰ্ভত আগতে দিয়া নিৰ্দেশ পুনৰ ▸▸৬ পৃষ্ঠাত

## তিনিচুকীয়াত বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰী জব্দ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** স্বাধীনতা দিৱসৰ মাত্ৰ এদিন পূৰ্বে নিৰাপত্তা বাহিনীয়ে অসম—অৰুণাচল প্ৰদেশ সীমান্তৰ সমীপৰ ফিনবিৰু গাঁৱৰ পৰা বৃহৎ পৰিমাণৰ বিস্ফোৰক সামগ্ৰীৰ উদ্ধাৰ কৰি এক বৃহৎ সন্ত্ৰাসবাদী কূটাঘাতৰ আশংকা ▸▸৬ পৃষ্ঠাত

## বিত্তীয় বৰ্ষ ২৬ৰ প্ৰথমটো ত্ৰৈমাসিকত অইলৰ ২০৪৬ কোটি টকা কৰ পশ্চাদ লাভ

**অসম বাৰ্তা, দুলীয়াজান, ১৪ আগষ্টঃ** ভাৰত চৰকাৰৰ মহাৰত্ন কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ যোৱা ১২ আগষ্টত অনুষ্ঠিত ইয়াৰ ৫৭০ সংখ্যক পৰিষদৰ বৈঠকত বিত্তীয় বৰ্ষ ২৬ৰ ▸▸৬ পৃষ্ঠাত

## জম্মু-কাশ্মীৰত ভয়ংকৰ ডাৱৰ বিস্ফোৰণ; ১০জন লোকৰ মৃত্যু

৩০০ লোক আৱদ্ধ হৈ থকাৰ আশংকা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ কিষ্টৱাৰত সংঘটিত হৈছে ভয়ংকৰ ডাৱৰ বিস্ফোৰণ। ডাৱৰ বিস্ফোৰণৰ পাছতে ওফন্দি উঠিছে নদী সমূহ। ঘটনা সন্দৰ্ভত প্ৰাপ্ত তথ্য অনুসৰি, এই ঘটনাত কমেও ১০জন লোকৰ মৃত্যুৰ আশংকা কৰা হৈছে। ডাৱৰ বিস্ফোৰণৰ এই কাণ্ড সংঘটিত হৈছে কিশোৱাৰ জিলাৰ মচাইল মট্টা যাত্ৰা পথৰ চিশোটি ▸▸৬ পৃষ্ঠাত



**৮৬ জন মেধাৱী ছাত্ৰ-ছাত্ৰীক এককালীন আৰ্থিক সাহায্য বিতৰণ**

# মিচিং স্বায়ত্ব শাসিত পৰিষদ ২৩ নং লোহিত পৰিষদীয় সমষ্টিত টাবুৰাম টাইদ শিক্ষাজ্যোতি আঁচনিৰ আৰ্থিক সাহায্য বিতৰণ

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিত আজি আগম মিগাং টাবুৰাম টাইদ শিক্ষাজ্যোতি আঁচনিৰ এককালীন আৰ্থিক সাহায্য বিতৰণ কৰা হয়। মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ উদ্যোগত মেধাৱী ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নত সহায় হোৱাকৈ প্ৰৱৰ্তন কৰা উক্ত আগম মিগাং টাবুৰাম টাইদ শিক্ষাজ্যোতি আঁচনিৰ এককালীন আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠান আজি ২৩ নং লোহিত পৰিষদীয় সমষ্টিৰ চিতাদাৰচুক ৰঙ্গমঞ্চত অনুষ্ঠিত হয়। এই উপলক্ষে আজি দুপৰীয়া এঘাৰ বজাৰ পৰা চিতাদাৰচুক ৰঙ্গমঞ্চত অনুষ্ঠিত হোৱা বৃহৎ ৰাজহুৱা সভাখন উদ্বোধন কৰে মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ ২৩নং লোহিত পৰিষদীয় সমষ্টিৰ সাধাৰণ সদস্য মুকুল পেগুৱে। নিজৰ উদ্বোধনী ভাষণত তেওঁ টাবুৰাম টাইদ শিক্ষাজ্যোতি আঁচনিৰ এককালীন আৰ্থিক সাহায্যৰ সদ ব্যৱহাৰ কৰি নিজৰ অধ্যয়নত আগুৱাই যাবলৈ শুভেচ্ছা জ্ঞাপন কৰে। টি এম পি কে'ৰ মাজুলী জিলা সমিতিৰ সদস্য ৰূপজ্যোতি কমানে আঁত ধৰা উক্ত টাবু ৰাম টাইড শিক্ষা জ্যোতি আঁচনিৰ এককালীন আৰ্থিক সাহায্য বিতৰণ অনুষ্ঠানত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী তথা টি এম পি কে'ৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সহকাৰী সম্পাদক হৰেন নৰহে। সভাত বিশিষ্ট অতিথি হিচাপে নামনি সোৱণশিৰি মিচিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক সঞ্জীৱ কুমাৰ পায়েং, ১৮২ নং বৰগএঞা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱ টাকো, টি এম পি কে'ৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক বিনোদ দলে, বৰুণ চিতাদাৰ জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক লক্ষিপ্ৰসাদ পায়েং, অৱসৰপ্ৰাপ্ত নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়ক মুনিন্দ্ৰ পায়েং, স্থানীয় গাঁও প্ৰধান কীৰ্তিকমল পায়েং, মাজুলী ট্ৰাইবেল সংঘৰ সভাপতি তথা খাৰজানপাৰ জনজাতি হাইস্কুলৰ শিক্ষক অনিল পামেগাম, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা মাজুলী জিলা বানে কেবাঙৰ সভাপতি ৰঘু কমান, পাথৰিচুক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ চিৰাং, স্থানীয় চিলাকলা আঞ্চলিক বানে কেবাঙৰ সম্পাদক ভূপেন মিলি, মাজুলী জিলা এম এম কে'ৰ সম্পাদক নৱ দলে, লোহিত খাবলুৰ সন্মিলিত গণশক্তি-অসম'ৰ সভাপতি বীৰু দলে, টি এম পি কে'ৰ জিলা সমিতিৰ উপ-সভাপতি গোবিন্দ পেগু, শিক্ষা সম্পাদক সঞ্জীৱ চিৰাং, জিলা সদস্য নৱজিত পায়েং, সহকাৰী সম্পাদক দ্বীপেন দলে, পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। উক্ত, সভাত স্থানীয় লোহিত খাবলু আৰু চিলাকলা আঞ্চলিক টি এম পি কে', এম এম কে আৰু টি এম এম কে'ৰ সকলো সভাপতি, সম্পাদক আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। উক্ত, অনুষ্ঠানত ২০২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত লোহিত খাবলু অঞ্চলৰ পৰা প্ৰথম বিভাগত উৰ্ত্তীণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীক এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হয়। অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৫৭জন মেধাৱী ছাত্ৰ-ছাত্ৰীক ৫০০০.০০ টকাকৈ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ২৯জন ছাত্ৰ-ছাত্ৰীক ৭০০০.০০ টকাকৈ আৰ্থিক সাহায্য বিতৰণ কৰা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে টি এম পি কে'ৰ কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক বিনোদ দলেয়ে।

# মৰিগাঁৱত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, ধৰমতুল, ১৪ আগষ্ট ঃ** মৰিগাৱঁত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিঘণ্টীয়া এক অৱস্থান ধৰ্মঘত প্ৰালন কৰে এই তেওঁলোকৰ পৰা জানিবলৈ দি কয় যে শেহতীয়াভাৱে অসম চৰকাৰে ভাৰতৰ সংবিধান বিৰোধী তথা অসমীয়া জাতিধ্বংসী নাগৰিকত্ব সংশোধনী আইন (CAA) ৰ আধাৰত ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বৰে পৰা অবৈধভাৱে অসমত বসবাস কৰি থকা অমুছলমান বিদেশী নাগৰিকৰ বিদেশী ন্যায়াধীকৰণত চলি থকা সকলো গোচৰ (৬৯,৫০০) প্ৰত্যাহাৰ কৰাৰ নিৰ্দেশনা জাৰি কৰিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছোঁ। কাৰণ ধৰ্মৰ ভিত্তিত নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে বিদেশী লোকৰ গোচৰ প্ৰত্যাহাৰ কৰাৰ লগে লগে উক্ত লোক সকলে ভাৰতত নাগৰিকত্ব লাভ কৰাৰ বাট প্ৰশস্ত হব। অসমৰ ৰাইজৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদেও অসম চুক্তি অনুসৰি জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো বিদেশী বিতাড়ন কৰাটো বিছাৰে। অসম চুক্তিক নস্যাৎ কৰি, ভাৰতৰ সংবিধান উলংঘা কৰি নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ভাৰতত ধৰ্মৰ ভিত্তিত বিদেশী লোকক নাগৰিকত্ব প্ৰদান কৰা কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য হব নোৱাৰে। এনে জাতিধ্বংসী সিদ্ধান্তই অসমীয়া জাতিটো অসমতে সংখ্যালঘুত উপনীত কৰাব। লগতেকয় যে এই বিষয়টো আমি সকলোৱে অৱগত যে, দেশৰ স্বাধীনতাৰ পিছৰে পৰা অসমলৈ হোৱা বিদেশী আৰু বহিঃৰাজ্যৰ লোকৰ অবাধ প্ৰব্ৰজন আৰু অগ্ৰাসনে ইতিমধ্যেই অসমৰ থলুৱা খিলঞ্জীয়া জাতি জনগোষ্ঠীক অস্তিত্বৰ সংকটত উপনীত কৰাইছে। খিলঞ্জীয়া অসমীয়া জাতি জনগোষ্ঠীৰ অস্তিত্ব সাংবিধানিকভাৱে সুৰক্ষিত কৰিবলৈ হলে অসমত আন্তঃৰাজ্যিক পাৰ-পত্ৰ ব্যৱস্থা প্ৰৱৰ্তনৰ বাহিৰে গত্যন্তৰ নাই। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে প্ৰতিষ্ঠালগ্নৰে পৰা অসমত আন্তঃৰাজ্যিক পাৰ-পত্ৰ ব্যৱস্থা প্ৰৱৰ্তনৰ দাবী উত্থাপন কৰি আহিছে আৰু ধাৰাবাহিকভাৱে এই দাবী ৰূপায়ণৰ কাৰণে সংগ্ৰাম অব্যাহত ৰাখিছে বুলিও মন্তব্য প্ৰকাশ কৰে।

## জিলা আইন সেৱা প্ৰাধীকৰণ নগাঁৱৰ উদ্যোগত প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ১৪ আগষ্ট ঃ** নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত নগাঁও জিলাৰ চিকিৎসা বিষয়াসকলৰ বাবে "মেডিকো আইনী প্ৰতিবেদন প্ৰস্তুত কৰা আৰু আদালতত প্ৰমাণ পদচ্যুত কৰা" শীৰ্ষক বিষয়ৰ ওপৰত এখনি প্ৰশিক্ষণ কাৰ্যসূচী ১২আগষ্টত জিলা আদালতৰ সভাকক্ষত সম্পন্ন হয়। নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশ তথা জিলা আইন সেৱা প্ৰাধীকৰণৰ অধ্যক্ষ বিশ্বজিৎ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত নগাঁৱৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ নং ১ৰ ন্যায়াধীশ অনুৰাগ জিন্টু বৰা উক্ত কাৰ্যসূচীৰ প্ৰশিক্ষক হিচাপে উপস্থিত থকাৰ লগতে জিলা আৰু সত্ৰ ন্যায়াধীশ নং ৪ (এফটিচি) ৰ ন্যায়াধীশ চাতুৰ্য প্ৰসাদ তালুকদাৰ উপস্থিত থাকি শীৰ্ষক বিষয়ৰ ওপৰত পুংখানুপুংখকৈ আলোকপাত কৰে। প্ৰশিক্ষণৰ সময়ত নগাঁও জিলা আইন সেৱা প্ৰাধীকৰণৰ সম্পাদক মুনমী নেওঁগো উপস্থিত থাকে। আজি এই প্ৰশিক্ষণৰ লক্ষ্য আৰু উদ্দেশ্য আছিল জিলাখনৰ চিকিৎসা বিষয়াসকলৰ চিকিৎসা-আইনী জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰা।

## ড° জ্যোতি প্ৰসাদ কোঁৱৰলৈ 'জ্যোতি গৌৰৱ ২০২৫' বঁটা প্ৰদান

**অসম বাৰ্তা, নাহৰকটীয়া, ১৪ আগষ্ট ঃ** নাহৰকটীয়া, টিংখং, নামৰূপ, দুলীয়াজান মহাবিদ্যালয় (বুৰঞ্জী বিভাগ) আৰু নাহৰকটীয়া বাসীৰ সহযোগত আৰু "চ'চাইটি ফৰ বলি মৰা থান চিতা কুণ্ড পৰ্যটন প্ৰকল্প" NGO ৰ উদ্যোগত ডিজিটেল লাইব্ৰেৰী নিৰ্মাণাথে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰলৈ 'জ্যোতি গৌৰৱ' ২০২৫ বঁটা প্ৰদান কৰে। নাহৰকটীয়াত মহাবিদ্যালয় বুৰঞ্জী বিভাগৰ সহযোগত আৰু NGO ৰ উদ্যোগত "ডিজিটেল লাইব্ৰেৰী" পুথিভঁৰাল নিৰ্মাণাথে ৰাজহুৱা সভা সম্পন্ন। সমাজ শিল্প সাধনা বঁটা -২০২৫ প্ৰদান, ক্ৰীড়া, শিক্ষা, কৃষি, সাংস্কৃতিক ক্ষেত্ৰৰ ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন। যোৱা ইংৰাজী ১০ আগষ্টত নাহৰকটীয়া জেষ্ঠ্য নাগৰিক সন্মিলন শাখাৰ কাৰ্যালয়ত নাহৰকটীয়া, টিংখং, নামৰূপ, দুলীয়াজান মহাবিদ্যালয় (বুৰঞ্জী বিভাগ), নাহৰকটীয়াবাসীৰ সহযোগত আৰু চ'চাইটি ফৰ বলি মৰা থান চিতা কুণ্ড পৰ্যটন প্ৰকল্প NGO ৰ উদ্যোগত "ডিজিটেল লাইব্ৰেৰী নাহৰকটীয়া পুথিভঁৰাল"ৰ নিৰ্মাণাথে অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে নাহৰকটীয়া মহাবিদ্যালয় অধ্যক্ষ ড° জ্যোতি প্ৰসাদ কোঁৱৰে। সভাত উপস্থিত থাকে নামফাকে গাঁৱৰ বৌদ্ধ বিহাৰ ভাণ্টে জ্ঞান পাল মহাৰথে, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, নাহৰকটীয়া, টিংখং, নামৰূপ মহাবিদ্যালয় বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সকলে। NGO সভাপতি কৃষ্ণ কান্ত হাজৰিকা কয় যোৱা ইংৰাজী ১৭/১০/২০২০ চনত পদপথত কাষত স্থাপন কৰা ভ্ৰাম্যমাণ গ্ৰন্থ গাৰক এটি ডিজিটেল লাইব্ৰেৰীলৈ পৰিৱৰ্তন, চৰকাৰী ভূমি, আঁচনি, পুজি, নিৰ্মাণ, ডিজিটেল লাইব্ৰেৰী আদিৰ চমু আভাস দাঙি ধৰি। ভ্ৰাম্যমাণ গ্ৰন্থ গাৰক বা ডিজিটেল লাইব্ৰেৰী লৈ পৰিৱৰ্তন কৰাৰ বাবে নাহৰকটীয়া বিধায়ক তৰঙ্গ গগৈ সৈতে, পুজি, আঁচনি, চৰকাৰী ভূমি, নিৰ্মাণ আদি বিষয়ত আৰু নাহৰকটীয়া চক্ৰ বিষয়া, মণ্ডলৰ সৈতে আলোচনা কৰাৰ বিষয়ে জনাই। বিধায়ক তৰঙ্গ গগৈয়ে পুথিভঁৰালক ডিজিটেল লাইব্ৰেৰী লৈ পৰিৱৰ্তন কৰাৰ পৰামৰ্শ দিয়াৰ বাবে তেখেতক প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জনায়। নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্ভুক্ত বিল জলাশয়ৰ সংৰক্ষণৰ বিষয়ে কয়। নাহৰকটীয়া, টিংখং, নামৰূপ মহাবিদ্যালয় বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সকল তৰফৰ পৰা এনে এটি মহৎ অনুষ্ঠান ভৱিষ্যত প্ৰজন্মৰ বাবে বৰ্তমান ডিজিটেল যুগত সকলোৱেই আৱশ্যক বুলি মতামত মতপোষণ। ডিজিটেল লাইব্ৰেৰী পুথিভঁৰালত ভৱিষ্যত দিনত ভৱিষ্যত প্ৰজন্মৰ বাবে ১ লাখ কিতাপ সংগ্ৰহ কৰাৰ লক্ষ্যক প্ৰশংসা জনাই। শিক্ষাৰ দিশত দীঘলা পথাৰ প্ৰাথমিক বিদ্যালয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী লীলাৱতী শইকীয়া, সাংস্কৃতিক ক্ষেত্ৰত কমল মজুমদাৰ, জিলা সাহিত্য সভাৰ সভাপতি পদত নিৰ্বাচিত হোৱাৰ বদন গগৈ, ক্ৰীড়া ক্ষেত্ৰত পিঙ্কু মণি হাজৰিকা, সমুদ্ৰ বুঢ়াগোঁহাই, চাহ খেতিৰ ক্ষেত্ৰত ৰাজীৱ হাজৰিকা আৰু ডালিম বড়াক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত "জয়পুৰে ৰিঙিয়াই" লেখক কৃষ্ণ কান্ত হাজৰিকাই পুথিৰ দ্বিতীয় খণ্ড "বেটুপাত" উন্মোচন কৰে। ৰাজহুৱা সভাত নাহৰকটীয়া বৌদ্ধিক সমাজলৈ অবদান আগবঢ়োৱা বহুকেইগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক, ক্ৰীড়া সন্থা, ব্যৱসায়ী সন্থা, সংগঠক, খেলুৱৈ, লেখক- লেখিকা, দল সংগঠন ৰাইজ উপস্থিত থকা দেখা যায়।

# পলাশবাৰীত সমজিলা আয়ুক্ত কাৰ্যালয় উদ্বোধন

**অসম, বাৰ্তা, মিৰ্জা, ১৪ আগষ্ট ঃ** পলাশবাৰী ৰাজহ চক্ৰ কাৰ্যালয় চৌহদত আজি সমজিলা আয়ুক্ত কাৰ্যালয় শুভ-উদ্বোধন কৰা হয়। উক্ত কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ইয়াৰ পিছতে গছপুলি ৰোপণ কৰে। এই উপলক্ষে অনুষ্ঠিত হোৱা সভাত আদৰণি ভাষণ প্ৰদান কৰে কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে-পলাশবাৰীৰ সমষ্টিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন উন্নয়ন মূলক কাম কৰিছে। পূৰ্বতে দক্ষিণ কামৰূপবাসী ৰাইজে বিভিন্ন সময়ত এখন জিলাৰ বাবে আবেদন জনাই আহিছিল। এই আবেদনৰ প্ৰতি সঁহাৰি জনাই দক্ষিণ কামৰূপ ৰাইজৰ বাবে বকো আৰু পলাশবাৰীলৈ দুখন সমজিলা প্ৰদান কৰিলে। দেশৰ ভিতৰত কোনো ঠাইতে সমজিলাৰ কাৰ্যালয় নাই। অকল অসমতে সমজিলাৰ হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ যি দুৰদৰ্শী চিন্তা তাক ধন্যবাদ জনাব লাগিব। আজি সমগ্ৰ অসমৰ ভিতৰত ৬খন জিলাত ১০খন সমজিলা মুকলি কৰা হৈছে। গতিকে আজিৰ পৰা পলাশবাৰী জনসাধাৰণে আমিনগাঁৱলৈ যাব নালাগে। ইয়াতে ভূমি বা ৰাজহ সম্পৰ্কীয় বিভিন্ন সমস্যা ইয়াতে সুবিধা লাভ কৰিব। এই কাৰ্যালয়টোৰ পৰা ৰাইজ উপকৃত হ'ব বুলি কৈ চৰকাৰৰ বিভিন্ন উন্নয়ন মূলক কাম কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া উপস্থিত থাকি কয় যে-দক্ষিণ কামৰূপ ৰাইজৰ বহুদিনীয়া সপোন আছিল এখন জিলা লাগে। সেয়েহে দক্ষিণ কামৰূপ ৰাইজৰ বিভিন্ন সমস্যাৰ প্ৰতি সঁহাৰি জনাই ড° হিমন্ত বিশ্ব শৰ্মাই আমাক সমজিলাৰ আয়ুক্ত কাৰ্যালয় উপহাৰ হিচাপে প্ৰদান কৰিছে। এই কাৰ্যালয়টোৰ জৰিয়তে আমাৰ বিভিন্ন কাম ইয়াতে হ'ব। সমজিলা কাৰ্যালয়টো নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ পৰা ১৮ কৌটি টকাৰ আৱণ্টন দিছে। সেইদৰে পলাশবাৰী সমষ্টিৰ বিভিন্ন উন্নয়ন মূলক কামৰ খতিয়ান দাঙি ধৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি অঞ্জন গোস্বামীয়ে নিজৰ ভাষণত আগন্তুক বিধানসভা নিৰ্বাচনত ভোট ভিক্ষা খোজা ঘটনাই উপস্থিত ৰাইজৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। সভাত পলাশবাৰী সমজিলাৰ আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, সমাজ সেৱক হিমাংশু শেখৰ বৈশ্য, অনুপ কুমাৰ মেধী, পলাশবাৰী পৌৰসভাৰ পৌৰপতি ৰিণা দাস কলিতা, লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অসম সংগীতৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটো ৰাষ্ট্ৰীয় সংগীতৰে সামৰণি পৰে।

# অবৈধ বাংলাদেশীৰ বিৰুদ্ধে সৰৱ মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী

## গৌৰৱ গগৈ, অখিল গগৈ, লুৰিণ গগৈক বদন আখ্যা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৪ আগষ্ট ঃ** সমগ্ৰ অসমৰ লগতে মৰিগাঁও ভূৰবন্ধাতো ভাৰতীয় জনতা পাৰ্টীৰ উদ্বোগত ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তা সকলে জাতীয় বীৰ তথা শ্বহীদ সকলক স্মৰণ কৰি এক ত্ৰিৰংগা যাত্ৰা আৰম্ভ কৰে। শ্বহীদৰ পুণ্য ভূমি তথা ভূৰবন্ধাৰ শ্বহীদ গজেন ইংতি আৰু পুতুল শইকিয়া শ্বহীদ বেদিৰ পৰা আৰম্ভ কৰি প্ৰায় দুই কিলোমিটাৰ পথত হাতত ত্ৰিৰংগা পতাকা লৈ পদ যাত্ৰা কৰে। এই যাত্ৰাত অংশ গ্ৰহণ কৰে মৰিগাঁও সদৰ সমষ্টি বিধায়ক ৰামাকান্ত দেউৰী লগতে মৰিগাঁও জিলা ভাৰতীয় জনতা পাৰ্টীৰ সাধাৰণ সম্পাদক নিৰ্মল কোঁৱৰ, সম্পাদক জিতু বৰা, মণ্ডল সভানেত্ৰী মিনু দেৱী জিলা পৰিষদৰ সদস্য ক্ৰমে সুৰেন দাস, বিনিতা বৈষ্ণব ডেকা সহ প্ৰায় সহস্ৰাধিক লোকে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মৰিগাঁও সদৰ সমষ্টি বিধায়ক ৰামাকান্ত দেউৰিয়ে কয় যে ভাৰতীয় জনতা পাৰ্টীৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো এই যাত্ৰা আৰম্ভ হৈছে। আজি মৰিগাঁও সদৰ সমষ্টি অন্তৰ্গত মৰিগাঁও টাউন মণ্ডলৰ লগতে ভূৰবন্ধা দন্দুৱা মণ্ডল বিজেপি উদ্যোগতো এই ত্ৰিৰংগা যাত্ৰা আৰম্ভ হয়। ভাৰতৰ জাতীয় বীৰ সকলক সন্মান জনাই এই ত্ৰিৰংগা যাত্ৰা আৰম্ভ আৰম্ভ কৰা হয় বুলি জানিবলৈ দিয়ে। লগতে ৰাজ্যখনৰ বৰ্তমান এই সাম্প্ৰতিক পৰিস্থিতিত সকলো খিলঞ্জীয়াক একগোট হোৱাৰ আহবান জনায়। লগতে তিনি গগৈ কৰ্মে গৌৰৱ গগৈ, অখিল গগৈ, লুৰিন গগৈক বদন আখ্যা দিলে। এই ক্ষেত্ৰত কয় যে আজি আমি খিলঞ্জীয়া সকল এক গোট নহ'লে আমাৰ ভয়াবহ বিপদ হব। ইতিমধ্যে একাংশ সন্দেহ জনক লোকে আমাৰ নদী কাষৰীয়া ভূমী সমূহৰ লগতে বনাঞ্চল সমূহ বেদখল কৰি আছে। আৰু এই বেদখল কাৰি সকলক উচিত শিক্ষাৰে আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি আমাৰ সকলোৱে একগোট হৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত থাকি এই বেদখল মুক্ত কৰি আমি আমাৰ অসমক সুৰক্ষিত কৰিব লাগে।

## চামগুৰিৰ আমনিত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ এটা পুখুৰীত আজি এটা অচিনাক্ত পুৰুষৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ এটা পুখুৰীত আজি পুৱা স্থানীয় লোকে এটা মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষীৰ এটা দল উপস্থিত হৈ অচিনাক্ত লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। আনহাতে, আজি আৰক্ষীয়ে উদ্ধাৰ কৰা অচিনাক্ত লোকজনৰ মৃতদেহটো বৰ্তমানলৈকে চিনাক্ত হোৱা নাই বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

## ৱাৰিয়ৰ্ছৰ গেলেকী আঞ্চলিক সমিতিৰ উদ্যোগত বস্ত্ৰ বিতৰণ কাৰ্যসূচী

**অসম বাৰ্তা, গেলেকী, ১৪ আগষ্ট ঃ** প্ৰতিকূল বতৰকো নেওচি ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিকৰ এক প্ৰশংসনীয় পদক্ষেপ। গেলেকী মুদি নগৰ চাহ বাগিচা অঞ্চলৰ একাংশ দৰিদ্ৰ লোকৰ মাজত এবাৰ ব্যৱহৃত বস্ত্ৰ বিতৰণ কৰিলে ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে। ইয়াৰ দ্বাৰা বহু দৰিদ্ৰ লোক উপকৃত হৈছে। ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ এই কাৰ্যসূচীয়ে একাংশ দৰিদ্ৰ লোকৰ মাজত হাঁহি বিৰিঙাইছে। উল্লেখযোগ্য যে ইয়াৰ আগেয়েও এনে বহু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰি জনসাধাৰণৰ মাজত সমাদৰ লাভ কৰি আহিছে ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিয়ে। আজিৰ এই কাৰ্যসূচীত উপস্থিত আছিল ৱাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ উপ-সভাপতি ৱাহিদ আলী, সম্পাদিকা পূৰবী নেওগ, বিত্ত সম্পাদিকা তনুজা বেগম, জনসংযোগ সম্পাদিকা দিলোৱাৰা বেগম, সদস্যা দিপামণি মৰাণ, চুৰেহা বেগম আৰু বেনজিৰ নাৰফা আজম।

**দুধনৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন**

# চৰকাৰখনে ক্ষমতাৰ বাবে শাসনলৈ অহা নাই, ৰাইজৰ সেৱাৰ বাবেহে শাসনলৈ আহিছে ঃ ৰঞ্জিত কুমাৰ দাস

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৪ আগষ্ট ঃ** আজি বহু প্ৰত্যাশিত দুধনৈ সম-জিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰা হয়। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ জিলা সমূহৰ মূল চহৰ সমূহক সমষ্টি ভিত্তিক সম-জিলালৈ পৰিৱৰ্তিত কৰাৰ বাবে ৰাজ্যিক কেবিনেটে অনুমোদন দিয়াৰ পিচত প্ৰথম পৰ্যায়ত ৩৯খন সমজিলা গঠন হোৱাৰ পিচত আজি দ্বিতীয়টো পৰ্যায়ত ১০খন ঠাইত সম-জিলা আয়ুক্তৰ কাৰ্যালয় আনুষ্ঠানিক ভাবে উদ্বোধন কৰা হয়। জনতাৰ সুবিধা আৰু ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লগতে প্ৰশাসনিক সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনত গঠন কৰা সমজিলা সমূহ গঠন কৰা হৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বকো-ছয়গাঁও, পলাশবাৰী, বৰছলা, ৰঙাপৰা, মাকুম, ডিগবৈ, টীয়ক, মৰিয়নী, ধলাই আৰু দুধনৈ সমজিলাক অহা ১৫ আগষ্টৰ পৰা পূৰ্ণ পৰ্যায়ত কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰি আজি মঙলবাৰে দুধনৈ সমজিলা আয়ুক্তৰ কাৰ্যালয় উদ্বোধন কৰা হয়। এক কথাত প্ৰশাসনীয় সংস্কাৰৰ ক্ষেত্ৰত সমজিলাৰ যোগেদি অসমে আন এক গতি লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনৰ জনতাক উপকৃত কৰাৰ লক্ষ্যৰে এই সমজিলাৰ ব্যৱস্থাটো কৰা হৈছে। একোজন এডিচি পৰ্যায়ৰ বিষয়াক সমজিলাৰ আয়ুক্ত হিচাপে দায়িত্ব পালন কৰিব দিয়া হৈছে। আজি নতুন কাৰ্যালয়ৰ উদ্বোধনৰ যোগেদি আৰম্ভ কৰা হয় সমজিলাৰ কাম-কাজ। এক কথাত প্ৰশাসনীয় সংস্কাৰৰ ক্ষেত্ৰত সমজিলাৰ যোগেদি অসমে আন এক গতি লাভ কৰিবলৈ সক্ষম হৈছে। আজি অসম চৰকাৰৰ পঞ্চায়ত, গ্ৰামোন্নয়ন, পৰ্যটন, ন্যায়িক বিভাগৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মাংগলিক কাৰ্যসূচীৰ মাজেৰে দুধনৈ সম-জিলা কাৰ্যালয় উদ্বোধন কৰে। দুধনৈ উদয়পুৰস্থিত ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ সচিবালয় প্ৰাংগণৰ কাষতে সজাই পৰাই তোলা দুধনৈ সম-জিলা কাৰ্যালয় উদ্বোধন কৰাৰ আগমুহূৰ্তত কেবিনেট মন্ত্ৰী গৰাকীয়ে এখন বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। জাতীয় সংগীতেৰে আৰম্ভ কৰা সভাত আদৰণি ভাষণ পাঠ কৰে গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুংএ। সভাত দুধনৈ সম-জিলা আয়ুক্ত কাৰ্যালয়ৰ উদ্বোধক কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে ভাষণ প্ৰসংগত কয় যে এতিয়া প্ৰশাসনৰ ওচৰলৈ ৰাইজ যাব নালাগে প্ৰশাসনহে ৰাইজৰ ওচৰলৈ যাব। চৰকাৰ খনে ক্ষমতাৰ বাবে শাসনলৈ অহা নাই। ৰাইজৰ সেৱাৰ বাবেহে শাসনলৈ আহিছে। তেওঁ পুনৰ কয় যে দুধনৈ সম-জিলা আয়ুক্তৰ স্থায়ী কাৰ্যালয় গঠন তথা ডিজাইন কৰা বাবে চৰকাৰে ২০ কৌটি টকা ধাৰ্য কৰিছে। ইতিমধ্যে দুধনৈ সম-জিলাৰ আয়ুক্ত হিচাবে অৰুণ কুমাৰ ব্ৰহ্ম আৰু সম-জিলা আৰক্ষী অধীক্ষক হিচাবে নূপুৰ ৰঞ্জন নেওগক দায়িত্ব অৰ্পন কৰা হৈছে। সভাত ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই এই প্ৰক্ৰিয়াৰ জৰিয়তে ৰাইজে প্ৰত্যক্ষ ভাবে প্ৰশাসনৰ লগত জড়িত হব পাৰিব বুলি কয়। স্থানীয় বিধায়ক যাদব স্বৰ্গীয়াৰীয়েও সভাত ভাষণ প্ৰদান কৰে। সভাত জিলা আৰক্ষী অধীক্ষক নবনীত মহন্ত ৰাভা হাছং পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভা, পৰিষদৰ ই এম, জি এম, ৰাভা জাতীয় সংগঠন সমূহৰ নেতৃত্ব, নৱগঠিত জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাঁৱ পঞ্চায়ত, গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দীপাংক কুমাৰ নাথ বিভিন্ন দল সংগঠনৰ কৰ্মী সকল উপস্থিত থাকে। প্ৰতিকুল বতৰৰ মাজতো সভাস্থলীত বিভাগীয় লোক সকলৰ উপৰিও দুধনৈবাসী ৰাইজৰ উপস্থিতিত এক উছবমুখৰ পৰিবেশ দেখিবলৈ পোৱা গৈছে।



## মাজুলী জিলা সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** মাজুলী জিলা সাহিত্য সভাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি মাজুলী জিলা সাংবাদিক সন্থাৰ স্থায়ী কাৰ্যালয়ত অনুষ্ঠিত হয়। মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদেশ্যে ব্যাখ্যা কৰে সম্পাদক সঞ্জীৱ বৰাই। উক্ত, সভাত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ "সুৱাগী তোলা অনুষ্ঠান" আয়োজনৰ বাবে অভ্যৰ্থনা সমিতি গঠন কৰা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰোপৰিও জিলা সাহিত্য সভাৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ আলোচনা কৰা হয়। মাজুলী জিলা সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় নিৰ্মাণৰ বাবে দ্বিতীয় কিস্তিৰ ধনৰাশি মোকলাই অনাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ নিৰ্মাণ সমিতিৰ সচিব ৰামসাগৰ নাথক দায়িত্ব অৰ্পণ কৰে। সভাত মাজুলী জিলা সাহিত্য সভাৰ উপ সভাপতি খগেন হাজৰিকা, জিলা প্ৰতিনিধি মনোজ্যোতি ৰেগন, কৰ্ণধাৰ সমিতিৰ সদস্য কৰুণা বৰা, পত্ৰিকা সম্পাদক জয়ন্ত হাজৰিকাই বক্তব্য প্ৰদান কৰে। উক্ত, সভাত পুৰণি গৃহ নিৰ্মাণ সমিতিৰ পুৰণি সচিব ৰঞ্জিৎ কুমাৰ ভূঞাৰ লগত অনুদান সম্পৰ্কীয় যাৱতীয় পৰ্যালোচনা কৰাও হয়।

# ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান উদ্যোগত অনুষ্ঠিত এদিনীয়া কৃষক উন্নয়ন কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, তামুলপুৰ, ১৪ আগষ্ট ঃ** দেশৰ বিভিন্ন ৰাজ্যৰ কৃষক সকলৰ উন্নয়ন হিতাৰ্থে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাত পৰিলক্ষিত হৈছে। কৃষক সকল যাতে কৃষি কাৰ্যত সহজলভ্যৰে নিজৰ কৰ্ম কৰি আগবাঢ়ি যাব পাৰে তাৰ বাবে বিভিন্ন আঁচনি কেন্দ্ৰ তথা ৰাজ্য চৰকাৰে কৃষক ৰাইজক প্ৰদান কৰা দেখা গৈছে। চৰকাৰে কৃষক ৰাইজৰ বাবে প্ৰদান কৰা আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত বহুতো অনুষ্ঠান প্ৰতিষ্ঠানে আগভাগ লোৱাত পৰিগণিত হৈছে। ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান ও ইয়াৰ ব্যতিক্ৰম নহয়। বিগত বহু বছৰ বছৰ ধৰি ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানে চি বি বি অ' হিচাপে চৰকাৰৰ আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত আগভাগ লোৱাত পৰিলক্ষিত হৈছে। সেইমৰ্মে আজি লালমাটিস্থিত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ কাৰ্যালয়ত দিনযোৱা কাৰ্যসূচীৰে "কৃষক উন্নয়ন কাৰ্যসূচী" শীৰ্ষক অনুষ্ঠান অনুষ্ঠিত কৰে। এই অনুষ্ঠানত ৰাজ্য ২৫ টাকৈ কো: অপাৰেটিভ চচাইটি(মৎস্যপালন)/এফ পি চি'ৰ কৃষক আৰু মেনেজাৰ সকলে অংশ গ্ৰহণ কৰে। ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ বিষয়া নলিনাক্ষ চমুৱাই সভাপতিত্ব কৰা এই অনুষ্ঠানটোত নাবাৰ্ডৰ পৰা আমন্ত্ৰিত অতিথি হিচাপে অহা ডি জি এম দেৱব্ৰত দাসে কৃষক ৰাইজৰ হিতাৰ্থে বিভিন্ন লাভজনক বক্তব্য প্ৰকাশ কৰে। ইয়াৰ পিছতে এপেদা'ৰ পৰা অহা বিষয়া ম: আশ্ৰফ কালামে কৃষক ৰাইজক ব্যৱসায় বৃদ্ধি সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰে। তদুপৰি এ আই এফ স্কীমৰ পৰা অহা দ্বীপ জ্যোতি দাসে বিভিন্ন আঁচনি সন্দৰ্ভত কৃষক সকলক ভাষণ প্ৰদান কৰে। আনহাতে আবেলি ভাগত চচাইটি আৰু এফ পি চি সমূহৰ কাম-কাজ নিয়াৰিকৈ চলাই নিবলৈ প্ৰদান কৰা একাউণ্টিঙ চফ্টৱেৰ চলাবলৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। আজিৰ এই অনুষ্ঠানত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ কোৰ্চ ডাইৰেক্টৰ ড° শান্তনু মোহন ডেকা, প্ৰজেক্ট হেড অনুৰাগ কাশ্যপ, প্ৰজেক্ট লিড' সংগীতা বৰা, প্ৰজেক্ট এক্সিকিউটিভ সৃষ্টি হাজৰিকা, প্ৰজেক্ট এচচিয়েট কবীন্দ্ৰ পাটোৱাৰী, এল আৰ পি ক্ৰমে অপুৰ্ব শৰ্মা, প্ৰাঞ্জল কুমাৰ শৰ্মা, ধ্ৰুৱ জ্যোতি মালাকৰ, দ্বিজেন নাথ, ফটিক আহমেদ সহ প্ৰায় এক শতাধিক কৃষক ৰাইজ উপস্থিত থাকে।

দৰং জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে কৰিলে এই অভিযানৰ শুভাৰম্ভণি

# দৰং জিলাত এইছ আই ভি আৰু এইডছ সন্দৰ্ভত বিস্তৃত সজাগতা অভিযানৰ শুভাৰম্ভ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৪ আগষ্ট ঃ** ৰাজ্যৰ ২৫খন জিলাত আজিৰে পৰা আৰম্ভ হৈছে এইছ আই ভি আৰু এইডছৰ সন্দৰ্ভত বিস্তৃত সজাগতা অভিযান। ইয়াৰ অংশ হিচাবে আজি দৰং জিলাতো এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত এই সজাগতামূলক অভিযান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে। স্বাস্থ্য বিভাগৰ উদ্যোগত মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা শুভ উদ্বোধনী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে কয় যে, শেহতীয়াভাৱে ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে দৰঙতো এইছ আই ভি আৰু এইডছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। মূলতঃ সজাগতা সৃষ্টিৰ জৰিয়তেহে ইয়াৰ প্ৰাদুৰ্ভাৱৰ পৰা মুক্ত হ'ব পৰা যাব বুলি উল্লেখ কৰি তেওঁ উপস্থিত সকলোকে এই কাৰ্যসূচীৰ অংশহৈ নিজ নিজ অঞ্চলত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে আগন্তুক সময়ত গাঁৱে গাঁৱে হ'বলগীয়া সজাগতা সভাত পঞ্চায়ত প্ৰতিনিধি সকলকো লগত ৰাখিবলৈ স্বাস্থ্য বিভাগক অনুৰোধ জনায়। উল্লেখ্য যে এই বিশেষ সজাগতামূলক অভিযান আজিৰে পৰা দুমাহ চলিব আৰু এই সময়ছোৱাত জিলাখনৰ ১২০খন গাওঁ সামৰি লোৱা হ'ব। কাৰ্য্যসূচী উদ্বোধন কৰি জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে এইছ আই ভি আৰু এইডছৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই সজাগতামূলক কাৰ্য্যসূচী খুব সময় উপযোগী হৈছে বুলি মন্তব্য কৰে। যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দীপ্তি বৰুৱাই ভাষণ প্ৰসংগত যুৱ প্ৰজন্মৰ মাজত এই ৰোগৰ প্ৰাদুৰ্ভাৱ যথেষ্ট বৃদ্ধি পাইছে বুলি উল্লেখ কৰে। আনহাতে জিলা এইডছ নিয়ন্ত্ৰণ বিষয়া ডাঃ মালবিকা গগৈয়ে এইছ আই ভি আৰু এইডচ সন্দৰ্ভত উপস্থিত সকলোকে উদ্দেশ্যি বিশদভাৱে বুজাই কয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা মাধ্যম বিশেষজ্ঞ জাহ্নৱী শৰ্মাই আঁত ধৰা অনুষ্ঠানত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত পাপৰি দাস, মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া ডাঃ লিপিকা বৰা বৰুৱা, বিদ্যালয় খনৰ অধ্যক্ষা মৌচুমী চহৰীয়া শৰ্মা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক নয়না পৰাশৰৰ লগতে শতাধিক ছাত্ৰী, এন জি অ'ৰ প্ৰতিনিধি আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকীও বিষয়া কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। এই শুভ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি এক সজাগতামূলক শোভাযাত্ৰাও উলিওৱা হয়। এই শোভাযাত্ৰাত সভাত উপস্থিত সকলোৱে অংশগ্ৰহণ কৰে।

# প্ৰধানমন্ত্ৰীৰ ৮ ছেপ্তেম্বৰত গোলাঘাট ভ্ৰমণৰ প্ৰস্তুতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

**অসম বাৰ্তা, দেৰগাঁও, ১৪ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ৮ ছেপ্তেম্বৰত প্ৰস্তাৱিত অসম আগমনকালত গোলাঘাট জিলা ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দেৰগাঁৰৰ অসম আৰক্ষী সন্মিলন কেন্দ্ৰত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰস্তাৱিত অসম ভ্ৰমণৰ সময়ত নুমলীগড় শোধনাগাৰৰ জৈৱ শোধনাগাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে লক্ষাধিক লোকৰ উপস্থিতিত এক বিশাল জনসভাক সম্বোধন কৰিব। উল্লেখযোগ্য যে বাঁহৰ পৰা ইথানল প্ৰস্তুতকৰণৰ উদ্দেশ্যে গঢ়ি তোলা নুমলীগড়ৰ এই জৈৱ শোধনাগাৰটো দেশৰ ভিতৰতে এইধৰণৰ প্ৰথমটো প্ৰকল্প হিচাপে পৰিগণিত হ'ব। এই শোধনাগাৰে বছৰি প্ৰায় ৫০, ০০০ টন ইথানলৰ লগতে উপজাত সামগ্ৰী হিচাপে ১৮, ০০০ টন ফাৰফুৰেল আৰু ১১, ০০০ টন এচিটিক এচিড উৎপাদন কৰিবলৈ সক্ষম হ'ব। তদুপৰি ই প্ৰায় ৫ মেগাৱাট সেউজ শক্তিও উৎপাদন কৰিব। শোধনাগাৰটোৱে বছৰি ডেৰশ-দুশ কোটি টকাৰ বাঁহ কেঁচামাল হিচাপে ক্ৰয় কৰিব, যি অসমৰ বাঁহ খেতিয়কসকলৰ লগতে ৰাজ্য গ্ৰাম্য অৰ্থনীতিলৈ এক বৃহৎ পৰিৱৰ্তন আনিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে গোলাঘাটত প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে আজি ইয়াৰ প্ৰস্তুতিৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। তেওঁ কয় যে বহুমুখী উপযোগিতা সম্পন্ন বাঁহ অসমত প্ৰচুৰভাৱে উৎপন্ন হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া এই জৈৱ শোধনাগাৰটোৱে বৃহত্তৰ অঞ্চলটোৰ লগতে সমগ্ৰ ৰাজ্যখনক যাতে বিভিন্ন ধৰণে উপকৃত কৰিব পাৰে সেই দিশত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে জৈৱ শোধনাগাৰটোৰ বাবে প্ৰয়োজন হোৱা বাঁহ কৃষকৰ পৰা ক্ৰয়ৰ পিছত সেই বাঁহসমূহক এটা নিৰ্দিষ্ট আকাৰত স্থানীয়ভাৱে কাটি শোধনাগাৰলৈ লৈ অনা হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিততে বিভিন্ন স্থানত ক্ষুদ্ৰ উদ্যোগো গঢ়ি উঠিব বুলি তেওঁ মন্তব্য কৰে। ইয়ে নিয়োগৰ ক্ষেত্ৰ এখনো মুকলি কৰিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বাঁহৰ উৎপাদনলৈ লক্ষ্য ৰাখি অসমত ভৱিষ্যতে এই ধৰণৰ চাৰি-পাঁচটা জৈৱ শোধনাগাৰ স্থাপনৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নুমলীগড় শোধনাগাৰত দেশৰ ভিতৰতে এইধৰণৰ প্ৰথমটো প্ৰকল্প উদ্বোধন কৰা কাৰ্যই ৰাজ্যখনত ভৱিষ্যতে এটা ইতিবাচক ঔদ্যোগীকৰণৰ পৰিৱেশ গঢ় দিয়াত সহায় কৰিব বুলিও তেওঁ কয়। আজিৰ এই বৈঠকত কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, কিন্তু আদি বিভাগৰ অজন্তা নেওগ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰীকা, পৰিবহণ আদি বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ লগতে বহুকেইগৰাকী বিধায়ক তথা মুখ্য সচিব ড° ৰবি কোটা আৰু আৰক্ষী সঞ্চালকপ্ৰধান হৰ্মীত সিঙকে ধৰি শীৰ্ষ প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

৩-১ গ'লত পৰাস্ত ইউডিচি এছ চি

# কৰদৈগুৰি মাণ্ডলিক ফুটবল লীগত বাঘজান এছ চি চেম্পিয়ন

**অসম বাৰ্তা, বাঘজান, ১৪ আগষ্ট ঃ** তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ তত্ত্বাৱধানত বিষ্ণুপুৰ ৰাজহুৱা খেলপথাৰত ৪ আগষ্টৰ পৰা অনুষ্ঠিত মাণ্ডলিক ফুটবল লীগৰ আজি চূড়ান্ত খেলখন অনুষ্ঠিত হৈ যায়। চূড়ান্ত খেলত বাঘজান এছ চিয়ে ৩-১ গ'লত ইউডিচি এছ চিক পৰাস্ত কৰি বিজয়ী খিতাপ অৰ্জন কৰে। বাঘজান এছ চিৰ হৈ ১৫ মিনিটত সুখেশ্বৰ তাঁতী, ২৩ মিনিটত জয়দীপ ফুকন আৰু ৫৮ মিনিটত বাবুজান বৰুৱাই একোটাকৈ গ'ল দিয়ে। বিপৰীতে ইউডিচি এছ চিৰ প্ৰদীপ প্ৰজাই ৭৩ মিনিটত এটা গ'ল পৰিশোধ কৰিবলৈ সক্ষম হয়। খেলৰ ৰেফাৰী সুশান্ত মৰাণ, সহযোগী ৰাতুল মৰাণ, হেমচন্দ্ৰ বাগ, চতুৰ্থ কুলেশ্বৰ মৰাণ। চূড়ান্ত খেলত অতিথি হিচাবে তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি নীল ফুকন, প্ৰনৱজ্যোতি গগৈ, প্ৰাক্তন সাধাৰণ সম্পাদক জীৱন বৰুৱা, সহকাৰী সাধাৰণ সম্পাদক জয়ন্ত দহোতীয়া, ফুটবল সম্পাদক সিমান্ত মৰাণ, হকী সম্পাদক প্ৰেমানন্দ খনিকৰ, ক্ৰিকেট সম্পাদক পাৰ্থ প্ৰতিম বৰা, খেলপথাৰ সম্পাদক অনুজ গগৈ, কাৰ্যনিৰ্বাহক সদস্য শংকৰ গুপ্ত, ক্ৰীড়া সংগঠক তথা অৱসৰপ্ৰাপ্ত শিক্ষক ফটিক মৰাণসহ বহুকেইগৰাকী স্থানীয় বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চূড়ান্ত খেলৰ উদ্বোধন কৰে তিনিচুকীয়া জিলা ক্ৰীড়া সন্থাৰ সভাপতি প্ৰাঞ্জল মহনে। বিজয়ী আৰু বিজিত দুয়োটি দলৰ খেলুৱৈসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে প্ৰথমৰ পৰা অন্তিম দিনালৈকে সৰ্বটোপ্ৰকাৰে সহায় সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে তালাপ-কৰদৈগুৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি দ্ৰোনকান্ত মৰাণ, সাধাৰণ সম্পাদক অৰ্জুন মৰাণে।

# এইচ.আই.ভি./এইডছ সন্দৰ্ভত ৬০ দিনীয়া সজাগতা অভিযানৰ শুভাৰম্ভণি

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৪ আগষ্ট ঃ** অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতি (ASACS)-ৰ নিৰ্দেশনা অনুসৰি, এইচ.আই.ভি./ এইডছ সম্পৰ্কে ব্যাপক জ্ঞান বৃদ্ধি কৰিবলৈ ৬০ দিনীয়া তথ্য, শিক্ষা আৰু যোগাযোগ (IEC) অভিযান আজিৰ পৰা বৰপেটা মহাবিদ্যালয়ত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে। এই বিশেষ অভিযানৰ লক্ষ্য হ'ল সচেতনতা বৃদ্ধি, আৰু সমাজৰ বিভিন্ন স্তৰত এইচ.আই.ভি./ এইডছৰ বিৰুদ্ধে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ উৎসাহ যোগোৱা। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল শ্ৰীমতী গীতাশ্ৰী লাচিত, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য), বৰপেটা। তেওঁ নিজৰ বক্তৃতাত গ্ৰাম্য স্তৰত কাৰ্যকৰীভাৱে অভিযানৰ কাৰ্য্যসূচী বাস্তৱায়নৰ প্ৰয়োজনীয়তা উলিয়াই ধৰিলে আৰু কৈছিল যে বৰপেটা জিলাখন এই বিশেষ অভিযানৰ বাবে অসমৰ ২৫খন জিলাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ সকলো সংশ্লিষ্ট পক্ষক একত্ৰিতভাৱে কাম কৰিবলৈ আহ্বান জনাইছে যাতে সৰ্বাধিক লোকৰ ওচৰত এই অভিযানৰ সাৰ্থকতা নিশ্চিত হয়। এই অনুষ্ঠানত বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু ডঃ ভাস্কৰাচাৰ্য্য বেজ-এ এইচ.আই.ভি./ এইডছৰ বিভিন্ন, সংক্ৰমণৰ পথ, সতৰ্কতামূলক কৌশল, আৰু চিকিৎসা সুবিধাৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে। অহা ৬০ দিনত অনুষ্ঠিত হ'ব লগা মুখ্য কাৰ্য্যসূচীসমূহ হ'ল: বিদ্যালয়, মহাবিদ্যালয় আৰু গাঁও অঞ্চলৰ পৰা আৰম্ভ কৰি সকলো স্তৰত সচেতনতা সভাৰ আয়োজন। IEC সামগ্ৰী বিতৰণৰ জৰিয়তে এইচ.আই.ভি./ এইডছ সম্পৰ্কীয় সঠিক তথ্য জনপ্ৰচাৰ কৰা হয়। উদ্বোধনী অনুষ্ঠানত উদ্বোধন কৰা IEC ভেনটো আগন্তুক সাত দিনৰ ভিতৰত সকলো ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) লৈকে ঘূৰি জনসাধাৰণক সচেতন কৰিব। এই অনুষ্ঠানত বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বৰপেটাৰ বিদ্যালডসমূহৰ উপ-বিদ্যালয় পৰিদৰ্শক উপস্থিত থাকে। অতিথিসকলে বক্তৃতাত কৈছিল যে সচেতনতা হৈছে এইচ.আই.ভি./ এইডছ প্ৰতিৰোধৰ মূল হাতিয়াৰ আৰু ইয়াত যুৱসমাজক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই অভিযানৰ জৰিয়তে এইচ.আই.ভি./ এইডছ সম্পৰ্কে ভুল ধাৰণা দূৰ হ'ব, স্বেচ্ছায় পৰীক্ষণৰ প্ৰৱণতা বৃদ্ধি পাব আৰু বৰপেটা জিলাৰ স্বাস্থ্য সেৱা অধিক ব্যৱহাৰ হ'ব বুলি আশা কৰা হৈছে।

# উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নামভৰ্তি সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰ আৰু KKHSOU ৰ লখিমপুৰ আঞ্চলিক কেন্দ্ৰৰ যৌথ উদ্যোগত আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ নামভৰ্তি সন্দৰ্ভত এখনি সজাগতা সভা অনুষ্ঠিত হয়। উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক জয়ন্ত বৈৰাগীয়ে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ৰমেন চুতীয়াই। নামভৰ্তি সজাগতা সভাখনত লখিমপুৰ আঞ্চলিক কেন্দ্ৰ (KKHSOU) ৰ সঞ্চালক ড০ ভাস্কৰ ভূঞাই মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে অসম তথা সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত উচ্চ শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰত লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ সভাত উপস্থিত দৰ্শক, ছাত্ৰ-ছাত্ৰীসকলক কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা বিভিন্ন ডিগ্ৰী, ডিপ্লমা আৰু ছাৰ্টিফিকেট পাঠ্যক্ৰমৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সজাগতা সভাপনত উপস্থিত থকা মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ড° উপেন বৰা, বুৰঞ্জী বিভাগৰ অৰুণ বৰা, সমাজতত্ত্ব বিভাগৰ অধ্যাপক তথা উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অজন্তষীণ মান নিৰুপন কোষৰ সমন্বয়ক দুলভ বড়া, অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক প্ৰিয়ন্বী স্বৰ্গীয়াৰী, শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক ৰেখা ভাগৱতী কোঁৱৰ, জ্যোতিপ্ৰসাদ চুতীয়া, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক দিপাংক শইকীয়া আৰু অসমীয়া বিভাগৰ ড° বিউটি গগৈয়ে বক্তব্য ৰাখে। সজাগতা সভাখনৰ সফল সমাপ্তিৰ বাবে সমন্বয়ক জয়ন্ত বৈৰাগীয়ে উপস্থিত সকলোকে ধন্যবাদ জনোৱাৰ লগতে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিব বিচৰা সকলক 8368482967, 8474095881 আৰু 7086205105 নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়।

কেইবাখনো শিক্ষানুষ্ঠানত গছপুলি বিতৰণ

# গোলাঘাটত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৪ আগষ্ট ঃ** প্ৰাক স্বাধীনতা কালতে দেশৰ ছাত্ৰসকলক সংগঠিত কৰি সেই সময়ৰ ছাত্ৰ সমাজৰ সমস্যা সমূহ সমাধানৰ বাবে সংগ্ৰাম কৰিবলৈ ১৯৩৬ চনৰ ১২ আগষ্টত জন্ম লাভ কৰা প্ৰথমটো সৰ্বভাৰতীয় ছাত্ৰ সংগঠন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন বা All India Students' Federationৰ ৯০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি সমগ্ৰ দেশৰ লগতে গোলাঘাটতো উদযাপিত হয়। পণ্ডিত জৱাহৰলাল নেহৰু, প্ৰেম নাৰায়ণ ভাৰ্গৱ আদি বৰেণ্য ব্যক্তি সকলৰ নেতৃত্বত লক্ষ্ণৌত জন্ম লাভ কৰা সংগঠনটোৰ প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী হিচাপে গোলাঘাট জিলা কাৰ্যালয়ত পতাকা উত্তোলন কৰে জিলা সভাপতি অভিলাষ নেওগে। তাৰপাছতে সংগঠনটোৰ কৰ্মীসকলে গোলাঘাট নগৰ, দেৱৰাজ ৰয় মহাবিদ্যালয় আদি কেইবাঠাইটো গছপুলি বিতৰণ কৰে। এই কাৰ্যসূচীত নিখিল ভাৰত যুৱ ফেডাৰেচনৰ জিলা সভাপতি জমিৰ আলি আৰু সম্পাদক হেমন্ত গগৈ, ছাত্ৰ ফেডাৰেচনৰ বহু সংখ্যক কৰ্মী উপস্থিত থাকে। ইয়াৰ পাছতে অনুষ্ঠিত সভাত ছাত্ৰ ফেডাৰেচনৰ ৰাজ্যিক আহ্বায়ক যদু বৰাই বক্তব্য ৰাখি কয় যে সেই সময় চলি থকা ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত ছাত্ৰ ফেডাৰেচনে এক গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰিছিল। AISFৰ ছাত্ৰকৰ্মী সকলে আন্দোলনত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰিছিল আৰু বহুতো ছাত্ৰকৰ্মীয়ে ছহিদ বৰণ কৰিছিল। এক প্ৰগতিশীল সমাজবাদী দেশ গঢ়াৰ লক্ষ্যৰে জন্ম লাভ কৰা নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ এই লক্ষ্যক স্বাধীন ভাৰতৰ সংবিধানতো সন্নিৱিষ্ট কৰা হৈছিল আৰু ছাত্ৰ ফেডাৰেচন আজিও সেই আদৰ্শ আৰু লক্ষ্যৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। ছাত্ৰ সমাজৰ মৌলিক সমস্যা যেনে শিক্ষাৰ ব্যক্তিগতকৰণ আৰু বাণিজ্যিকীকৰণ, ৰাজহুৱা শিক্ষাৰ মাচুল বৃদ্ধি আদিৰ বিৰুদ্ধে আৰু প্ৰাক প্ৰাথমিকৰ পৰা স্নাতকোত্তৰলৈকে বিনামূলীয়া শিক্ষাৰ দাবীত সংগঠনটোৱে অবিৰত সংগ্ৰাম অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে অসমৰ প্ৰেক্ষাপটত তাৰো আগতেই ১৯১৬ চনত অসমৰ ছাত্ৰ সকল একত্ৰিত হৈ অসম ছাত্ৰ সন্মিলনৰ জন্ম দিছিল। এই সন্মিলনৰ গুৱাহাটীত অনুষ্ঠিত প্ৰথম অধিৱেশনৰ প্ৰথম সভাপতি পদ অলংকৃত কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। অসমৰ ছাত্ৰ সকলক সংগঠিত কৰি ছাত্ৰ সন্মিলনে অসমীয়া ভাষা-সাহিত্য সংস্কৃতি আৰু অসমীয়া জাতি গঠন পৰিক্ৰমাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। লক্ষ্ণৌত অনুষ্ঠিত AISFৰ প্ৰথম অধিৱেশনত ছাত্ৰ সন্মিলনৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিছিল। অসমৰ ছাত্ৰ সকলক ঐক্যবদ্ধ কৰি অসম আৰু অসমীয়াৰ হকে এক শক্তিশালী ছাত্ৰ আন্দোলন গঢ়ি তোলা অসম ছাত্ৰ সন্মিলনে ১৯৩৯ চনত যোৰহাটত অনুষ্ঠিত অধিৱেশনৰ সিদ্ধান্ত মৰ্মে নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ লগত সংযুক্ত হৈ প্ৰগতিশীল ভাৱধাৰাৰে অসমৰ ছাত্ৰ সমাজক এক বিশ্বমুখী যাত্ৰাৰ দিশে আগবঢ়াই লৈ গৈছিল। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰনাথ শৰ্মা, কৃষ্ণকান্ত সন্দিকৈ, হেমচন্দ্ৰ বৰুৱা, ডিম্বেশ্বৰ নেওগ, দধী মহন্ত, হীৰেন ভট্টাচাৰ্য, অমলেন্দু গুহ, তিলক হাজৰিকা আদি যি সকল লোকে অতীতৰ পৰা বৰ্তমানলৈকে অসমীয়া ভাষা সাহিত্য আৰু অসমীয়া জাতীয় জীৱনৰ গুৰি বঠা ধৰি আহিছে সেই সকলৰ সৰহ সংখ্যকেই ছাত্ৰ সন্মিলন তথা পাছৰ কালত ছাত্ৰ ফেডাৰেচনৰ কৰ্মী আছিল। অসম ছাত্ৰ সন্মিলনৰ উত্তৰসুৰী নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অসম শাখাই আজিও ছাত্ৰ সন্মিলনৰ ঐতিহ্যক বুকুত বহন কৰি অসমৰ জাতীয় জীৱনৰ উন্নয়নৰ অৰ্থে, অসমীয়াৰ জাতিৰ হকে ছাত্ৰ সমাজক একত্ৰিত কৰি প্ৰগতিশীল আন্দোলন অব্যাহত ৰাখিছে। ভাৰতবৰ্ষ তথা অসমৰ গৌৰৱোজ্জ্বল ছাত্ৰ আন্দোলনৰ ৯০ সংখ্যক প্ৰতিষ্ঠা দিৱসত দেশবাসীলৈ সংগঠনটোৱে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

# অসম জাতীয়তাবাদী যুৱ পৰিষদৰ ফৰকাটিং আঞ্চলিকৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, মেৰাপানী, ১৪ আগষ্ট ঃ** আজি অসম জাতীয়তাবাদী যুৱ পৰিষদ, গোলাঘাট জিলা সমিতিৰ অন্যতম শক্তিশালি আঞ্চলিক ফৰকাটিং আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভা অনুষ্ঠিত হয়। উক্ত প্ৰতিনিধি সভাতে ফৰকাটিং আঞ্চলিক সমিতিৰ পৰাগ নাথক সভাপতি, ৰিবো আহমেদক কাৰ্যকৰী সভাপতি আৰু কুমাৰ সমীৰণক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ৪১জনীয়া সমিতি গঠন কৰা হয়। উক্ত সভাত গোলাঘাট জিলা সমিতিৰ সভাপতি বিপুল বৰা, কাৰ্যকৰী সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক ৰাজীৱ লক্ষৰ, সাংগঠনিক সম্পাদক পাৰ্থ প্ৰতিম গগৈ, কাৰ্যনিৰ্বাহক সদস্য দেৱজিৎ গগৈ, গোলাঘাট নগৰ আঞ্চলিক সমিতিৰ সভাপতি অভিজিৎ দাস, যুটীয়া সম্পাদক ভাস্কৰ গগৈ উপস্থিত থাকে।

# ডিব্ৰুগড় বাণীপুৰ শাখা সাহিত্য সভাৰ ন-পুৰণি সদস্য তথা আজীৱন সদস্যৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ ৰাজহুৱা সভা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ আগষ্ট ঃ** ডিব্ৰুগড়ৰ বাণীপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত বাণীপুৰ মহিলা সমিতিৰ স্থায়ী ভৱনত ৰাজহুৱা সভা আৰু ন-পুৰণি সদস্য তথা আজীৱন সদস্যৰ এখনি সন্মিলন অনুষ্ঠিত কৰা হয়। জন্মলগ্নৰে পৰা শাখা সভাখনৰ লগত জড়িত সকলো সদস্য আৰু আজীৱন সদস্য সকলক আমন্ত্ৰণ জনাই এক সৌষ্ঠৱপূৰ্ণ পৰিবেশত মত বিনিময় কৰা হয়। ভাষা সাহিত্যৰ লগতে বৃহত্তৰ বাণীপুৰ অঞ্চলৰ উৎকৰ্ষৰ ক্ষেত্ৰত তেখেতসকলে আগবঢ়োৱা দিহা পৰামৰ্শ শাখা সভাই আন্তৰিকতাৰে গ্ৰহণ কৰে। ২০০০ চনত প্ৰতিষ্ঠা লাভ কৰা বাণীপুৰ শাখা সাহিত্য সভাই চলিত বৰ্ষত গৌৰৱোজ্জ্বল ২৫টা বৰ্ষত ভৰি দিয়ে। ২৫ বছৰীয়া জয়ন্তীৰ শুভ ক্ষণত শাখা সভাই ৰূপালী জয়ন্তী উদ্‌যাপনৰ বাবে সাজু হৈছে। ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰাকক্ষণত বাণীপুৰ শাখা সাহিত্য সভাৰ ন-পুৰণি সদস্য, আজীৱন সদস্য তথা বাণীপুৰৰ গুণী-জ্ঞানী আৰু শুভাকাংক্ষী সকলোকলৈ এই ৰাজহুৱা সভাতে এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তক সভাপতি, ঝৰ্ণা শইকীয়াক কাৰ্যকৰী সভাপতি, ড° দিব্যজ্যোতি বৰাক সম্পাদকৰ দায়িত্বৰে এখন পোন্ধৰজনীয়া উদ্‌যাপন সমিতি গঠন কৰাৰ উপৰিও আন দহখন উপ-সমিতিয়ো গঠন কৰা হয়। শাখা সভাখনৰ সভাপতি অজয় কুমাৰ দত্তই সভাপতিত্ব কৰা সভাখনত বিশিষ্ঠ ব্যক্তি হিচাবে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ গগৈ, বাণীপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শিক্ষাবিদ, তৰুণ কুমাৰ গগৈ, যতীন্দ্ৰ নাথ গগৈ, পদ্মা খনিকৰ, হলিৰাম ফুকন, গুণকান্ত শইকীয়া, দীপক দত্ত, ভৱকান্ত গগৈ, নিৰ্ম্মল শইকীয়া, বিষ্ণু গোহাঁই আদি বিশিষ্ঠ ব্যক্তি সকল উপস্থিত থাকে। বাণীপুৰ মহিলা সমিতিৰ বিষয়ববীয়া সকল, বাণীপুৰ পূৰ্ব্বাঞ্চল নৱজ্যোতি সংঘৰ বিষয়ববীয়া সকল আৰু বাণীপুৰ প্ৰবীণ নাগৰিক সংঘকে ধৰি শতাধিক বক্তিৰ উপস্থিতিৰে অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখা কৰে সম্পাদক ড° দিব্যজ্যোতি বৰাই। সভাৰ আৰম্ভণিতে বাণীপুৰ মহিলা সমিতিৰ সদস্যা সকলে "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক গীত পৰিশন কৰে। সভাপতিৰ আসনৰ পৰা সভাত উপস্থিত থকা সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়। ৰূপালী জয়ন্তী উদযাপনৰ ক্ষেত্ৰত সকলোৰে পূৰ্ণ সহযোগ কামনা কৰে সমিতিয়ে।

# মাকুম সম-জিলাৰ আনুষ্ঠানিক উদ্বোধন মন্ত্ৰী বিমল বড়াৰ

**অসম বাৰ্তা, মাকুম, ১৪ আগষ্ট ঃ** ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি তিনিচুকীয়া জিলাৰ মাকুম সম-জিলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মাকুম উন্নয়ন খণ্ডৰ কাৰ্যালয় চৌহদত স্থাপিত নৱ নিৰ্মিত মাকুম সম-জিলাৰ কাৰ্যালয় উদ্বোধন কৰি দিয়া ভাষণত তেওঁ কয় যে, এয়া মাননিয় মুখ্যমন্ত্ৰীৰ ক্ষমতাৰ বিকেন্দ্ৰিকৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। তেওঁ ইয়াৰ দ্বাৰা মাকুম বিধানসভা সমষ্টিৰ ৰাইজৰ আশা-আকাংক্ষা পূৰণ হ'ব বুলি মত প্ৰকাশ কৰে। এই উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত দিয়া ভাষণত তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে সম-জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক ৰাইজৰ সৈতে চিনাকি কৰাই দিয়ে। তেওঁ সকলোকে ৰাইজৰ প্ৰতি অধিক সংবেদনশীল হৈ কাম কৰাৰ আৰু ৰাইজৰ অধিক ওচৰ চাপি যোৱাৰ পৰামৰ্শ আগবঢ়ায়। তেওঁ মাকুম সম-জিলা আয়ুক্তৰ কাৰ্যালয়টোক এটা অনুভৱী কাৰ্যালয় হিচাপে গঢ়ি তোলাৰ বাবে আহ্বান জনায়। এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোণাকন বৰুৱা, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিশান, শদিয়াৰ বিধায়ক বলীন চেতিয়ায়ো চমু ভাষণ দি মাকুম অঞ্চলৰ ঐতিহ্য আৰু গুৰুত্বৰ বিষয়ে কয়। সভাৰ আৰম্ভণিতে জিলা আয়ুক্ত স্বপ্নীল পালে দিয়া আদৰণি ভাষণত কয় যে, আজিৰ দিনটো মাকুমৰ প্ৰশাসনিক ক্ষেত্ৰত এটা ঐতিহাসিক দিন। তেওঁ সম-জিলা আয়ুক্ত আৰু সম-জিলা আৰক্ষী অধীক্ষকক মাকুমৰ ৰাইজৰ আশা-আকাংক্ষাক বাস্তৱায়িক কৰাৰ বাবে নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়। সভাত ডিগবৈৰ বিধায়ক সুৰেণ ফুকন, অসম গৃহ নিৰ্মাণ পৰিষদৰ অধ্যক্ষ পুলক গোহাঁই, মৰাণ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী অৰুণজ্যোতি মৰাণ, জিলা পৰিষদৰ সভাপতি ভদ্ৰেশ্বৰ মৰাণ, মাকুম পৌৰসভাৰ অধ্যক্ষা অৰ্চনা শইকীয়া, তিনিচুকীয়া পৌৰসভাৰ সভাপতি পুলক চেতিয়া আদিও উপস্থিত থাকে।

# বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ কাৰ্য্যালয় উদ্বোধন জয়ন্ত মল্ল বৰুৱাৰ

**অসম বাৰ্তা, বকো, ১৪ আগষ্ট ঃ** অসম চৰকাৰে ঘোষণা কৰা অনুসৰি আজিৰ দিনটোত ৰাজ্য খনৰ ভিন্ন জিলাত মুঠ দহখন সমজিলা গঠন কৰি উদ্বোধন কৰা হয়। এই সমজিলা সমূহৰ ভিতৰত কামৰূপ জিলাৰ বকোত বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ কাৰ্য্যালয়টো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। উল্লেখ্য যে; বকো ছমৰীয়া পথত আৰু বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ সমীপত স্থাপন কৰা হয় বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ কাৰ্য্যালয়টো। এই উপলক্ষে আজি বকোত যথা ৰীতি-নীতিৰে আয়োজন কৰা হৈছে আয়ুক্তৰ কাৰ্য্যালয় উদ্বোধনী অনুষ্ঠান। দিনৰ ১২ বজাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কাৰ্য্যালয় ভৱনটো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰাৰ পিছত বৃহত্তৰ অঞ্চলটোৰ বৃহৎ জনসমাগমৰ সহযোগত অনুষ্ঠিত কৰে এখন সভা। আয়ুক্তৰ কাৰ্য্যালয়টো উদ্বোধনী ৰাজহুৱা সভাৰ আত ধৰে বকোৰ যুৱ সাংবাদিক গোবিন্দ দলৈয়ে। কাৰ্য্যালয়টো উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ; কামৰূপ জিলাৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী; বকো বিধানসভা সমষ্টিৰ বিধায়িকা নন্দিতা দাস; ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভা; ৰাভা হাছং পৰিষদৰ বকোৰ কাৰ্য্যবাহী সদস্য সুমিত ৰাভা; পাণ্টানৰ ৰমাকান্ত ৰাভা; দক্ষিণ কামৰূপ জিলা বি জে পিৰ সভাপতি অঞ্জন গোস্বামী; বি জে পিৰ যুৱ নেতা হিমাংশু শেখৰ বৈশ্য; কামৰূপ জিলা পৰিষদৰ সদস্য কাম্বু ৰাম ৰাভা; ভাৰতীয় জনতা পাৰ্টীৰ যুৱ নেতা তথা বিশিষ্ট সমাজ কৰ্মী ৰাজু মেছ সহ জিলা প্ৰশাসনৰ বহু সংখ্যক বিষয়া কৰ্মচাৰী। ইফালে বকো-ছয়গাঁও সমজিলাৰ আয়ুক্তৰ কাৰ্য্যালয়টো উদ্বোধন কৰি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে; অসমত ভাৰতীয় জনতা পাৰ্টীৰ মিত্ৰজোঁটৰ চৰকাৰে দক্ষ্য মুখ্যমন্ত্ৰী ড: হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ আৰু ৰাইজৰ মাজত পোনপটীয়া যোগাযোগ কৰিবলৈ সক্ষম হৈছে। ৰাইজে চৰকাৰী সেৱা ওচৰতে পোৱাৰ ব্যৱস্থা কৰিবলৈ জিলা সমূহত জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সমান সা সুবিধা উপলব্ধ কৰিবলৈ সমজিলা গঠন কৰা হৈছে। ইফালে মন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত কয় যে; বকো বাসীয়ে সুদীৰ্ঘ দিন ধৰি বকোক জিলা ঘোষণা কৰিবলৈ আৰু সময়ে সময়ে মহকুমা গঠন কৰিবলৈ দাবী জনায় আবেদন নিবেদন কৰাৰ উপৰিও আন্দোলনৰ কাৰ্য্যসুচীও গ্ৰহণ কৰিছিল। সেই সময়ত আবেদন নিবেদনৰ ফলশ্ৰুতিত আজি, সমজিলা পাবলৈ সক্ষম হৈছে। এই সমজিলাত বিধানসভা সমষ্টি ভিত্তিত ৰাইজে জিলা প্ৰশাসনৰ সেৱা লাভ কৰিব। বকোত বকো-ছয়গাঁও সমজিলা গঠন হোৱাত যি সকলোৰ অৱদান আছে তেওঁলোকক শলাগ লয়। ইয়াৰ উপৰিও মন্ত্ৰী গৰাকীয়ে সমজিলাৰ জৰিয়তে সমষ্টি বাসীয়ে লাভ কৰিব পাবলগীয়া বিভাগীয় সা সুবিধা বোৰৰ কথা উল্লেখ কৰে। ইফালে অনুষ্ঠানত যোগদান কৰি কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সমজিলাৰ আয়ুক্ত হিচাপে প্ৰশাসনিক বিষয়া প্ৰিয়াংশু ভৰদ্বাজক দায়িত্ব অৰ্পণ কৰে আৰু আজিৰ পৰা প্ৰশাসনিক কাম-কাজ চলাই যাবলৈ নিৰ্দেশনা দিয়ে। আনহাতে আৰক্ষী বিভাগৰ সমজিলাৰ আৰক্ষী আয়ুক্ত হিচাপে আৰক্ষী বিষয়া সন্দিপন গাৰ্গক দায়িত্ব দিয়ে। আয়ুক্তৰ কাৰ্য্যালয়টো উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতি গৰাকী বিশিষ্ট অতিথিয়ে ভাষণ প্ৰসংগত সমজিলা গঠন কৰি বকোবাসীক কৃতাৰ্থ কৰা বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

# চিৰাং জিলাৰ শান্তিপুৰত নাবাৰ্ডৰ দ্বাৰা ৱাদি প্ৰকল্পৰ শুভ উন্মোচন

**অসম বাৰ্তা, বাসুগাঁও, ১৪ আগষ্ট ঃ** বি টি আৰ'ৰ চিৰাং জিলাৰ অন্তৰ্গত শান্তিপুৰৰ খাওলা বজাৰত The Ant'ৰ উদ্যোগত আৰু ট্ৰাইবেল ডেভেলপমেণ্ট ফাণ্ডৰ সহযোগত নাবাৰ্ড'ৰ অসমৰ চি জি এম (Chief General Manager, NABARD ) লোকেন দাসে ৱাদি প্ৰকল্পৰ (WADI Project)ৰ শুভউন্মোচন কৰে। তেওঁ এই অভিলাষী আঁচনিটো এশ শতাংশ নহ'লেও কমপক্ষে নবৈ শতাংশ সফল ৰূপায়ণ কৰিবলৈ আহ্বান জনাই বিভিন্ন পৰামৰ্শ আগবঢ়ায়। উদ্বোধনৰ অন্তত এক সজাগতা মূলক সভা অনুষ্ঠিত হয়। সভাত বি টি চিৰ কৃষি সঞ্চালক ফণিন্দ্ৰ ব্ৰহ্মাই কৃষি বিভাগৰ বিভিন্ন উন্নয়ন মূলক আঁচনিৰ কথা অৱগত কৰি প্ৰণালীবদ্ধভাৱে কাম কৰি বিশেষকৈ উদ্যান শস্যৰ জৰিয়তে আৰ্থিক স্বাৱলম্বিতাৰে সচ্ছল জীৱন-যাপন কৰিব পাৰি বুলি কয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ জেষ্ঠ কৃষি বিজ্ঞানী চন্দন ডেকাই একেলগে বহু তৰপীয়া খেতি কৰিবলৈ আহ্বান জনাই তামোলৰ মাজত চকলেট (ককোৱা), আনাৰস, আদা, হালধি ইত্যাদি একেডোৰা মাটিতে লাভৱান হ'ব পৰাকৈ খেতি কৰিবলৈ আহ্বান জনায়। লগতে খেতিয়ক সকলক যিকোনো সমস্যাৰ ক্ষেত্ৰত তেওঁৰ ওচৰত আহিলে সমাধান কৰাৰ ক্ষেত্ৰত যৎপৰোনাস্তি চেষ্টা কৰি যাব বুলি কয়। 'দি এণ্ট' নামৰ স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত অনুষ্ঠিত সভাৰ আঁতধৰে ৰৌমৌ ৰৌমৌ বসুমতাৰীয়। আৰম্ভণিতে দি এণ্টৰ ডিৰেক্টৰ নেতাজী বসুমতাৰীয়ে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া উপস্থিত থকাৰ লগতে ৰাইজৰ সহযোগিতাক তেওঁ সন্তোষ প্ৰকাশ কৰে। উল্লেখযোগ্য যে সভাত মহকুমা কৃষি বিষয়া ধ্ৰুৱ সিংহ, এল ডি এম বিকাশ চন্দ্ৰ শীল অঞ্চলৰ খেতিয়ক সকল উপস্থিত থাকে। সভাৰ মাজে বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰা হয়। সভাৰ অন্তত দি এণ্ট স্বেচ্ছাসেৱী সংস্থাৰ সহযোগ, দিহা-পৰামৰ্শত উন্নত মানৰ আম, বগৰী, কফি, তামোল ইত্যাদি প্ৰণালীবদ্ধ উদ্যান শস্যৰ খেতি পৰিদৰ্শন কৰি খেতিয়ক সকলক অধিক লাভৱান হোৱাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায় বিষয়া সকলে।

# মাধৱপাৰা গাঁও পঞ্চায়তৰ ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী

**অসম বাৰ্তা, কচুৱা, ১৪ আগষ্ট ঃ** সমাগত দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস। ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালকৈ নগাঁও জিলাৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত কচুৱাৰ মাধৱপাৰা গাওঁ পঞ্চায়তৰ নৱগঠিত পঞ্চায়ত কমিটিৰ দ্বাৰা ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী শুভাৰম্ভ কৰে। উক্ত ত্ৰিৰংগা যাত্ৰাত মাধৱপাৰা গাঁও পঞ্চায়তৰ সচিব ৰাজীৱ গোস্বামী, পঞ্চায়ত সভানেত্ৰী পাৰবিনা খাতুন, সমাজকৰ্মী জহুৰ আলী, ওমৰ আলী, উদীয়মান যুৱ নেতা মতিউৰ ৰহমানৰ লগতে পঞ্চায়তৰ বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**সম্পাদকীয়**

# স্বাধীন ভাৰতৰ অস্বাধীন কথাবোৰ

স্বাধীনতাৰ ৭৮ বছৰ পাৰ হৈছে, কিন্তু আজিও ভাৰতীয় সমাজত কিছুমান অস্বীকৃত সত্যই আমাৰ মুক্তিত সন্দেহৰ ছাঁ পেলাইছে। ৰাজনৈতিকভাৱে স্বাধীন হ'লেও সামাজিক, অৰ্থনৈতিক, আৰু সাংস্কৃতিক ক্ষেত্ৰত আমি কিয় এতিয়াও পৰাধীন? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ আমাৰ সমাজৰ কিছুমান গভীৰ দিশৰ ফালে চকু দিব লাগিব।

চৰকাৰী চাকৰি আৰু শিক্ষানুষ্ঠানত সংৰক্ষণৰ নীতি সমতা আনিবলৈ বুলি কোৱা হয়, কিন্তু ইয়াৰ প্ৰয়োগত বহুতো জটিলতা দেখা দিছে। কিছুমানৰ মতে, এই নীতিয়ে সঁচাকৈয়ে পিছপৰা শ্ৰেণীৰ উন্নতি সাধন কৰিছে, আনহাতে অন্য একাংশে ইয়াক ৰাজনৈতিক সঁজুলি হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। উচ্চ বৰ্ণৰ দৰিদ্ৰ শ্ৰেণীৰ লোকে আজিও সংৰক্ষণৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। অন্যফালে, কিছু সমাজে সংৰক্ষণৰ অপব্যৱহাৰ কৰি বহু প্ৰজন্ম ধৰি একেটা সুবিধা ভোগ কৰি আহিছে। এই অসামঞ্জস্যই সমাজত নতুনকৈ বিভাজনৰ সৃষ্টি কৰিছে।

স্বাধীনতাৰ সময়ত দেশভাগৰ ৰক্তৰেখা আজিও আমাৰ সমাজত হেঁচা হৈ আছে। হিন্দু আৰু মুছলমানৰ মাজৰ সম্প্ৰীতিৰ নামত ৰাজনৈতিক দলসমূহে নিজৰ স্বাৰ্থ সিদ্ধি কৰে। অৱশ্যে, ইতিহাসৰ পাতত চালে আমি দেখিবলৈ পাম যে ভাৰতৰ স্বাধীনতা সংগ্ৰামত উভয় সম্প্ৰদায়ৰে বীৰসকলৰ অৱদান সমানে আছিল। মৌলানা আবুল কালাম আজাদ, বা অসমৰ পথৰু ছেখৰ দৰে মুছলমান স্বাধীনতা সংগ্ৰামীসকলৰ নাম ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিখা হৈছে। কিন্তু আজি কিছুমান ৰাজনৈতিক শক্তিয়ে এই সম্প্ৰদায়টোক সন্দেহৰ চকুৰে চায়, সাম্প্ৰদায়িক বিদ্বেষৰ বতাহ বলাই তেওঁলোকক "অন্য" বুলি প্ৰমাণ কৰিবলৈ যত্ন কৰে। কিছুমান মুছলমান নেতায়ো সম্প্ৰদায়টোক ৰাজনৈতিকভাৱে এককঠীয়া কৰি ৰাখিবলৈ চেষ্টা কৰে। এই দৰে দুয়োপক্ষৰে ৰাজনৈতিক কৌশলেৰে সাম্প্ৰদায়িক সম্প্ৰীতিৰ সলনি বিভাজনৰ বীজ ৰোপণ কৰা হৈছে।

অসমত প্ৰব্ৰজনৰ সমস্যা এটা ৰাজনৈতিক হাথিয়াৰ হৈ পৰিছে। ইয়াক কেতিয়াবা জাতীয়তাবাদীসকলে অতিমাত্ৰা ভাৱে উত্থাপন কৰে, কেতিয়াবা চৰকাৰে ইয়াক সম্পূৰ্ণৰূপে উপেক্ষা কৰে। বংগদেশীয় হিন্দু শৰণাৰ্থীৰ সমস্যাৰ সমাধান হোৱা নাই, আনহাতে অবৈধ বাংলাদেশী প্ৰব্ৰজনক লৈও অস্পষ্ট নীতি চলি আছে। ৰাজ্যখনৰ জনগণনা আৰু সাংস্কৃতিক পৰিচয় আজি অনিশ্চিত। চৰকাৰী তথ্য মতে, অসমত ২০১৯ চনৰ NRC প্ৰক্ৰিয়াত ১৯ লাখ লোকৰ নাগৰিকত্ব সন্দেহজনক বুলি ধৰা পৰিছিল, কিন্তু এই সংখ্যাক লৈয়ো ৰাজনৈতিক দলসমূহৰ মাজত মতবিৰোধ আছে। এই অনিশ্চয়তাৰ মাজত স্থানীয় লোকসকলৰ মৌলিক অধিকাৰ, চাকৰি, আৰু সম্পদৰ ওপৰত চাপ বৃদ্ধি পাইছে।

স্বাধীনতা কেৱল বিদেশী শাসনৰ পৰা মুক্তি নহয়, ই হৈছে ন্যায়, সমতা, আৰু একতাৰ সমাজ গঢ়াৰ স্বাধীনতা। কিন্তু আজি আমি দেখিছোঁ— দুৰ্নীতিয়ে আমাৰ গণতন্ত্ৰৰ শিপাত ঘাঁহনি ধৰিছে, যুৱশক্তি ড্ৰাগছ আদি নিচাযুক্তৰে ধ্বংস হৈছে, মাধ্যম স্বাধীন নে ৰাজনৈতিক দলৰ মুখপাত্ৰ হৈ পৰিছে? স্বাধীনতাৰ সপোন দেখোঁতে দেখোঁতে আমি পাহৰি গৈছোঁ যে এই দেশ আমাৰ পূৰ্বপুৰুষসকলে তেজেৰে ৰাঙলী কৰিছিল। আজিৰ প্ৰজন্মই সুধিব লাগিব— এই স্বাধীনতাৰ অৰ্থ কি?

স্বাধীনতা কেৱল এটা উৎসৱ নহয়, ই এটা দায়িত্ব। এই দায়িত্ব পালন কৰিবলৈ আমাৰ সমাজ সচেতন হ'ব লাগিব। নহ'লে, স্বাধীনতাৰ নামত আমি কেৱল এখন "মেলাৰ" আয়োজন কৰি থাকিম— য'ত ন্যায় আৰু সমতাৰ ঠাই নাথাকিব।

> স্বাধীন দেশৰ নাগৰিকৰ মানসপটত যি ছবি অৰ্থাৎ মহাত্মা গান্ধীক আঁকি চিৰস্থায়ী কৰি থোৱা হৈছে। সমসাময়িক ভাৱে যেন কস্তুৰবা গান্ধী ক'ৰবাত ঢাক খাই গৈছে। কস্তুৰবাৰ স্বীকৃতিক ভাৰতীয়ৰ মনত এতিয়াও উহ্য হৈ থকাতো নাৰীৰ বাবে এক চিন্তনীয় বিষয়। হয়তো তেওঁ স্বামীৰ ছাঁ দৰেই থাকি দেশখনক জাকত জিলিকা কৰাৰ বাবে সাহসেৰে যি পদক্ষেপ গ্ৰহণ কৰিছিল, সেয়া গান্ধীজীৰ সবল মন্তব্যত প্ৰকাশ পাইছে যে -কস্তুৰবাজী সদায় এগৰাকী আন্দোলনৰ নেতৃত্ব দিব পৰা পুৰুষৰ সমকক্ষ মহীয়সী।

# নাৰীৰ এক সাৱলীল প্ৰতিবাদী কণ্ঠ কস্তুৰবা গান্ধী

**দীপাঞ্জলী বৰদলৈ**

নাৰীৰ জীৱনটো এক উকা কেনভাছ। সময় আৰু পৰিস্থিতি অনুযায়ী ইয়াত যি ৰঙ ছটিয়া হয়, সেই ৰঙেৰে ছবি অংকিত হয়। আজি এগৰাকী মহীয়সীৰ উকা কেনভাছত সাৱলীল ৰঙৰ ইতিহাসলৈ উভতি চাওঁ আহক। ভাৰতত মহিলাসকলৰ বাবে সমানে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ আৰু সুযোগৰ সংজ্ঞা, প্ৰতিষ্ঠা আৰু সুৰক্ষাৰ লক্ষ্যৰে সংগঠিত বিভিন্ন আন্দোলনৰ গুৰি ধৰোঁতা ভাৰতবৰ্ষৰ পবিত্ৰভূমিত জন্ম হৈছিল এগৰাকী বিশেষ মহীয়সীৰ, যাৰ বলিষ্ঠ খোজৰ গচক এতিয়াও উদাহৰণ হৈ আছে ভাৰতীয় মহিলাসকলৰ অন্তৰত। ইয়াৰ ভিতৰত জড়িত থকা কিছুমান অধিকাৰ যেনে: সমান মজুৰিৰ সৈতে কাম কৰাৰ অধিকাৰ, স্বাস্থ্য আৰু শিক্ষাৰ সমান প্ৰৱেশাধিকাৰৰ অধিকাৰ আৰু সমান ৰাজনৈতিক অধিকাৰ উল্লেখযোগ্য।

ভাৰতত নাৰীৰ অধিকাৰ সাব্যস্তৰ বাবে কৰা আন্দোলনৰ ইতিহাসক তিনিটা পৰ্যায়ত বিভক্ত কৰিব পাৰি। প্ৰথম পৰ্যায়ত ঊনবিংশ শতিকাৰ মাজভাগত আৰম্ভ হৈছিল। দ্বিতীয় পৰ্যায় ১৯১৫ চনৰ পৰা ভাৰতৰ স্বাধীনতালৈ বিস্তৃত।

দ্বিতীয় পৰ্যায়ত, ১৯১৫ চনত ভাৰতবৰ্ষত আবিৰ্ভাৱ হৈছিল নাৰীৰ সবলীকৰণৰ ক্ষেত্ৰত উঠি পৰি লগা এক নাৰী সত্তাৰ। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এজন অনস্বীকাৰ্য যুঁজাৰু হিচাপে নাৰী সবলীকৰণৰ দিশত কস্তুৰবা গান্ধীয়ে এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁৰ আগমনে ভাৰতীয় নাৰীৰ মাজত এক নতুন উৎসাহ -উদ্দীপনা আৰু প্ৰেৰণা সৃষ্টি কৰে। নতুন আত্মসচেতনা, স্বাৱলম্বিতা আৰু স্বদেশী মনোভাৱৰ সোৱাদেৰে নাৰীক এই দিশত লালায়িত কৰে। পৰাধীনতাৰ শিকলি ছিঙি মাতৃভূমিক উদ্ধাৰৰ অৰ্থে ঘৰৰ পৰা ওলাই আহি স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে। আজি এই প্ৰবন্ধৰ জৰিয়তে দেশৰ স্বাধীনতা সংগ্ৰামত মহিলা যোগদানত কস্তুৰবা গান্ধীৰ ভূমিকা আৰু তেওঁৰ নাৰী সবলীকৰণৰ সপোনক চমু অৱলোকন কৰা হৈছে।

ভাৰতবৰ্ষৰ নাৰীক উত্থান আৰু মুক্তিত কস্তুৰবাৰ সকলোতকৈ ডাঙৰ অৱদান আছিল--দেশৰ মহিলা সমাজক সামাজিক-সংস্কাৰ আৰু ৰাজনৈতিক আন্দোলনৰে সংযুক্ত কৰাতো। সেইসময়ত কেৱল পাকঘৰৰ চাৰি বেৰৰ মাজত সীমাবদ্ধ ৰখা ভাৰতীয় নাৰীক স্বাধীনতা সংগ্ৰামৰ মাজলৈ লৈ গৈছিল কস্তুৰবায়ে। যি সময়ত ভাৰতবৰ্ষত সহিতে সমগ্ৰ বিশ্বতে ৰাজনীতিত কেৱল পুৰুষৰহে এটা পেচা হিচাপে ধৰি লৈছিল, তেনে সময়তে কিন্তু কস্তুৰবা গান্ধীৰ লগতে মহাত্মা গান্ধীয়ো পত্নীক সহমত প্ৰকাশ কৰি এই প্ৰথাৰ সম্পূৰ্ণ বিৰোধিতা কৰিছিল।



১৮৬৯ চনৰ ১১ এপ্ৰিলত পোৰবন্দৰত জন্মগ্ৰহণ কৰা ১৪ বছৰীয়া কস্তুৰবাৰ বিবাহ হৈছিল ১৩ বছৰীয়া মোহনদাস কৰমচান্দ গান্ধীৰ সৈতে। কেৱল যে এগৰাকী দায়বদ্ধ পত্নীয়ে আছিল, এনে নহয়, ইয়াৰ উপৰিও, আদৰ্শ মাতৃৰো চিনাকি দিয়াৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলনত নাৰীক একত্ৰিত কৰাত আগ-ভাগ লৈছিল। দুয়ো স্বামী-স্ত্ৰী অৰ্থাৎ মহাত্মা গান্ধী আৰু কস্তুৰবা গান্ধী চলিত পৰম্পৰাৰ সম্পূৰ্ণ বিৰোধিতাৰ বাবে হয়তো তেওঁৰ নেতৃত্বত বৃটিছৰ বিপক্ষে স্বাধীনতা সংগ্ৰামত মহিলাই ব্যাপক ৰূপত অংশগ্ৰহণৰ কৰিছিল।" নাৰীবাদ" আছিল স্বাধীনতা আন্দোলনৰ অন্যতম হাথিয়াৰ। অনেক মহিলাৰ বাবে অহিংস -সত্যাগ্ৰহ আন্দোলনৰ সময়ত কস্তুৰবাৰ লগতে তেওঁৰ শাহু পুতলীবাঈ আছিল অনুপ্ৰেৰণা স্থল। গান্ধীজীৰ প্ৰায়বোৰ সভা-সমিতিৰ উদাত্ত কণ্ঠৰ ভাষণত তেওঁৰ জীৱনৰ অহিংস আদৰ্শ গঢ়াত পত্নী কস্তুৰবাৰ বিশেষ অৱদানৰ কথা উল্লেখ কৰিছিল।

সামগ্ৰিকভাৱে মূলতঃ কস্তুৰবাঈ দুটা দিশত মনঃপূত হৈছিল, যেনে: দেশৰ ৰাজনৈতিক তথা সমাজ জীৱনত নাৰীৰ অস্তিত্ব আৰু দৃষ্টিভংগী কি? সেই বিষয়ে আমাৰ সমাজ ব্যৱস্থাও দেখোন সচেতন নহয়। কস্তুৰবাৰ মতে, প্ৰথমে মহিলাসকলক সামাজিকভাৱে সক্ৰিয় কৰি তুলিব লাগিব। দ্বিতীয়তে উদ্যমী মহিলাক লৈ একেলগে কাম কৰাৰ ফলত পুৰুষৰ নাৰী প্ৰতি থকা তথাকথিত ধাৰণাৰ সলনি হ'ব, যাৰ ফলত দেশৰ স্বাধীনতা সংগ্ৰামত নাৰীয়েও সমান মৰ্যাদা লাভ কৰিব। তেওঁৰ এই ধাৰণাক সন্মান জনাই, মহিলাৰ ওতপ্ৰোত অংশগ্ৰহণে ভাৰতৰ স্বাধীনতা আন্দোলন সফল হোৱাত যথেষ্টখিনি অৰিহণা যোগাইছিল।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে কস্তুৰবা গান্ধী ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী গুৰুত্বপূৰ্ণ নেত্ৰী আছিল। তেওঁৰ কাম-কাজে মহিলাসকলৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছিল। তেওঁৰ প্ৰচেষ্টাই ভাৰতীয় মহিলাসকলক নিজৰ অধিকাৰৰ বাবে থিয় দি, স্বাধীনতা সংগ্ৰামত অংশ ল'বলৈ অনুপ্ৰাণিত কৰিছিল। ফলস্বৰূপে তেওঁ মহিলাসকলৰ বাবে এক আদৰ্শ হৈ পৰিছিল। তেওঁলোকৰ মাজত সাহস আৰু আত্মবিশ্বাস জগাই তুলিছিল। তেওঁ নাৰী সবলীকৰণ কেৱল স্বাধীনতা আন্দোলনতে আৱদ্ধ নাৰাখি সামাজিক সংস্কাৰৰ ক্ষেত্ৰতো বিশেষভাৱে অন্তৰ্ভুক্ত কৰিছিল। কস্তুৰবা গান্ধীয়ে মহিলাসকলক তেওঁলোকৰ অধিকাৰৰ বিষয়ে সজাগ কৰাত এক মুখ্য ভূমিকা পালন কৰিছিল। তেওঁ মহিলাসকলক শিক্ষা, স্বাস্থ্য আৰু স্বাৱলম্বিতাৰ ক্ষেত্ৰত উৎসাহিত কৰিছিল। মহিলাৰ শিক্ষাৰ প্ৰসাৰৰ অৰ্থেও সভ-সমিতি অনুষ্ঠিত কৰি, মহিলাসকলক সচেতন কৰিছিল। তেওঁৰ মতে মহিলা সবলীকৰণৰ অবিহনে এখন শোষণবিহীন সমাজ কেতিয়াও সম্ভৱ নহয়। যাৰ ফলত ভাৰতীয় মহিলাসকলৰ জীৱনশৈলীত ক্ৰমান্বয়ে পৰিবৰ্তনৰ জোৱাৰ তুলিছিল। কস্তুৰবা গান্ধীয়ে স্বামী মহাত্মা গান্ধীৰ অহিংসা আৰু সত্যাগ্ৰহ আদৰ্শৰ ওপৰত বিশ্বাস ৰাখি, এই আদৰ্শই ভাৰতীয় মহিলাসকলক হিংসাত্মক পথ পৰিহাৰ কৰি অহিংস উপায়েৰে নিজৰ দাবী উত্থাপন কৰিবলৈ শিকাই ছিল। কস্তুৰবা গান্ধী এগৰাকী সাহসী, আত্মবিশ্বাসী আৰু শক্তিশালী মহিলা আছিল। তেওঁৰ আদৰ্শ আৰু কৰ্মই ভাৰতীয় মহিলাসকলক নিজৰ জীৱনতো উজ্জ্বলাই তুলিবলৈ আৰু সমাজ তথা মাতৃভূমিৰ বাবে কাম কৰি, তেওঁলোকৰ মাজত স্বাধীনতাৰ স্পৃহা জগাই স্বাধীনতা আন্দোলনত যোগদান কৰিবলৈ আগবাঢ়ি আহিছিল। সঁচাই তেওঁ ভাৰতীয় মহিলাসকলৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ পৰিছিল। আজিও মহীয়সীগৰাকীৰ প্ৰভাৱ ভাৰতীয় মহিলাৰ ইতিহাসত চিৰস্মৰণীয় হৈ আছে।



স্বাধীনতা আন্দোলনৰ সমসাময়িক ভাৱে কস্তুৰবা গান্ধীয়ে সমাজ সংস্কাৰৰ আন্দোলনো অব্যাহত ৰাখাছিল ভাৰতৰ সমাজ ব্যৱস্থাত। সমাজত প্ৰচলিত অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিপক্ষে মহিলাসকলক সজাগ কৰাৰ লগতে ইয়াৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ভাৰতীয় মহিলাই ইতিবাচক পৰিবৰ্তনে আকাশ স্পৰ্শ কৰিছিল।

১৯৪৩ চনত সমাজত অস্পৃশ্য হিচাপে বিবেচিত, দলিত সকলৰ সম-মৰ্যাদা বিচাৰি তেওঁ মহাত্মাৰ সৈতে দলিত বিকাশ যাত্ৰা আৰম্ভ কৰিছিল। এই যাত্ৰাত সমানে সমানে মহিলা সকলো ওলাই আহিছিল। মহাত্মা গান্ধীয়ে যেতিয়া কস্তুৰবাক লগত লৈ দেশীয় যাত্ৰাৰ সময়ত অন্ধ্ৰপ্ৰদেশত উপস্থিত হৈছিল, তেতিয়া তাৰ স্থানীয় মহিলাসকলে নিজৰ অলংকাৰ পৰ্যন্ত স্বাধীনতা আন্দোলনৰ পুঁজি সংগ্ৰহৰ বাবে দান কৰিছিল। কেৱল এয়াই নে, দাণ্ডি যাত্ৰাৰ সময়তো কস্তুৰবাৰ সৈতে অংশগ্ৰহণ কৰি শতাধিক মহিলাই কাৰাবাসো খাটিছিল। তেওঁ সবৰমতী আশ্ৰমত অন্য ৩৭ গৰাকী মহিলাৰ সৈতে লোণ প্ৰস্তুত কৰি আইন ভংগ কৰিছিল, য'ত নেতৃত্ব লৈছিল সৰোজনী নাইডু, কমলা দেৱী চট্টোপাধ্যায়ৰ দৰে নেত্ৰীয়ে। কস্তুৰবা গান্ধীয়ে মহিলাসকলক তেওঁলোকৰ নিজৰ জীৱনৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ আৰু নিজৰ ভৰিত নিজে থিয় হোৱাৰ ক্ষেত্ৰত উৎসাহিত কৰিছিল। তেওঁৰ আদৰ্শ আৰু কাম-কাজৰ প্ৰতি প্ৰবল আগ্ৰহান্বিত হৈ মহিলাসকল স্বাধীনতা সংগ্ৰামত অংশ ল'বলৈ অনুপ্ৰাণিত হৈছিল। তেওঁলোকৰ মাজত আত্মবিশ্বাস জগাই তুলি মহাত্মা গান্ধীৰ সমান্তৰালকৈ অহোপুৰুষাৰ্থ যুঁজ দিয়া এক প্ৰতিবাদী কণ্ঠ আৰু প্ৰকৃতাৰ্থত বীৰাঙ্গনা।

মোহনদাস কৰমচান্দ গান্ধীক আমি মহামানৱ হিচাপে সকলো ভাৰতীয়ৰ মুখে মুখে। হয়তো আমাৰ এতিয়াও জ্ঞাত নহয় যে তেওঁৰ পত্নী, কস্তুৰবা গান্ধীও যে আছিল মহাত্মাৰ সমকক্ষ এগৰাকী শক্তিশালী, স্বাধীনমনা নাৰী, যিয়ে ভাৰতৰ স্বাধীনতাৰ বাবে যৎপৰোনাস্তি সকলোখিনি কৰিছিল।

১৯০৫ চনত যেতিয়া গান্ধীজীয়ে ডাৰবানৰ ওচৰত ফিনি' বসতি স্থাপন কৰিছিল, তেতিয়া মহাত্মাৰ সৈতে কস্তুৰবা ইয়াৰ দৈনন্দিন পৰিচালনাৰ সৈতে সম্পূৰ্ণৰূপে জড়িত হৈ পৰিছিল। দক্ষিণ আফ্ৰিকাত থকা সময়ত নিজকে ৰাজনীতিৰ লগত জড়িত কৰি, কস্তুৰবা গান্ধীয়ে মহিলাসকলক লগত লৈ খনি মালিকৰ শোষণৰ বিৰুদ্ধে বৃহৎ কৰ্মবিৰতি আন্দোলন কৰিছিল। ১৯১৩ চনত দক্ষিণ আফ্ৰিকাত ভাৰতীয় অনুপ্ৰবেশকাৰী ওপৰত হোৱা দুৰ্ব্যৱহাৰ প্ৰতিবাদত হোৱা আন্দোলনত ভাগ লৈছিল আৰু তাৰ ফলত তেওঁ গ্ৰেপ্তাৰ বৰণ কৰিবলগা হয। ১৯১৩ চনৰ ২৩ ছেপ্টেম্বৰত তেওঁক সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। কাৰাবাসৰ থাকা অৱস্থাত, শিক্ষিতসকলক অশিক্ষিতসকলক লিখা-পঢ়া শিকাবলৈ উৎসাহিত কৰিছিল। মোহনদাস গান্ধী আৰু কস্তুৰবা গান্ধী ১৯১৪ চনত দক্ষিণ আফ্ৰিকাৰ পৰা ভাৰতলৈ উভতি আহে। কস্তুৰবা গান্ধী ক্ৰণিক ব্ৰংকাইটিছৰ ৰোগী আছিল। তেওঁ এই ৰোগত ভোগী থকা অৱস্থাতো সমগ্ৰ ভাৰতৰ নাগৰিকৰ কাৰ্যকলাপৰ অংশ লোৱাৰ উপৰিও মোহনদাসৰ অনুপস্থিতিত তেওঁৰ আশ্ৰমৰ চোৱা-চিতাৰ দায়িত্ব পালন কৰিছিল। ইয়াতেই তেওঁ "বা" অথবা "মাতৃ" বুলি আখ্যা দিয়া হৈছিল। কাৰণ সমগ্ৰ আশ্ৰমখন মাতৃৰ দৰেই চোৱা-চিতা কৰিছিল। বিশেষকৈ অত্যাচাৰৰ বিৰুদ্ধে যুঁজত প্ৰাৰ্থনাৰ শক্তিলৈ তেওঁলোকৰ ওপৰত চাপ পেলাইছিল।

যেতিয়া ১৯১৭ চনত গান্ধীজীয়ে বিহাৰৰ চম্পাৰণত নীলখেতিৰ খেতিয়ক সকলৰ সৈতে সংপৃক্ত হৈ থকা সময়ত কস্তুৰবাঈ চম্পাৰণৰ মহিলাসকলৰ উন্নয়নৰ বাবে অৱন্তিকাবাঈ গোখলে, দুৰ্গা দেশাই, মনিবেন পাৰেখ আদি মহিলা নেত্ৰীৰ লগত লগ হৈ মহাত্মাৰ নিৰ্দেশনাত কাম কৰিছিল। প্ৰথম বৃটিছ বিৰোধী আন্দোলন ৰূপে জনাজাত "চম্পাৰণ ধৰ্মঘট"ৰ ২৫গৰাকী স্বেচ্ছাসেৱকৰ ১২ গৰাকীয়ে আছিল মহিলা। তেওঁ মহিলাসকলক পৰিষ্কাৰ-পৰিচ্ছন্নতা, অনুশাসন, স্বাস্থ্য, পঢ়া-শুনা আৰু হাতৰ আখৰ লিখিবলৈ শিক্ষা দিছিল। যেতিয়া মহাত্মা গান্ধীয়ে ভাৰতীয় মহিলাৰ অধিকাৰৰ বাবে যুঁজি আছিল, তেতিয়া ৰাজনৈতিক সভাবোৰত মহিলাৰ ভোটদান কম হোৱাৰ বাবে অতিশয় চিন্তিত হৈ মহাত্মা গান্ধীয়ে কস্তুৰবাক অনুৰোধ কৰিলে ওচৰৰ গাঁৱৰ মহিলা সকলৰ ওচৰলৈ গৈ তাৰ কাৰণ জানিবলৈ। তেওঁ মহিলাসকলক লগ পাই বুজিলে যে সেই গাঁৱৰ মহিলাসকল ইমানেই দুখীয়া যে তেওঁলোকৰ মাজত প্ৰায়ে পৰিধান কৰিবলৈ মাত্ৰ এখন শাৰীহে থাকে, গতিকে সেই এখন শাৰী পৰিধান কৰি তেওঁলোকৰ মাজৰ এগৰাকীয়েহে সভাত উপস্থিত থাকিব পাৰে।

লোন সত্যাগ্ৰহ, দলিত মুক্তি আৰু ভাৰত ত্যাগ আন্দোলনে স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণ আৰু এখোজ আগুৱাই লৈ যায়। ১৯১৯ চনত আহমেদাবাদৰ কপাহ উদ্যোগৰ শ্ৰমিকসকলে ধৰ্মঘটৰ উপৰিও ১৯২১ চনৰ অসহযোগ আন্দোলনত আগশাৰীৰ নেত্ৰী অনসূয়া চাৰাভাইৰ সহযোগিতাত, লগতে কস্তুৰবাৰ নেতৃত্বত মহিলাসকলক হিলদল ভাঙি ওলাই আহিছিল। আনকি তেওঁৰ নেতৃত্বত বিদেশী বস্ত্ৰ জ্বলোৱা, স্বদেশী আন্দোলন আদিতো মহিলাসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱালৈকে ভাৰতৰ যি কেইগৰাকী স্মৰণীয় আৰু বৰণীয় নাৰীয়ে বিভিন্ন দিশত উল্লেখযোগ্য বৰঙনি আগবঢ়াইছে, সেই সকলৰ ভিতৰতে এগৰাকী মুক্তিযুঁজাৰু তথা বীৰাঙ্গনা, কস্তুৰবাক আমি ভাৰতৰ সবল নাৰী হিচাপে দেশবাসীক আগত তেওঁৰ ছবিখন তুলি ধৰিবলৈ চেষ্টা কৰিছো। সত্যাগ্ৰহ আন্দোলনৰ সময়ত ১৯২২ চনত ভগ্ন স্বাস্থ্যৰেই গুজৰাটৰ বৰছাদত হোৱা সত্যাগ্ৰহৰ তেওঁ ভাগ লৈছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত তেওঁ বিভিন্ন প্ৰতিবাদী কাৰ্যত অংশগ্ৰহণ কৰিছিল। ফলত তেওঁ একাধিকবাৰ গ্ৰেপ্তাৰ হৈ কাৰাবৰণ খাটিব লগা হৈছিল। তেওঁৰ বিশ্বাস আছিল যে দেশৰ মুঠ জনসংখ্যাৰ ৫০ শতাংশ মহিলাসকলে সক্ৰিয় ভাৱে অংশগ্ৰহণে ভাৰতবৰ্ষৰ বৃটিছ বিৰোধী সংগ্ৰামক অধিক শক্তিশালী ৰূপত আগবঢ়াই লৈ যাব। তেওঁৰ মতে অবলা নাৰীক সবল কৰিব পাৰিলে, অসহায় নাৰীকো শক্তিশালী কৰিব পৰা যাব। কস্তুৰবাৰ আহ্বানত মহিলাসকলে সূতা-কটা, স্বদেশী -বস্ত্ৰ তৈয়াৰ কৰা আদি কাৰ্যত ব্যাপক অংশগ্ৰহণ কৰি যথেষ্ট অৰিহণা আগবঢ়াইছিল। আঃ এয়া কেনেকুৱা বিধৰ চমৎকাৰ! তেওঁৰ ধ্ৰুৱবিশ্বাস যে ইচ্ছা কৰিলে দেখোন মহিলাই আৰ্থিকভাৱেও স্বাধীন হৈ উঠিবও পাৰে।

১৯১৯ চনৰ আইনৰ মতে যেতিয়া দেশত নিৰ্বাচন অনুষ্ঠিত হৈছিল তাতো তেওঁ মহিলাসকলক অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। ১৯৩১ চনতো তেওঁৰ প্ৰচেষ্টাত কংগ্ৰেছে মহিলাৰ বাবে সমঅধিকাৰ, সম-মৰ্যাদা আৰু ভোটদানৰ অধিকাৰ বিচাৰি এখন অধ্যাদেশ জাৰি কৰিছিল, যি সময়ত আনকি ইউৰোপৰ উন্নত দেশসমূহতো মহিলাৰ কোনো ভোটদানৰ অধিকাৰ নাছিল।

ৰাজকোটৰ মহিলাসকলে কস্তুৰবাক তেওঁলোকৰ নেত্ৰী হিচাপে মানি লোৱাত, ১৯৩৯ চনত বৃটিছ শাসনৰ বিৰুদ্ধে অহিংস প্ৰতিবাদ সাব্যস্ত কৰাত দৃঢ়প্ৰতিজ্ঞ হৈছিল। ইয়াতো কস্তুৰবাক গ্ৰেপ্তাৰ কৰি এমাহ অকলশৰীয়াকৈ কাৰাগাৰত ৰখা হয়। তাত তেওঁৰ স্বাস্থ্যৰ অৱনতি হোৱাৰ পিছতো, হাৰ নামানি প্ৰতিবাদত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি থাকিল। তেওঁৰ ছত্ৰছায়াত স্বাধীনতা আন্দোলনত অংশগ্ৰহণৰ দ্বাৰা মহিলাসকলে পুৰুষৰ চকুত নিজৰ সন্মান বৃদ্ধি কৰাৰ লগতে সমাজ তথা দেশত মহিলাৰ সম-অধিকাৰ, মহিলাৰ সমস্যা আদিৰ বাবে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি পাইছিল। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত অংশ লৈ তেওঁ মহাত্মা গান্ধী আৰু আন আন নেতাসকলৰ সৈতে গ্ৰেপ্তাৰ বৰণ কৰি পুণেৰ "আগ খা" প্ৰাসাদত বন্দী হ'বলগীয়া হৈছিল। তেতিয়া মহিলাসকলে সবল আৰু দৃঢ় হৈ জাতিৰ পিতাৰ কাষত থিয় হৈছিল। সেই সময়ত কস্তুৰবাৰ স্বাস্থ্যৰ যথেষ্ট অৱনতি ঘটিছিল।

১৯০৮ চনৰ জানুৱাৰী মাহত এবাৰ তেওঁৰ স্বাস্থ্য যথেষ্ট বেয়া হৈছিল। কাৰণ তেতিয়া মহাত্মা গান্ধী কাৰাগাৰত থকা বাবে তেওঁ উপবাস পালন কৰাত, স্বাস্থ্য অধিক অৱনতি হৈছিল। সেই সময়ত তেওঁ প্ৰায় মৃত্যু দুৱাৰ -দলিত উপনীত হৈছিল আৰু মহাত্মা গান্ধীয়ে তেওঁৰ ওচৰত উপস্থিত হৈ ক্ষমা বিচাৰি কস্তুৰবাৰ অনুপস্থিতিত পুনৰ বিয়া নকৰোৱাৰ প্ৰতিশ্ৰুতি দিছিল।

স্বাধীন দেশৰ নাগৰিকৰ মানসপটত যি ছবি অৰ্থাৎ মহাত্মা গান্ধীক আঁকি চিৰস্থায়ী কৰি থোৱা হৈছে। সমসাময়িক ভাৱে যেন কস্তুৰবা গান্ধী ক'ৰবাত ঢাক খাই গৈছে। কস্তুৰবাৰ স্বীকৃতিক ভাৰতীয়ৰ মনত এতিয়াও উহ্য হৈ থকাতো নাৰীৰ বাবে এক চিন্তনীয় বিষয়। হয়তো তেওঁ স্বামীৰ ছাঁ দৰেই থাকি দেশখনক জাকত জিলিকা কৰাৰ বাবে সাহসেৰে যি পদক্ষেপ গ্ৰহণ কৰিছিল, সেয়া গান্ধীজীৰ সবল মন্তব্যত প্ৰকাশ পাইছে যে -কস্তুৰবাজী সদায় এগৰাকী আন্দোলনৰ নেতৃত্ব দিব পৰা পুৰুষৰ সমকক্ষ মহীয়সী। পৰাক্ৰমে যুঁজ যুঁজি, পুনৰ নিজক নিয়ন্ত্ৰণত ৰাখি, সকলো কাম কৰিব পৰা পদক্ষেপ ল'ব পাৰিছিল। পৰাধীন ভাৰতক স্বাধীনতাৰ তৃপ্তি দিবলৈ চেষ্টা কৰা দীঘলীয়া যাত্ৰাত কস্তুৰবাৰ নাম নল'লে, দেশৰ স্বাধীনতাৰ ইতিহাস আধৰুৱা হৈ ৰ'ব।

এয়া অপ্ৰিয় হ'লেও সত্য যে স্বাধীনতা সংগ্ৰামত সবল ভূমিকা পালন কৰা কস্তুৰবাক ক'ৰবাত যেন মান্যতা প্ৰদানত কিছু গাফিলতি, কিছু আওহেলা। তথাপি সাহসী আৰু পৰাক্ৰমী নাৰীগৰাকীয়ে বিশ্ববাসীক দেখুৱালে যে ভাৰত কেৱল ৰাজনৈতিক বিপ্লৱৰ বাবেই নহয়, নাৰীৰ উত্থানৰ ক্ষেত্ৰত সামাজিক বিপ্লৱৰ বাবেও সাজু। ইতিহাসে কস্তুৰবাজীক মনত ৰাখিব, কেৱল স্বাধীনতা সংগ্ৰামত স্বামীক সহায় কৰা অৰ্ধাঙ্গিনী হিচাপে নহয়, নিজৰ জীৱনৰ মাজেৰে —লিংগ বৈষম্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰা, ৰাজনৈতিক আৰু জাতীয় কাৰ্যকলাপৰ প্ৰতিটো ক্ষেত্ৰতে নাৰীৰ সমান অংশগ্ৰহণৰ পথ নিৰ্মাণ কৰা এগৰাকী বিদুষী মহিলা হিচাপে। "বন্দে মাতৰম", "ভাৰত মাতা কী জয়" আদিৰ ধ্বনিৰে ভাৰতৰ নাৰী শক্তিক অভূতপূৰ্ব উন্মাদনাৰে জগাই তুলিব পৰা এক শক্তি আছিল কস্তুৰবা গান্ধী।

কস্তুৰবা গান্ধীয়ে দেশ মাতৃৰ হকে আগবঢ়োৱা সেৱাৰ স্বীকৃতি স্বৰূপে সেই সময়ৰ নেতাসকলৰ প্ৰচেষ্টাত সমগ্ৰ দেশতে তেওঁৰ নামত এক অনুষ্ঠান গঢ় দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই মৰ্মে সৰ্বভাৰতীয় স্তৰত ১৯৪৫ চনত গঠন কৰা হয় "কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট।" তাৰে অংশ স্বৰূপে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ১৯৪৬ চনত গুৱাহাটীৰ শৰণীয়াত স্থাপন কৰা হয় কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট, অসম শাখা। মহাত্মা গান্ধীয়ে অনুৰোধ কৰিছিল, এই ন্যাসৰ ধন গাঁৱৰ মহিলা আৰু শিশুসকলৰ উন্নয়নৰ বাবে খৰচ কৰা হওক। কস্তুৰবা গান্ধীৰ স্মৃতিচিহ্ন হিচাপে ভাৰত চৰকাৰে "কস্তুৰবা গান্ধী বালিকা বিদ্যালয়" স্থাপন কৰিছে। য'ত দুখীয়া আৰু পিছপৰা শ্ৰেণীৰ ছোৱালীক শিক্ষা দিয়া হয়। এই বিদ্যালয় সমূহে মহিলাসকলক শিক্ষাৰ জৰিয়তে সবল কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কস্তুৰবাৰ স্মৃতিত তেওঁৰ জন্ম দিনত ভাৰতত প্ৰতিবছৰে ১১ এপ্ৰিলৰ দিনা "মাতৃত্ব সুৰক্ষা দিৱস" হিচাপে পালন কৰা হয়।

কস্তুৰবাৰ সংগ্ৰাম আৰু জীৱনে আজি সমগ্ৰ ভাৰতবৰ্ষৰ নাৰীসকলক আমাৰ জাতিৰ ভাগ্য গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰক। বহুতো ইতিহাসবিদে আজিও স্বীকাৰ কৰে যে চীন-ৰাছিয়াৰ বিপ্লৱতকৈও অধিক মহিলাই অংশগ্ৰহণ কৰিছিল ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত যাৰ মূল কাৰণ আছিল কস্তুৰবা গান্ধী, আৰু মহাত্মা গান্ধীৰ অহিংস নীতিৰ দূৰদৃষ্টিসম্পন্ন গুণৰ। ইয়াৰ পৰাই দেশৰ মুক্তি আন্দোলনত মহিলাৰ অংশগ্ৰহণত কস্তুৰবায়ে যোগোৱা অনুপ্ৰেৰণাৰ এটি শক্তিশালী আভাস পোৱা যায়। সেই দিন ধৰি মহিলাসকলৰ প্ৰতিবাদ যেন এক গুজৰি, -গুমৰি উঠা এক সাৱলীল কণ্ঠস্বৰূপ হিচাপে পৰিগণিত হ'ল।



# AIৰ কবলত বিশ্বাস-যোগ্যতাৰ মহা-প্ৰয়াণ

**আব্দুল ৰৌফ**

ফেইচবুকৰ বন্ধুসকলে নিশ্চয় লক্ষ্য কৰিছে যে আজি কিছুদিনৰ পৰা এক নৱজাত শিশুক লৈ কিছুমান অতি মনোৰঞ্জক ভিডিঅ' সামাজিক মাধ্যমত ওপঙি ফুৰিছে।

জন্মৰ পাছতে কোনো সাংবাদিকে শিশুটিক প্ৰশ্ন কৰিছে আৰু শিশুটিয়ে এক বিজ্ঞ ব্যক্তিৰ দৰে বিভিন্ন প্ৰশ্নৰ উত্তৰ দিছে। কেৱল মাত্ৰ মনোৰঞ্জনৰ বাবে তৈয়াৰ কৰা এই ভিডিঅ'বোৰে বেচ আনন্দৰ খোৰাক যোগাইছে। সিমানখিনিলৈকে ঠিকেই আছে। কিন্তু AI- ৰ এই কৰিশ্মা নিৰ্দোষ ধেমালিতে সীমিত হৈ থকা নাই।

অতি সম্প্ৰতি Pacific Blue Marine Park-ত ঘটা বুলি এটা ভিডিঅ' ভাইৰেল কৰা হ'ল যি বিশ্ব জুৰি আলোড়ন সৃষ্টি কৰিলে। ঘটনাটোত দেখুওৱা হ'ল দৰ্শকৰ সমুখতে সেই জলাশয়টোত দৰ্শকৰ মনোৰঞ্জনৰ বাবে অৰ্কা নামৰ এবিধ ডলফিনৰ লগত Trainer Jasica Radcliffe -য়ে বিভিন্ন খেল দেখুৱাই থাকোঁতে হঠাতে ডলফিনটোৱে তেওঁক কামুৰি আহত কৰে আৰু চিকিৎসা দিয়াৰ পাছতো তেখেতৰ মৃত্যু।

সমগ্ৰ বিশ্বত বিয়পি পৰা এই ঘটনাটোৰ বাবে কোটি কোটি লোকে দু:খ প্ৰকাশ কৰি সামাজিক মাধ্যম তল-ওপৰ কৰে। পাছত সেই জেচিকাৰে বুলি প্ৰচাৰ হোৱা আন এটা ভিডিঅ'ত দেখুওৱা হ'ল জেচিকাই নিজকে জীৱিত বুলি দাবী কৰি তেওঁৰ মৃত্যু হোৱা বুলি প্ৰচাৰ হোৱা ভুৱা বাতৰিত পতিয়ন নাযাবলৈ আহ্বান জনাইছে। আন এটা ভিডিঅ'ত, সেই হত্যাকাৰী ডলফিনটোৱে নিজৰ কৃতকৰ্মত অনুতপ্ত হৈ জেচিকাক বিচাৰি আৰ্তনাদ কৰি থকা বুলি দেখুওৱা হ'ল।

কিন্তু, প্ৰকৃত সত্যটো হ'ল-Pacific Blue Marine Park নামৰ কোনো মনোৰঞ্জনৰ পাৰ্ক ক'তো নাই, জেচিকা ৰেডক্লিফ নামৰ কোনো নাৰী নাই ( যদি ক'ৰবাত আছেও, তেওঁ এনে দুৰ্ঘটনাৰ কাহানিও সন্মুখীন হোৱা নাই)। সমগ্ৰ ঘটনাটো AI- ৰ সহায়ত ৰূপ দিয়া হ'ল কেৱল মনোৰঞ্জন আৰু মানুহক সচেতন কৰাৰ বাবে।

প্ৰকৃততে, Dawn Brancheau নামৰ এগৰাকী মহিলা প্ৰশিক্ষকৰ লগত ২০১০ এনে এক দুৰ্ঘটনা সংঘটিত হৈছিল। ঘটনাটো আছিল এনেধৰণৰ- On Feb. 24, 2010, SeaWorld trainer Dawn Brancheau "was interacting with Tilikum, a 29-year-old male killer whale, in a pool at Shamu Stadium", the report says. "Ms. Brancheau reclined on a platform located just a few inches below the surface of the water. Tilikum was supposed to mimic her behavior by rolling over onto his back. Instead, Tilikum grabbed Ms. Brancheau and pulled her off the platform and into the pool. Ms. Brancheau died as a result of Tilikum's actions", the report says.

এতিয়া কথা হ'ল- AI- ৰ সহায়ত জেচিকা ৰেডক্লিফৰ ঘটনাটো যি কাৰণতেই ৰূপ দিয়া নহওক কিয়, ই কিন্তু আমাৰ বাবে এক ভয়াবহ ভৱিষ্যতৰ ইংগিত দিছে।

"ছবিয়ে কথা কয়"- আপ্তবাক্যশাৰী আৰু এতিয়া কোনো কাৰণতে প্ৰযোজ্য নহয়।

ইতিমধ্যেই বিভিন্ন ৰাজনৈতিক নেতাক এনে কাৰচাজিৰ দ্বাৰা অপযশ ৰটাৰ প্ৰক্ৰিয়া আৰম্ভ হৈ গৈছে। দ্বিতীয়তে বহু অপৰাধীয়ে প্ৰকৃততে সংঘটিত কৰা অপৰাধ "তেওঁ কৰা নাই, তেওঁক বদনাম দিবলৈ AI-ৰ দ্বাৰা সৃষ্ট ভিডিঅ'হে" বুলিবলৈ ৰাষ্টা ওলাল। সত্যাসত্য নিৰ্ণয় কৰা দুৰূহ হৈ পৰিল।

চৰকাৰে AI-ৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ অতি শীঘ্ৰে এখন আইন নানিলে সমাজত অপৰাধ বাঢ়িব। AI-ৰ ব্যৱহাৰ কেৱল মানৱ কল্যাণৰ বাবে হোৱাটো নিশ্চিত কৰিবই লাগিব।

# ভাৰতৰ স্বাধীনতা আন্দোলনত সশস্ত্ৰ সংগ্ৰামী দলসমূহৰ অৱদান



নাছিৰ আহমেদ

ভাৰতৰ স্বাধীনতা আন্দোলনত জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা অহিংস নীতি (Non-violence movement) আছিল এক গুৰুত্বপূৰ্ণ উপাদান। ইয়াৰ মূল প্ৰতিপাদ্য (Theme)বিষয় আছিল কোনো ধৰণৰ হিংসা বা বলপূৰ্বক পথ অৱলম্বন নকৰাকৈ সাম্ৰাজ্যবাদী-ঔপনিৱেশিক বৃটিছ শাসকৰ বিৰুদ্ধে এই নীতিৰ দ্বাৰা ভাৰতৰ স্বাধীনতা লাভ কৰা।

এই অহিংস নীতিৰ দ্বাৰাই ভাৰতৰ স্বাধীনতা আন্দোলনে এক নতুন মাত্ৰা লাভ কৰিছিল।

কিন্তু, ভালকৈ চালিজাৰি চালে দেখিবলৈ পোৱা যায় যে, মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা অহিংস নীতিৰ দ্বাৰা দেশৰ স্বাধীনতা আন্দোলন কাৰ্যসূচী গ্ৰহণ কৰাৰ বহু আগৰে পৰাই অসংখ্য বিপ্লৱী সংগঠনে ব্ৰিটিছ শাসকৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰাম চলাই ভাৰতৰ পূৰ্ণ স্বাধীনতা লাভ কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই গৈছিল। তলত বিপ্লৱী সংগঠনসমূহৰ বিষয়ে থুলমূল ভাৱে আভাস দাঙি ধৰাৰ বাবে প্ৰয়াস কৰিম।

১৯০৪ চনত বিনায়ক দামোদৰ সাভাৰকাৰ আৰু তেওঁৰ ভাতৃ গণেশ দামোদৰ সাভাৰকাৰে "অভিনৱ ভাৰত ছিক্ৰেট ছছাইটি" (Young India Society) প্ৰতিষ্ঠা কৰি কেইবা শ বিপ্লৱী আৰু ৰাজনৈতিক কৰ্মীক লৈ ভাৰতৰ বিভিন্ন ঠাইত বিপ্লৱী বাণী প্ৰচাৰ আৰম্ভ কৰে। এই বিপ্লৱী বাণীৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ১৯০৯ চনৰ ১ জুলাইত লণ্ডনৰ ইম্পেৰিয়েল ইনষ্টিটিউটৰ ভাৰতীয় ছাত্ৰসকলৰ এখন সভাত মদন লাল ধিংৰাই ভাৰতৰ পৰৰাষ্ট্ৰমন্ত্ৰীৰ ৰাজনৈতিক সহকাৰী লেফটেনেণ্ট কৰ্ণেল উইলিয়াম কাৰ্জন-ওৱাইলক হত্যা কৰে। তেতিয়া ধিংৰাক গ্ৰেপ্তাৰ কৰি ব্ৰিটিছ শাসকে ১৯০৯ চনৰ ঐতিহাসিক "নাসিক ষড়যন্ত্ৰ মামলা"ৰ জৰিয়তে তেওঁক মৃত্যুদণ্ড বিহিছিল। ইয়াৰ প্ৰতিশোধ লোৱাৰ বাবে বিপ্লৱী নেতা অনন্ত লক্ষ্মণ কানহাৰে নাসিকৰ জিলা মেজিষ্ট্ৰেট এ এম টি জ্যাকচনক ভাৰতত হত্যা কৰিছিল।

১৯০৫ চনৰ বংগভঙ্গৰ সময়ত বিপ্লৱীসকলক সংগঠিত কৰাৰ প্ৰাথমিক পদক্ষেপসমূহ অৰবিন্দ ঘোষ আৰু তেওঁৰ ভাতৃ বাৰীন ঘোষ, ভুপেন্দ্ৰ নাথ দত্ত, লাল-বাল-পাল আৰু সুবোধ চন্দ্ৰ মল্লিকে গ্ৰহণ কৰিছিল, তেতিয়া তেওঁলোকে ১৯০৬ চনৰ এপ্ৰিল মাহত "যুগান্তৰ দল" গঠন কৰি "অনুশীলন সমিতি"ৰ এটি অভ্যন্তৰীণ বৃত্ত হিচাপে প্ৰস্তুত হৈছিল। বাঘা যতীন আছিল যুগান্তৰৰ শীৰ্ষ নেতাসকলৰ ভিতৰত অন্যতম। হাওৰা-শিৱপুৰ ষড়যন্ত্ৰ মামলাত কেইবাজনো নেতাৰ সৈতে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। আৰু ১৯০৮ চনৰ ৩০ এপ্ৰিলত যুগান্তৰ সংগঠনটোৰ সৰ্বকনিষ্ঠ বিপ্লৱী ক্ষুদিৰাম বসু আৰু প্ৰফুল্ল চাকি কৰ্তৃক মুজাফফৰ পুৰৰ জিলা মেজিষ্ট্ৰেট কিংসফোৰ্ডক হত্যা কৰাৰ চেষ্টা চলোৱাৰ বাবে দুয়োজনকে গ্ৰেপ্তাৰ কৰি ফাঁচিকাঠত ওলমাই দিছিল।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত "যুগান্তৰ" সংগঠনটোৱে বিদেশী ভাৰতীয়সকলৰ সহায়ত অন্যান্য বিপ্লৱী সংগঠনসমূহৰ সৈতে ব্ৰিটিছ শাসকৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহৰ পৰিকল্পনা কৰিছিল। এই পৰিকল্পনাটি মূলতঃ ভাৰতীয় উপকূলত জাৰ্মান অস্ত্ৰ ও গোলাবাৰুদৰ গোপন অৱতৰণৰ ওপৰত নিৰ্ভৰ কৰিছিল; এই পৰিকল্পনাটিক "ইন্দো-জাৰ্মান ষড়যন্ত্ৰ" নামে পৰিচিত; যদিও পৰিকল্পনাটি বাস্তৱায়িত হোৱা নাছিল। যুগান্তৰ সংগঠনটোৰ উল্লেখযোগ্য কুটাঘাতমূলক ঘটনা আছিল "চট্টগ্ৰাম অস্ত্ৰাগাৰ লুণ্ঠন অভিযান"। ১৯৩০ চনৰ ১৮ এপ্ৰিলত সূৰ্য সেনে ভাৰতীয় বিপ্লৱীসকলৰ নেতৃত্বত চট্টগ্ৰামত পুলিচ ও সহায়ক বাহিনীৰ অস্ত্ৰাগাৰ লুণ্ঠন কৰি সকলো যোগাযোগ বিচ্ছিন্ন কৰে। তাৰ পিছত বিপ্লৱীসকলে ভাৰতৰ প্ৰাদেশিক জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰে। ইয়াৰ পিছত, চট্টগ্ৰামৰ ইউৰোপীয় ক্লাব আক্ৰমণৰ নেতৃত্ব দিছিল প্ৰীতিলতা ওৱাদ্দেদাৰ। ইয়াৰ উপৰিও, এই বিপ্লৱী দল কলিকতাৰ ডালহৌসি স্কোৱাৰত অৱস্থিত সচিবালয় ভৱনৰ ৰাইটাৰ্স বিল্ডিঙত আক্ৰমণ কৰিছিল; যাৰ লগত জড়িত আছিল এই সশস্ত্ৰ সংগঠনৰ নেতা বিনয় বসু, বাদল গুপ্ত আৰু দীনেশ গুপ্ত। ১৯৩৩ চনত সূৰ্য সেনক গ্ৰেপ্তাৰ কৰি ১৯৩৪ চনৰ ১২ জানুৱাৰীত তেওঁক ফাঁচিকাঠত ওলমাই দিয়ে।

ব্ৰিটিছ ভাৰতৰ ৰাজধানী কলিকতাৰ পৰা নতুন দিল্লীত স্থানান্তৰ কৰাৰ সময়ত শচীন সান্যালৰ সৈতে বাংলা আৰু পঞ্জাৱৰ আণ্ডাৰ গ্ৰাউণ্ড বিপ্লৱীসকলে ১৯১২ চনৰ ২৩ ডিচেম্বৰত দিল্লীৰ চান্দনীৰ চহৰতলিত আনুষ্ঠানিক শোভাযাত্ৰা চলাকালীন তৎকালীন ভাৰতৰ ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জক হত্যাৰ পৰিকল্পনা কৰিছিল যদিও ভাইচৰয় লৰ্ড হাৰ্ডিঞ্জ তেওঁৰ পত্নীৰ সৈতে আহত অৱস্থাত পলাই সাৰে। কেৱল মাউতজন মৃত্যু মুখত পৰে। এই ঘটনাৰ পিছত বৃটিছ শাসকে বাঙালী আৰু পাঞ্জাবী বিপ্লৱীসকলৰ আণ্ডাৰ গ্ৰাউণ্ড ধ্বংস কৰিবলৈ উঠি পৰি লাগিল। এই ষড়যন্ত্ৰৰ মূল নায়ক ৰাশ বিহাৰীয়ে প্ৰায় তিনি বছৰ ধৰি আত্মগোপন কৰি থাকে আৰু ১৯১৬ চনত গদৰ ষড়যন্ত্ৰ উন্মোচন হোৱাৰ আগতে সক্ৰিয় ভাৱে সশস্ত্ৰ সংগ্ৰামৰ পথত জড়িত হৈ পৰি ১৯১৬ চনত জাপানলৈ পলাই যায়। লৰ্ড হাৰ্ডিঞ্জক হত্যাৰ চেষ্টা কৰাৰ বাবে তদন্ত মৰ্মে "দিল্লী ষড়যন্ত্ৰ মামলা" আৰম্ভ হয়। এই ষড়যন্ত্ৰৰ লগত জড়িত বসন্ত কুমাৰ বিশ্বাসক বোমা নিক্ষেপৰ বাবে দোষী সাব্যস্ত কৰি এই ষড়যন্ত্ৰৰ মূল ভূমিকা পালন কৰা আমিৰ চাঁদ আৰু অবধ বিহাৰীৰ সৈতে তেওঁকো মৃত্যুদণ্ড কাৰ্যকৰী কৰিছিল।



১৯১৩ চনত "ভাৰতত ব্ৰিটিছ শাসনৰ অন্ত পেলোৱাৰ লক্ষ্য লৈ শিখ সংগঠন" গদৰ পাৰ্টী "বিদেশত কাৰ্যক্ৰম আৰম্ভ কৰে। এই দলৰ বিশিষ্ট নেতা আৰু ' গদৰ' সংবাদ পত্ৰৰ প্ৰচাৰক লালা হৰদয়াল সিঙে ভাৰতৰ অভ্যন্তৰত থকা বিপ্লৱী সংগঠনসমূহৰ সৈতে সহযোগিতা কৰি তেওঁলোকক অস্ত্ৰও গোলাবাৰুদ যোগান ধৰি ভাৰতত ব্ৰিটিছ বিৰোধী কাৰ্যকলাপ বৃদ্ধি কৰাৰ বাবে অনুপ্ৰাণিত কৰিছিল।

**বাৰ্লিন কমিটীঃ-** "জিমাৰম্যান পৰিকল্পনা"ৰ অধীনত ভূপেন্দ্ৰ নাথ দত্ত আৰু লালা হৰদয়াল সিঙক অন্তৰ্ভুক্ত কৰি ১৯১৫ চনত ভাৰতৰ স্বাধীনতাৰ বাবে বাৰ্লিন কমিটী প্ৰতিষ্ঠিত হয়, যাৰ মাজত আছিল জাৰ্মান পৰৰাষ্ট্ৰ দপ্তৰৰ পূৰ্ণ সমৰ্থন।

**তেহেৰিক ই ৰেচমী ৰুমালঃ-** দেওবন্দী আন্দোলনৰ পৰাই 'তেহেৰিক ই ৰেচমী ৰুমাল'ৰ উত্থান ঘটে। দেওবন্দী নেতাসকলে প্ৰথম বিশ্বযুদ্ধৰ সময়ত অট্টোমান তুৰস্ক, সাম্ৰাজ্যবাদী জাৰ্মানী আৰু আফগানিস্তানৰ সমৰ্থনত ব্ৰিটিছ ভাৰতত এটি প্যান- ইছলামিক বিদ্ৰোহ আৰম্ভ কৰে। পৰৱৰ্তী ব্ৰিটিছ শাসকৰ বিৰুদ্ধে সশস্ত্ৰ সংগ্ৰামৰ মাধ্যমেৰে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ কৰে। এই উদ্দেশ্যে তেওঁলোকৰ মূল নেতা উবাইদুল্লাহ সিন্ধিৰ তৎকালীন পাৰস্যাৰ নেতা মাহমুদ-আল-হাছানক লিখা বিপ্লৱী চিঠিসমূহ জব্দ কৰাৰ জৰিয়তে পঞ্জাব চি আই ডি এই চক্ৰান্ত উন্মোচন কৰে। চিঠিসমূহ চিল্কৰ কাপোৰত লিখা হৈছিল বাবে ইয়াক "তেহেৰিক ই ৰেচমী ৰুমাল" নামে জনাজাত।

১৯২৪ চনৰ অক্টোবৰত উত্তৰ প্ৰদেশৰ কানপুৰত ৰামপ্ৰসাদ বিসমিল, যোগেশ চ্যাটাৰ্জী, চন্দ্ৰশেখৰ আজাদ, যোগেন্দ্ৰ শুক্লা আৰু শচীন্দ্ৰনাথ সান্যালৰ দৰে বিপ্লৱী নেতা সকলৰ দ্বাৰা "হিন্দুস্তান ৰিপাবলিকান এচোছিয়েশ্যন (Hindustan Republican Association), HRA প্ৰতিষ্ঠা হৈছিল। দলৰ লক্ষ্য আছিল ঔপনিৱেশিক শাসনৰ অন্ত পেলাই ভাৰতত মাৰ্কিন যুক্তৰাষ্ট্ৰীয় ফেডাৰেড প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে সশস্ত্ৰ বিপ্লৱ সংগঠিত কৰা। 'কাকৰি ট্ৰেইন ডকাইটি' এই দলৰ এটি উল্লেখযোগ্য কাৰ্য আছিল। কাকৰি মামলাৰ ফলত আশফাকুল্লাহ খান, ৰামপ্ৰসাদ বিসমিল, ৰোশন সিং, ৰাজেন্দ্ৰ লাহিড়ীৰ ফাঁচি কাৰ্যকৰী হৈছিল। কাকৰি মামলাৰ ফলত এই দলটি বিপৰ্যস্ত হোৱাৰ পিছত অতি শীঘ্ৰে আকৌ চন্দ্ৰ শেখৰ আজাদৰ নেতৃত্বত আৰু ভগত সিং, ভগৱতী চৰণ ভোহৰা আৰু সূৰ্যদেৱৰ দৰে সদস্যসকলক লৈ ১৯২৮ চনৰ ৮ আৰু ৯ চেপ্তেম্বৰত এই দলটি পুনৰ্গঠিত হৈ দলটিৰ নাম দিয়ে "Hindustan Socialist Republican Association, HSRA".

১৯২৮ চনৰ ১৭ ডিচেম্বৰত ভগত সিং, আজাদ আৰু ৰাজগুৰু লালাই লালা লাজপত ৰায়ৰ ওপৰত মাৰাত্মক লাঠি চাৰ্জৰ জড়িত ব্ৰিটিছ শাসকৰ পুলিচ প্ৰশাসনৰ কৰ্মকৰ্তা সণ্ডাৰ্সক সুযোগৰ সদ্ব্যৱহাৰ কৰি লাহোৰত হত্যা কৰে। কিছুদিন আত্মগোপন কৰি থকাৰ পিছত আকৌ ভগৎ সিং আৰু বটুকেশ্বৰে দিল্লীৰ কেন্দ্ৰীয় আইন সভাৰ ভিতৰত সোমাই ইংৰাজ শাসকৰ ক'লা আইনৰ বিৰুদ্ধাচৰণ কৰি বোমা নিক্ষেপ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত "চেণ্ট্ৰাল এছেম্বেলী বোমা বিস্ফোৰণ মামলা"ত ১৯৩১ চনৰ ২৩ মাৰ্চত ভগত সিং, সুখদেৱ থাপাৰ আৰু শিৱৰাম ৰাজগুৰুক ফাঁচি দিয়া হয়।

ইয়াৰ উপৰিও, ভাৰতৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা অসংখ্য বিপ্লৱী সংগঠনসমূহৰ কুটাঘাতমূলক কাৰ্যকলাপক ব্ৰিটিছ শাসকে কঠোৰ হাতেৰে নানা ধৰণৰ নিৰ্যাতন চলাই, যেনে - যাৱজ্জীৱন কাৰাদণ্ড, লাঠি চাৰ্জ টিয়েৰ গেছ বা গুলীবৰ্ষণ কৰি বিপ্লৱীসকলক আহত বা নিহত কৰি সশস্ত্ৰ সংগ্ৰামক নিৰ্মূল কৰিবলৈ উঠি পৰি লাগিছিল।

আমাৰ অসমতো ব্ৰিটিছ শাসকৰ বিৰুদ্ধে অসংখ্য সশস্ত্ৰ বিপ্লৱী সংগঠন সংগঠিত হৈছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নেতৃত্বত গঢ়ি উঠা "মৃত্যু বাহিনী"ত কনকলতা বৰুৱাই অংশ গ্ৰহণ কৰি 'ভাৰত ত্যাগ' আন্দোলনৰ সময়ত ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ গৈ পুলিচৰ গুলীত শ্বহীদ বৰণ কৰিছিল। ইয়াৰ পিছত কুশল কোঁৱৰকো ৰে'ল বগোৱোৱাৰ দৰে কুটাঘাতমূলক কাৰ্যত জড়িত বুলি সন্দেহ কৰি ব্ৰিটিছ শাসকে ১৯৪৩ চনৰ ১৫ জুনত ফাঁচি দিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ চিৰস্মৰণীয় সশস্ত্ৰ সংগ্ৰামী নেতা আছিল সুভাষচন্দ্ৰ বসু। এই সশস্ত্ৰ সংগ্ৰামত তেওঁ গোটেই জীৱন উৎসৰ্গ কৰাৰ বাবে তেওঁক "নেতাজী" নামেৰে পৰিচিত আছিল। তেওঁৰ উদাত্ত বাণী আছিল "Give me blood, I give you freedom. তোমালোকে মোক ৰক্ত দিয়া, মই তোমালোকক স্বাধীনতা দিম।" তেওঁৰ নেতৃত্বত১৯৪৩ চনত "আজাদ হিন্দ ফৌজ" (Indian National Army) পুনৰ্গঠিত হৈ বিদেশৰ মাটিত স্বাধীন ভাৰতৰ অস্থায়ী চৰকাৰ প্ৰতিষ্ঠা হৈছিল আৰু তাৰ পিছত ব্ৰহ্মদেশ, ইম্ফল ও কোহিমাত সাম্ৰাজ্যবাদী জাপানী সেনাবাহিনীৰ সহযোগিতাত ' ব্ৰিটিছ ভাৰতৰ শাসক আৰু কমনৱেলথ বাহিনীৰ বিৰুদ্ধে "দিল্লী চলো" অভিযান কৰি ব্যৰ্থ হৈছিল। ইয়াৰ পিছত পৰাজিত হৈ সুভাষচন্দ্ৰ বসুয়ে দক্ষিণ-পূব এছিয়াৰ পৰা পলায়ন কৰাৰ সময়ত ১৯৪৫ চনৰ ১৮ আগষ্টত বিমান দুৰ্ঘটনাৰ ফলত তায়োৱানৰ এখন জাপানী হাস্পতালত মৃত্যুমুখত পৰে বুলি জনা যায়। এইদৰে এজন বলিষ্ঠ সশস্ত্ৰ সংগ্ৰামীৰ জীৱনৰ সামৰণি পৰে।

# স্বাধীনতা দিৱস আৰু জাতিৰ প্ৰতি আমাৰ দায়িত্ব



চন্দন কুমাৰ নাথ

প্ৰতি বছৰে ১৫ আগষ্টৰ দিনটোত ভাৰতবৰ্ষৰ প্ৰতিজন নাগৰিকৰ হৃদয়ত এক অনন্য উৎসাহ আৰু গৌৰৱৰ অনুভৱে জাগি উঠে। এই দিনটো কেৱল এটা ৰাষ্ট্ৰীয় উৎসৱৰ দিন নহয়, বৰঞ্চ এই দিনটোৱে আমাক আমাৰ স্বাধীনতা সংগ্ৰামৰ স্মৃতি, বলিদান আৰু আমাৰ পূৰ্বপুৰুষৰ সপোনৰ কথা সোঁৱৰাই দিয়ে। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মুহূৰ্তত আমি কেৱল আমাৰ স্বাধীনতাৰ গৌৰৱত গৌৰৱ কৰাই নহয়, আমাৰ জাতিৰ প্ৰতি আমাৰ দায়িত্বৰ কথাও গভীৰভাৱে চিন্তা কৰা উচিত। এই দায়িত্ব কেৱল ৰাষ্ট্ৰৰ সেৱা কৰাৰ ক্ষেত্ৰতেই সীমাবদ্ধ নহয়, বৰঞ্চ ই আমাৰ সমাজ, সংস্কৃতি, পৰিৱেশ আৰু নৈতিক মূল্যবোধৰ প্ৰতিও আমাৰ কৰ্তব্যৰ এক সামগ্ৰিক প্ৰতিফলন।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই শতিকাজুৰি চলি অহা ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ শিকলিৰ পৰা মুক্তি লাভ কৰিছিল। এই স্বাধীনতা কোনো সহজলভ্য উপহাৰ নাছিল। ইয়াৰ পিছফালে আছিল অগণন স্বাধীনতা সংগ্ৰামীৰ ত্যাগ, বলিদান আৰু অপৰিসীম সাহস। মহাত্মা গান্ধীৰ অহিংসাৰ পথৰ পৰা আৰম্ভ কৰি ভগত সিং, চন্দ্ৰশেখৰ আজাদৰ দৰে যুৱকৰ বিপ্লৱী সংগ্ৰামলৈকে, প্ৰতিটো পদক্ষেপত আমাৰ পূৰ্বপুৰুষে জাতিৰ স্বাধীনতাৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। অসমৰ পৰাও কুশল কোঁৱৰ, পীয়লী বৰুৱাৰ দৰে বীৰ-বীৰাঙ্গনাই স্বাধীনতাৰ সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁলোকৰ এই ত্যাগৰ ফলস্বৰূপে আমি আজি এখন স্বাধীন দেশত জীৱন-যাপন কৰিবলৈ সক্ষম হৈছো। কিন্তু স্বাধীনতা কেৱল ৰাজনৈতিক স্বাধীনতাতেই সীমাবদ্ধ নহয়। স্বাধীনতাৰ প্ৰকৃত অৰ্থ হৈছে নিজৰ ভাষা, সংস্কৃতি, চিন্তা আৰু জীৱনশৈলীৰ স্বাধীনতা। ইয়াৰ অৰ্থ হৈছে এনে এখন সমাজ গঢ়ি তোলা, য'ত প্ৰতিজন ব্যক্তিয়ে নিজৰ সম্ভাৱনা প্ৰকাশ কৰিবলৈ সুযোগ পায়। এই স্বাধীনতাৰ সপোনক বাস্তৱত ৰূপায়িত কৰাৰ দায়িত্ব আমাৰ সকলোৰে ওপৰত।

স্বাধীনতা দিৱসৰ উৎসৱৰ মাজত আমি প্ৰায়ে পাহৰি যাওঁ যে স্বাধীনতাৰ সৈতে দায়িত্বও জড়িত হৈ থাকে। আমাৰ জাতিয়ে আমাৰ পৰা কেৱল উৎসৱৰ উল্লাস নহয়, বৰঞ্চ এখন শক্তিশালী, সমৃদ্ধ আৰু ন্যায়পৰায়ণ সমাজ গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি আশা কৰে। এই দায়িত্ব বহুমুখী আৰু ই আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো দিশৰ সৈতে জড়িত। প্ৰথমতে, আমাৰ দায়িত্ব হৈছে আমাৰ সংবিধানৰ মূল্যবোধক সন্মান কৰা। ভাৰতৰ সংবিধানে আমাক গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষতা, সমতা আৰু ন্যায়ৰ মূল্যবোধৰ ওপৰত ভিত্তি কৰি জীৱন-যাপন কৰিবলৈ আহ্বান জনাইছে। এই মূল্যবোধসমূহ আমাৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰত প্ৰতিফলিত হ'ব লাগিব। উদাহৰণস্বৰূপে, আমি যদি আমাৰ সমাজত জাতিগত, ধৰ্মীয় বা লিংগভিত্তিক বৈষম্যৰ বিৰুদ্ধে থিয় দিব নোৱাৰো, তেন্তে আমাৰ স্বাধীনতাৰ প্ৰকৃত অৰ্থ ক'ত? আমাৰ দৈনন্দিন জীৱনত এই মূল্যবোধসমূহ প্ৰতিষ্ঠা কৰাৰ জৰিয়তে আমি আমাৰ জাতিৰ প্ৰতি আমাৰ দায়িত্ব পালন কৰিব পাৰো। দ্বিতীয়তে, শিক্ষা আৰু সচেতনতাৰ জৰিয়তে আমি আমাৰ জাতিক শক্তিশালী কৰিব পাৰো। শিক্ষা হৈছে এনে এটা অস্ত্ৰ, যিয়ে সমাজৰ অজ্ঞতা, কুসংস্কাৰ আৰু পশ্চাদপদতাক নিৰ্মূল কৰিব পাৰে। অসমৰ দৰে ৰাজ্যত, য'ত শিক্ষাৰ প্ৰসাৰ এতিয়াও বহু অঞ্চলত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, আমাৰ দায়িত্ব হৈছে শিক্ষাৰ পোহৰ প্ৰতিটো গাঁৱৰ ঘৰে ঘৰে পঠিয়াবলৈ চেষ্টা কৰা। শিক্ষিত সমাজ এখনেই জাতিৰ প্ৰকৃত উন্নতি সম্ভৱ। আমি নিজে শিক্ষিত হোৱাৰ লগতে আমাৰ চাৰিওফালৰ লোকসকলকো শিক্ষাৰ গুৰুত্বৰ বিষয়ে সচেতন কৰিব লাগিব।

আমাৰ জাতিৰ প্ৰতি আমাৰ দায়িত্বৰ এটা গুৰুত্বপূৰ্ণ দিশ হৈছে পৰিৱেশৰ সংৰক্ষণ। ভাৰতৰ দৰে এখন দেশ, য'ত প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য আছে, তাত পৰিৱেশৰ সুৰক্ষা আমাৰ সকলোৰে নৈতিক দায়িত্ব। অসমৰ সেউজীয়া অৰণ্য, ব্ৰহ্মপুত্ৰৰ পৱিত্ৰ পানী আৰু জৈৱ-বৈচিত্ৰ্য আমাৰ গৌৰৱৰ প্ৰতীক। কিন্তু আধুনিকীকৰণৰ নামত আমি প্ৰায়ে এই প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰ কৰোঁ। গছ-গছনি কটাই, নদী-নৈ প্ৰদূষিত কৰি আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এটা বিপদজনক পৰিস্থিতিৰ সৃষ্টি কৰিছো। স্বাধীনতা দিৱসৰ দিনটোত আমি এই কথা প্ৰতিজ্ঞা কৰিব লাগিব যে আমি প্ৰকৃতিৰ সৈতে সহাৱস্থানৰ নীতি মানি চলিম আৰু পৰিৱেশ সংৰক্ষণৰ বাবে আমাৰ সৰু সৰু প্ৰচেষ্টা অৰিহণা যোগাম। গছপুলি ৰোপণ কৰা, প্লাষ্টিকৰ ব্যৱহাৰ হ্ৰাস কৰা আৰু পানী সংৰক্ষণৰ দৰে কাম আমি আমাৰ দৈনন্দিন জীৱনত গ্ৰহণ কৰিব পাৰো। আমাৰ জাতিৰ প্ৰতি আমাৰ দায়িত্বৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে সামাজিক সমতা আৰু ন্যায়ৰ প্ৰতি আমাৰ প্ৰতিশ্ৰুতি। ভাৰত এখন বৈচিত্ৰ্যপূৰ্ণ দেশ, য'ত বিভিন্ন ধৰ্ম, জাতি, ভাষা আৰু সংস্কৃতিৰ মানুহে একেলগে বাস কৰে। এই বৈচিত্ৰ্য আমাৰ শক্তি, কিন্তু ইয়াৰ সৈতে জড়িত কিছুমান প্ৰত্যাহ্বানো আছে। সমাজৰ কিছুমান অংশ এতিয়াও অৰ্থনৈতিক, সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰি আছে। আমাৰ দায়িত্ব হৈছে এই বৈষম্য দূৰ কৰিবলৈ কাম কৰা। স্বাধীনতাৰ প্ৰকৃত অৰ্থ তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া সমাজৰ প্ৰতিটো স্তৰৰ মানুহে সমান সুযোগ আৰু সন্মান লাভ কৰিব।

অসমৰ পৰিপ্ৰেক্ষিতত এই দায়িত্ব আৰু অধিক গুৰুত্বপূৰ্ণ। আমাৰ ৰাজ্যত বহুতো জনজাতি, সম্প্ৰদায় আৰু ভাষিক গোষ্ঠী আছে, আৰু এই সকলোৰে মাজত সামঞ্জস্য ৰক্ষা কৰাটো আমাৰ দায়িত্ব। আমি আমাৰ সংস্কৃতি, ভাষা আৰু পৰম্পৰাৰ প্ৰতি গৌৰৱ কৰোঁ, কিন্তু একে সময়তে আনৰ সংস্কৃতিৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰিব লাগিব। স্বাধীনতা দিৱস কেৱল এটা স্মৃতিৰ দিন নহয়, বৰঞ্চ ই আমাক আমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। আমাৰ পূৰ্বপুৰুষে আমাক এখন স্বাধীন দেশ উপহাৰ দিছিল, কিন্তু তাৰ উন্নতি আৰু সমৃদ্ধিৰ দায়িত্ব আমাৰ ওপৰত। আমি আমাৰ দৈনন্দিন জীৱনৰ সৰু সৰু কামৰ জৰিয়তে এই দায়িত্ব পালন কৰিব পাৰো শিক্ষাৰ প্ৰসাৰ, পৰিৱেশৰ সুৰক্ষা, সামাজিক ন্যায়ৰ প্ৰতি প্ৰতিশ্ৰুতি আৰু সংবিধানৰ মূল্যবোধৰ প্ৰতি শ্ৰদ্ধাৰ জৰিয়তে। অসমৰ প্ৰতিজন নাগৰিকৰ হাতত আছে এই সুযোগ, যাতে আমি আমাৰ ৰাজ্য আৰু জাতিক এখন শক্তিশালী, সমৃদ্ধ আৰু সুন্দৰ ভৱিষ্যতৰ দিশে আগুৱাই নিব পাৰো। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মুহূৰ্তত আহক আমি প্ৰতিজ্ঞা কৰোঁ যে আমি আমাৰ জাতিৰ প্ৰতি আমাৰ দায়িত্ব পালন কৰিম আৰু আমাৰ পূৰ্বপুৰুষৰ সপোনক বাস্তৱত ৰূপায়িত কৰিম।

# দেশপ্ৰেমৰ নতুন ধাৰণা





নিবেদিতা হাজৰিকা

স্বদেশ প্ৰেম বা দেশপ্ৰেম হৈছে এক গভীৰ অনুভৱ, যিয়ে জীৱনৰ প্ৰতিটো দিশক স্পৰ্শ কৰে। ই এনে এক বিশেষ আবেগ, যি জনগনক একত্ৰিত কৰে। দেশপ্ৰেমৰ নতুন ধাৰণা হ'ল, নিজৰ দেশৰ প্ৰতি থকা গভীৰ মৰম আৰু শ্ৰদ্ধা, যিয়ে দেশৰ উন্নতি আৰু জনসাধাৰণৰ মংগলৰ বাবে কাম কৰিবলৈ অনুপ্ৰাণিত কৰা। আমি বাস কৰা সমাজখন, দেশখন ধুনীয়াকৈ ৰাখিবলৈ আমি কৰা প্ৰতিটো কামতেই লুকাই আছে দেশপ্ৰেম। ইয়াৰ লগত যে কেৱল ৰাজনৈতিক আনুগত্য ৰ বিষয়টোহে জড়িত হৈ থাকে এনে নহয়। বৰঞ্চ ইয়াৰ লগত সামাজিক, সাংস্কৃতিক তথা অৰ্থনৈতিক দিশটোও জড়িত হৈ থাকে। দেশপ্ৰেমৰ ভাৱে নিজ দেশৰ সমাজৰ প্ৰতি দায়বদ্ধ হোৱাৰ লগতে সমাজৰ প্ৰতি দায়বদ্ধ হোৱাও বুজায়। দুখীয়া তথা পিছপৰা অঞ্চলৰ লোকসকলক সহায় কৰা, শিক্ষা আৰু দৈহিক সুস্থতা দিশৰ উন্নতি কৰা, সামাজিক ন্যায় তথা এজন নাগৰিকে আন এজন নাগৰিকৰ দুখ-দুৰ্দশাৰ বুজ লোৱা ও পাৰ্যমানে অলপ সহায় কৰা আদিৰ দৰে কাৰ্যকলাপ তথা বিষয় সমূহ সামৰি লয়। এক অৰ্থত এয়াও এক প্ৰকাৰ দেশপ্ৰেম।

আজিৰ যুগত দেশপ্ৰেমৰ অৰ্থ আৰু প্ৰয়োজন বহু পৰিমাণে সলনি হৈছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা তথা বিশ্বায়নৰ যুগত দেশপ্ৰেমৰ নতুন মাত্ৰা উদ্ভাৱন হৈছে। দেশৰ প্ৰতি থকা ভাল পোৱা প্ৰকাশিত কৰিবলৈ বহু পথ খোলা আছে। আন্দোলনকাৰী বা আন্দোলন-কালীন দেশপ্ৰেমৰ স্বৰূপ সুকীয়া। এই ক্ষেত্ৰত আবেগ তথা কৌশল আদিৰ দৰে বিষয় সমূহে বা উপাদান সমূহে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। কান্ধত বন্দুক নোলোৱাকৈও, যুদ্ধ ক্ষেত্ৰলৈ নোযোৱাকৈও বা সীমান্তত প্ৰহৰী হিচাপে কৰ্মৰত নোহোৱাকৈও আমি দেশ খনৰ প্ৰতি থকা মৰম, ভাল পোৱা আদি প্ৰকাশ কৰিব পাৰো। দেশ প্ৰেমৰ ডাঙৰ - ডাঙৰ শ্লোগান নিদিয়াকৈও আমি এজন দেশপ্ৰেমিক হ'ব পাৰো। প্ৰত্যেক মানুহৰ মনত দেশপ্ৰেমৰ এটা ভাব থাকেই, কিন্তু ইয়াৰ প্ৰকাশ ভিন্ন । যি কৰ্মই আপোনা -মোক জনসাধাৰণৰ আৰু ওচৰলৈ লৈ যাব পাৰে সেই ধৰণৰ কৰ্ম বা সেৱাৰ দ্বাৰাও আমি দেশপ্ৰেমৰ ভাব প্ৰকাশ কৰিব পাৰো। স্মতব্য যে আমি প্ৰত্যেকেই নিজৰ -নিজৰ দায়িত্বখিনি নিষ্ঠাৰে পালন কৰিও এজন দেশপ্ৰেমিক হ'ব পাৰো। সকলোৰে বাবে সমতা, পৰিৱেশ সংৰক্ষণ, শিক্ষা তথা বিকাশ, আন্তৰ্জাতিক সহযোগিতা, সততা আৰু স্বচ্ছতা, সাংস্কৃতিক বুজা-বুজি, সামাজিক ন্যায়, সৃষ্টিশীলতা আৰু উদ্ভাৱন আদিৰ দৰে দিশ সমূহে সমাজ তথা দেশ এখনৰ উন্নতিত প্ৰভুত অৱদান আগবঢ়ায়। এই দিশ সমূহ বা বিষয় সমূহৰ উন্নতি বা বিকাশ সাধনৰ জৰিয়তেও আমি এজন সচেতন নাগৰিকৰ পৰিচয় দিব পাৰো। কিছুমান সাধাৰণ কামৰ জৰিয়তেও আমি দেশ খনৰ প্ৰতি থকা ভালপোৱাৰ ভাব প্ৰকাশ কৰিব পাৰো । নিজ কৰ্মৰ জৰিয়তে দেশ খনলৈ সুখ্যাতি কঢ়িয়াই অনা, নিজ দায়িত্ব -কৰ্তব্য আদি সুচাৰু ৰূপে পালন কৰা আদিতে নিহিত হৈ থাকে দেশপ্ৰেমৰ ভাব, দেশপ্ৰেমৰ চানেকি। এয়াই হৈছে দেশপ্ৰেমৰ নতুন ধাৰণা।

দেশপ্ৰেম এটা মহৎ গুণ। দেশবাসীৰ মনত জাগ্ৰত দেশপ্ৰেম অবিহনে এখন দেশ প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। দেশপ্ৰেমৰ নতুন ধাৰণা কেৱল এক বিশেষ ভুখণ্ড বা জাতিৰ প্ৰতি থকা অনুৰাগ নহয়। ইয়াৰ পৰিসৰ বহুত ব্যাপক। ই কেৱল জাতীয় পতাকা উত্তোলন কৰা বা জাতীয় সংগীত পৰিৱেশন কৰাৰ মাজতে সীমাবদ্ধ নহয়। । উল্লেখ্য যে দেশপ্ৰেমৰ নতুন ধাৰণা বা দৃষ্টি ভংগীয়ে এক নতুন মাত্ৰা প্ৰদান কৰি এখন উন্নত সমাজ গঢ়াৰ বাবে নাগৰিকসকলক উৎসাহিত কৰে, য'ত সকলোৱে শান্তি আৰু সমৃদ্ধিৰে জীৱন নিৰ্বাহ সহায় কৰিবলৈ সক্ষম আৰু সহায়ক হয়। দেশপ্ৰেমৰ এই নতুন ধাৰণাটোৱে ব্যক্তিৰ মনত এক নতুন ধৰণৰ অনুভৱ জগাই তোলে। ই এক আনন্দ, গৌৰৱ তথা সন্তুষ্টিৰ অনুভূতি। দেশপ্ৰেমৰ পৰিৱৰ্তিত নতুন ধাৰণাই বিশ্বখনক এক উন্নত স্থানলৈ লৈ যোৱাত সহায়ক হৈ উঠিব। এই ধাৰণাটোৱে ব্যক্তি তথা সমাজ দুয়োটাকে সমৃদ্ধ কৰি তুলিবলৈ সক্ষম হয়। দেশপ্ৰেমৰ এই নতুন ধাৰণাৰে উদ্বুদ্ধ হৈ আমি সকলোৱে সমাজৰ এজন সজাগ আৰু সচেতন নাগৰিক হিচাপে সমাজৰ প্ৰতি ভালপোৱা প্ৰদৰ্শন কৰিব পাৰো।

## স্বাধীনতা

✍ হিমালী কলিতা

শত শত শ্বহীদৰ  
তেজৰ বিনিময়ত,  
অৱশেষত আহিল স্বাধীনতা।  
বৃটিছৰ কঠোৰ শাসন  
গুলি বাৰুদৰ ধ্বনিৰ বিপৰীতে  
আমাৰ দেশৰ বীৰ শ্বহীদে  
অহিংসা নীতিৰে আজুৰি  
আনিলে দেশলৈ স্বাধীনতা।  
এখন মুকলি আকাশ  
সেই আকাশৰ তলত,  
উৰিছে শান্তিৰ কপৌ জাক  
কি যে মনোৰম সুৱাস।  
স্বাধীনতাই শিকালে আমাক  
একতাৰ এনাজৰীৰে বান্ধ খাই  
প্ৰেমৰ জয়গান গোৱাৰ।  
হিন্দু, মুছলিম, খ্ৰীষ্টান, জৈন,  
বৌদ্ধ সকলো  
ধৰ্মৰে ধৰ্মনিৰপেক্ষতাৰ  
ৰাষ্ট্ৰ ভাৰতবৰ্ষ।  
য'ত গীতা, ভাগৱত,  
কোৰান বাইবেল  
সকলোৰে সুৰ গুঞ্জৰিত।  
স্বাধীন দেশৰ স্বাধীন নাগৰিক  
মনবোৰ স্বাধীনতাৰ পোহৰেৰে  
উজ্জীৱিত কৰি,  
মনৰ পৰা হিংসা বিদ্বেষ  
কলুষতা, সন্ত্ৰাসবাদ পৰিহাৰ কৰি  
শত শত শ্বহীদৰ  
বলিদান সাৰ্থক কৰি  
আগুৱাব পাৰিলেহে  
হাতে হাত ধৰি,  
স্বাধীনতাৰ অৰ্থ  
আৰু সাফল্য বিয়পি পৰিব  
সমগ্ৰ বিশ্বজুৰি।

# ভাৰতৰ স্বাধীনতা দিৱস আৰু নৱ-প্ৰজন্মৰ দায়িত্ব



ললিত নাথ

১৯৪৭ চনত ভাৰতে ব্ৰিটিছ শাসনৰ পৰা মুক্তি পোৱাৰ স্মৃতিত প্ৰতি বছৰে ১৫ আগষ্টত ভাৰতৰ স্বাধীনতা দিৱস পালন কৰা হয়। এই দিনটোত ভাৰতীয়সকলে দেশমাতৃৰ বাবে আত্ম বলিদান দিয়া বীৰ সন্তানসকলক গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ই আমাক সোঁৱৰাই দিয়ে যে স্বাধীনতা কেৱল অধিকাৰ নহয়, ই নতুন প্ৰজন্মৰ কান্ধত দেশৰ ভৱিষ্যত গঢ়াৰ এক গুৰু দায়িত্ব। নতুন প্ৰজন্মই জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু ভাষাৰ ভেদাভেদ পাহৰি একতা আৰু সমন্বয়ৰ মনোভাৱ গঢ়ি তুলিব লাগিব, যাতে ভাৰতৰ গৌৰৱময় ঐতিহ্য অক্ষুণ্ণ থাকে আৰু দেশৰ প্ৰগতি অব্যাহত থাকে।

মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, ৰাজেন্দ্ৰ প্ৰসাদ, লাল বাহাদুৰ শাস্ত্ৰী, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমেদ, কনকলতা, মুকুন্দ কাকতি, আৰু ভোগেশ্বৰী ফুকননীৰ দৰে স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগ আৰু আদৰ্শ আমাৰ বাবে চিৰন্তন প্ৰেৰণাৰ উৎস। তেওঁলোকৰ জীৱনৰ পৰা শিক্ষা আৰু আদৰ্শ গ্ৰহণ কৰি নতুন প্ৰজন্মই দেশপ্ৰেম, ইতিহাস, সংস্কৃতি, আৰু মূল্যবোধৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু জ্ঞান অৰ্জন কৰি ভাৰতক এক শক্তিশালী আৰু সমৃদ্ধিশালী দেশ হিচাপে গঢ়ি তুলিব লাগিব।

নতুন প্ৰজন্মই কেৱল নিজৰ শিক্ষাৰ সুযোগ গ্ৰহণ কৰাই নহয়, সমাজৰ শোষিত বঞ্চিত, নিপীড়িত, উপেক্ষিতসকলৰ মাজতো শিক্ষাৰ পোহৰ বিয়পোৱাৰ দায়িত্ব পালন কৰিব লাগিব।

লগতে, দেশৰ ইতিহাস, সংস্কৃতি আৰু স্বাধীনতা সংগ্ৰামৰ বিষয়ে গভীৰ জ্ঞান অৰ্জন কৰি সচেতন আৰু দায়িত্বশীল নাগৰিক হোৱাটো অত্যন্ত জৰুৰী।

ভাৰত এখন বৈচিত্ৰ্যময় দেশ, য'ত বিভিন্ন জাতি, ধৰ্ম, ভাষা-সংস্কৃতিৰ মানুহে একেলগে বসবাস কৰে। কিন্তু জাতিগত বৈষম্য, লিংগভিত্তিক বৈষম্য, ধৰ্মীয় বিভেদ আৰু অৰ্থনৈতিক বৈষম্যৰ দৰে সমস্যাই আমাৰ সমাজৰ প্ৰগতিৰ পথত বাধা সৃষ্টি কৰি আহিছে। নতুন প্ৰজন্মৰ দায়িত্ব হৈছে এই সকলো বৈষম্যৰ বিৰুদ্ধে সোচ্চাৰ হৈ সকলোৰে বাবে সমান অধিকাৰ আৰু সুযোগ নিশ্চিত কৰি এক ন্যায়পৰায়ণ সমাজ গঢ়ি তোলা।

নতুন প্ৰজন্মই নাৰী অধিকাৰ, দৰিদ্ৰতা দূৰীকৰণ আৰু সকলোৰে বাবে ন্যায়পৰায়ণ সুযোগ সৃষ্টিৰ লক্ষ্যৰে সমাজৰ সকলো স্তৰত ঐক্য-সম্প্ৰীতিৰ ভাৱ জাগ্ৰত কৰিব লাগিব। এই প্ৰচেষ্টাৰ জৰিয়তে তেওঁলোকে ভাৰতক এক ন্যায়সঙ্গত আৰু সমৃদ্ধিশালী দেশ হিচাপে গঢ়ি তুলিব পাৰিব, য'ত প্ৰতিজন নাগৰিকে সমান মৰ্যাদা আৰু সুযোগ লাভ কৰিব।

নতুন প্ৰজন্মৰ অন্যতম গুৰু দায়িত্ব হৈছে পৰিৱেশৰ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতি সচেতন হোৱা। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ আৰু প্ৰাকৃতিক সম্পদৰ অপচয়ৰ দৰে সমস্যাই আমাৰ গ্ৰহটোৰ ভৱিষ্যতক বিপন্ন কৰিছে। নতুন প্ৰজন্মই পৰিৱেশ-বান্ধৱ জীৱনশৈলী গ্ৰহণ কৰা নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ বৃদ্ধি আৰু গছপুলি ৰোপণৰ দৰে কামৰ জৰিয়তে পৰিৱেশ সুৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ইয়াৰ উপৰিও বহনক্ষম উন্নয়নৰ লক্ষ্যসমূহৰ প্ৰতি সচেতনতা বৃদ্ধি কৰা তেওঁলোকৰ দায়িত্ব। এই পদক্ষেপসমূহৰ জৰিয়তে নতুন প্ৰজন্মই ভাৰতক কেৱল স্বাধীন আৰু সমৃদ্ধ দেশ হিচাপেই নহয়, এখন পৰিৱেশ-সচেতন আৰু বহনক্ষম ভৱিষ্যতৰ দেশ হিচাপেও গঢ়ি তুলিব পাৰে।

আজিৰ যুগ প্ৰযুক্তিৰ যুগ। নতুন প্ৰজন্মই কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল প্লেটফৰ্ম আৰু উদ্ভাৱনীমূলক প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে দেশৰ অৰ্থনীতি আৰু সমাজৰ উন্নয়নত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব লাগিব। সামাজিক মাধ্যমৰ প্লেটফৰ্মসমূহ দায়িত্বশীল আৰু সৃজনশীল ব্যৱহাৰৰ মাধ্যমেৰে সজাগতা সৃষ্টি, জ্ঞানৰ আদান-প্ৰদান আৰু ইতিবাচক পৰিৱৰ্তনৰ পথ মুকলি কৰিব পাৰে। এই প্ৰযুক্তিগত সম্ভাৱনাক কামত লগোৱাৰ জৰিয়তে নতুন প্ৰজন্মই এক সমৃদ্ধ আৰু প্ৰগতিশীল সমাজ গঢ়ি তুলিবলৈ সক্ষম হ'ব।

স্বাধীনতা দিৱস কেৱল উৎসৱমুখৰ দিনেই নহয়, ই আমাক আমাৰ দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। নতুন প্ৰজন্মই এই দায়িত্ব গ্ৰহণ কৰি শিক্ষা, সামাজিক সমতা, পৰিৱেশ সুৰক্ষা আৰু প্ৰযুক্তিৰ সঠিক ব্যৱহাৰৰ জৰিয়তে ভাৰতক এক শক্তিশালী, সমৃদ্ধ আৰু ঐক্যবদ্ধ দেশলৈ ৰূপান্তৰিত কৰিব পাৰে। স্বাধীনতা যোদ্ধাসকলৰ সপোনৰ ভাৰত গঢ়ি তোলাৰ দায়িত্ব এতিয়া যুৱশক্তিৰ হাতত। এই স্বাধীনতা দিৱসত প্ৰতিজন যুৱকে দেশৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ সংকল্পবদ্ধ হ'ব লাগিব। তেতিয়াহে স্বাধীনতাৰ প্ৰকৃত মূল্য সংৰক্ষণ হ'ব।

## ৭৯ সংখ্যক স্বাধীনতা দিৱস

স্বাধীনতা দিৱসৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। হৰ ঘৰ ত্ৰিৰঙ্গা কাৰ্যসূচীৰে ব্যাপক হাৰত বিলোৱা হৈছে জাতীয় পতাকা ৰাজধানী নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচী উপভোগ কৰাৰ বাবে অসমৰ পৰা বিভিন্ন ক্ষেত্ৰৰ লগত জড়িত ব্যক্তি আমন্ত্ৰিত হৈছে। উল্লেখ্য যে বৃটিছৰ বিৰুদ্ধে দেশজুৰি চলা স্বাধীনতা সংগ্ৰামত ভাগ লৈছিল দেশৰ অগণন জনতাই। সমগ্ৰ দেশতেই ইংৰাজ শাসন ওফৰাই স্বাধীন ভাৰতৰ পতাকা উৰুৱাবলৈ বদ্ধপৰিকৰ হৈছিল ভাৰতবাসী। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ, অসমৰ পৰা গুজৰাটলৈ বিভিন্নজনে দেশমাতৃক ৰক্ষা কৰাৰ স্বাৰ্থত আত্মবলিদান দিছিল। বহুতে আত্মবলিদান দিয়াৰ বিপৰীতে লাখ লাখ লোকে চিৰকাললৈ আদৰি লৈছিল পঙ্গুত্ব। বহুলোকে কাৰাবাস খাটিলে। ২০০ বছৰতকৈও অধিক সময়ৰ ব্ৰিটিছ ঔপনিৱেশিকতাবাদৰ কবলৰ পৰা মুক্তিৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতক ব্ৰিটিছ ঔপনিৱেশিকতাৰ পৰা স্বাধীন ঘোষণা কৰি ক্ষমতাৰ বাঘজৰী দেশৰ নেতাসকলৰ হাতত অৰ্পণ কৰা হ'ল। দীঘলীয়া আৰু ক্লান্তিকৰ সংগ্ৰামৰ পিছত, বহু স্বাধীনতা সংগ্ৰামীৰ ত্যাগ, আত্মবলিদানেৰে দেশে লাভ কৰিলে স্বাধীনতা। স্বাধীনতা দিৱসত দেশৰ বীৰ ছহিদসকলক সন্মান জনোৱাৰ লগতে দেশপ্ৰেম, ঐক্য, আৰু প্ৰগতিৰ সূতাৰে বোৱা এক সজীৱ আদৰ্শ প্ৰতিষ্ঠাৰ নব্য প্ৰয়াস কৰা হয় প্ৰতিবছৰে। দিল্লীৰ লালকিল্লাত অনুষ্ঠিত বৃহৎ অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে এইবাৰ একেৰাহে ১২ বাৰৰ বাবে দেশবাসীক সম্বোধন কৰিব। ভাষণত চৰকাৰৰ ভৱিষ্যৎ উদ্দেশ্য, চৰকাৰৰ সাফল্যৰ ওপৰত আলোকপাত কৰি নাগৰিকসকলক অধিক শক্তিশালী আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ দিশত কাম কৰিবলৈ উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। সমৃদ্ধিশালী চহৰৰ পৰা আৰম্ভ কৰি দুৰ্গম গাঁৱলৈকে ৰাজহুৱা অনুষ্ঠানত লোক সমৱেত হৈ পতাকা উত্তোলনৰ লগতে দেশপ্ৰেমমূলক সাংস্কৃতিক অনুষ্ঠান আয়োজনৰো চলিছে ব্যাপক প্ৰস্তুতি। সুখ আৰু সমন্বয়ৰ সৃষ্টিৰে নৱপ্ৰজন্মৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তুলিবলৈ বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে লালকিল্লাত উপস্থিত হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী মোদীক প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, প্ৰতিৰক্ষা ৰাজ্যিক মন্ত্ৰী সঞ্জয় ছেঠ আৰু প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে আদৰণি জনাব বুলি বুধবাৰে এক আনুষ্ঠানিক বিবৃতিত প্ৰকাশ পাইছে। তেওঁক শীৰ্ষ ডিফেন্স অফিচিয়েলৰ সৈতে চিনাকি কৰাই দিয়া হ'ব যিয়ে তেওঁক চেলুটিং বেছলৈ লৈ যাব। স্থলসেনা, নৌসেনা, বায়ুসেনা আৰু দিল্লী আৰক্ষীৰ সংযুক্ত গাৰ্ড অৱ অনাৰে মুঠতে ৯৬জন জোৱানে প্ৰধানমন্ত্ৰীক চেলুট প্ৰদান দিব। ইয়াত লগতে কোৱা হৈছে যে, এই বছৰ বায়ুসেনাৰ সমন্বয়ত এই দলটোৰ কমাণ্ডাৰ হ'ব উইং কমাণ্ডাৰ এ এছ চেখন। পৰিদৰ্শনৰ পিছত প্ৰধানমন্ত্ৰীয়ে লালকিল্লাৰ প্ৰাচীৰলৈ আগবাঢ়িব, য'ত তেওঁক আদৰণি জনাব প্ৰতিৰক্ষা মুৰব্বী জেনেৰেল অনিল চৌহান আৰু সেৱাৰ মুৰব্বীকে ধৰি শীৰ্ষ সামৰিক নেতৃত্বই। থলুৱা ১০৫ মিমি লাইট ফিল্ড গান ব্যৱহাৰ কৰি ১৭২১ ফিল্ড বেটাৰীয়ে ২১ বন্দুকৰ চেলুটৰ সৈতে সমন্বয় কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলনত সহায় কৰিব ফ্লাইং অফিচাৰ ৰশিকা শৰ্মাই। সশস্ত্ৰ বাহিনী আৰু দিল্লী আৰক্ষীৰ ১২৮জন জোৱানৰে গঠিত নেশ্যনেল ফ্লেগ গাৰ্ডে ৰাষ্ট্ৰীয় চেলুট প্ৰদান কৰিব। লগতে, দুখন মি-১৭ হেলিকপ্টাৰত ফুলৰ পাহিৰ উৰুওৱা হব। এখনত ৰাষ্ট্ৰীয় পতাকা আৰু আনখনে অপাৰেচন সেন্দূৰৰ পতাকা কঢ়িয়াই আনিব, যিটো শেহতীয়াকৈ এইবাৰৰ উদযাপনৰ সময়ত সন্মান জনোৱা সফল সামৰিক অভিযান। জ্ঞানপথ দৰ্শন স্থানত অপাৰেচন সেন্দূৰৰ ল'গ' প্ৰদৰ্শিত হ'ব, আৰু আমন্ত্ৰণ পত্ৰত নয়া ভাৰতৰ প্ৰতীক হিচাপে চেনাব দলঙৰ ল'গ' আৰু ৱাটাৰমাৰ্ক দুয়োটা বৈশিষ্ট্য আছে। জ্ঞানপাঠত প্ৰায় ২৫০০ এন চি চি কেডেট আৰু মাই ভাৰতৰ স্বেচ্ছাসেৱকে নয়া ভাৰতৰ ল'গ' গঠন কৰিব। বিশেষ অতিথিৰ ভিতৰত আছে ৫ হাজাৰৰো অধিক লোক, ইয়াৰ ভিতৰত ভাৰতৰ বিশেষ অলিম্পিক দল, আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ বিজয়ী, খেলো ইণ্ডিয়া পেৰা গেমছৰ স্বৰ্ণ পদক বিজয়ী। সমগ্ৰ ভাৰতৰ পৰা আন ১৫০০ আমন্ত্ৰিত ব্যক্তিয়ে পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি দেশৰ সাংস্কৃতিক বৈচিত্ৰ্য্য প্ৰদৰ্শন কৰিব। পতাকা উত্তোলন আৰু আকাশী চেলুটৰ পিছত প্ৰধানমন্ত্ৰী মোদীয়ে দেশবাসীক সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীৰ ভাষণত পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অপাৰেচন সেন্দূৰৰ সফলতা, পাকিস্তানৰ সৈতে ভাৰতৰ সামৰিক সংঘাত, ২০৪৭ চনৰ ভিতৰত ভাৰতে উন্নত ৰাষ্ট্ৰ হোৱাৰ লক্ষ্য আদি বিষয়সমূহ অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছে। প্ৰথমবাৰৰ বাবে দেশপ্ৰেমৰ উত্তেজনা বিয়পাবলৈ আৰু অপাৰেচন সেন্দূৰ উদযাপন কৰিবলৈ স্বাধীনতা দিৱসৰ সন্ধিয়া দেশজুৰি ১৪০টাতকৈও অধিক স্থানত সামৰিক আৰু অৰ্ধসামৰিক বেণ্ডসমূহে অনুষ্ঠান পৰিৱেশন কৰিব।

## ৯ গৰাকী বায়ুসেনা

এই সন্মান প্ৰাপ্তসকলৰ ভিতৰত আছে গ্ৰুপ কেপ্টেইন ৰঞ্জিত সিং সিন্ধু, মণীষ আড়োৰা, অনিমেষ পাটনি, কুনাল কালৰা, উইং কামাণ্ডাৰ জয় চন্দ্ৰ, স্কোৱাড্ৰন লিডাৰ সাৰ্থক কুমাৰ, সিদ্ধান্ত সিং, ৰিজৱান মালিক আৰু ফ্লাইট লেফটেনেণ্ট অৰ্শ্ববীৰ সিং ঠাকুৰ। ২০২৫ চনৰ অপাৰেচন সিন্দুৰত পাকিস্তানৰ বিৰুদ্ধে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে গ্ৰহণ কৰা কাৰ্য্যত এই বিষয়াসকলে নেতৃত্বদান কৰিছিল। বিশেষকৈ, শ্ৰীনগৰ বিমানবন্দৰৰ ওচৰত ড্ৰোণ আক্ৰমণ প্ৰতিৰোধ কৰা, শ্বৰণাগত সৈন্যবাহিনীৰ বাবে আকাশী সহায় প্ৰদান, আৰু শত্ৰুৰ স্থাপনা ধ্বংস কৰাত তেওঁলোকে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ৰক্ষামন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা এক বিবৃতিত কয়, "এই বীৰসকলৰ সাহস আৰু কৌশলে অপাৰেচন সিন্দুৰৰ সাফল্য নিশ্চিত কৰিছিল। তেওঁলোকৰ আত্মত্যাগে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ শৌৰ্য্যৰ পৰিচয় দিয়ে।" ১৫ আগষ্টত ৰেড ফৰ্টত অনুষ্ঠিত হ'বলৈ থকা স্বাধীনতা দিৱসৰ কাৰ্যসূচীত এই সন্মানসমূহ প্ৰদান কৰা হ'ব। ইয়াৰ লগতে অপাৰেচন সিন্দুৰৰ আন ১৬ গৰাকী বীৰ সেনাকো বিভিন্ন সামৰিক সন্মানেৰে সন্মানিত কৰা হ'ব। এই অভিযানে ভাৰতৰ প্ৰতিৰক্ষা ব্যৱস্থাৰ আত্মনিৰ্ভৰশীলতা আৰু কৌশলগত সক্ষমতাৰ প্ৰমাণ দিছে। বায়ুসেনাৰ এই সন্মানীয় বিষয়াসকলে ভৱিষ্যতৰ প্ৰজন্মৰ বাবে এক অনুপ্ৰেৰণাৰ উদাহৰণ ৰাখিলে।

### পৰিষদীয় নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিজেপিত জোৱাৰ উঠিছে বৃহৎ যোগদান কাৰ্য্যসূচীৰ

## বাক্সা জাখলিপাৰত বিটিআৰৰ ই এম গৌতম দাসৰ নেতৃত্বত বৃহৎ যোগদান কাৰ্যসূচী

**অসম বাৰ্তা, বৰপেটাৰোড, ১৪ আগষ্ট ঃ** বিটিআৰ পৰিষদীয় নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক বিৰোধী সাজু হৈ উঠিছে। সমষ্টিয়ে সমষ্টিয়ে প্ৰতিটো ৰাজনৈতিক দলে তুংগত কৰি তুলিছে প্ৰচাৰ অভিযান। পৰিষদীয় নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত বিজেপিত জোৱাৰ উঠিছে বৃহৎ যোগদান কাৰ্য্যসূচীৰ। বিটিআৰ দখলৰ লক্ষ্যৰে বিজেপিয়ে নিজৰ ভেটি শক্তিশালী কৰাৰ বাবে দিনে নিশাই চলিছে যোগদান কাৰ্যসূচী। সোমবাৰে নিশা মথনগুৰি মণ্ডল কমিটিৰ অস্থায়ী কাৰ্যালয়ত বিটিআৰৰ ই এম গৌতম দাসৰ উপস্থিতিত বিপিএফ দলৰ কৰ্মীসহ দুই শতাধিক লোকে আনুষ্ঠানিক ভাৱে যোগদান কৰে ভাৰতীয় জনতা পাৰ্টিত। বিপিএফ দলত উচিত সন্মান লাভ নকৰাৰ বাবে শীৰ্ষ নেতা কৰ্মীৰ ওপৰত খৰ্গহস্ত হৈ বিপিএফ দল ত্যাগ কৰি। বিজেপিত যোগদান কৰে অৰ্ধশতাধিক বিপিএফ কৰ্মীয়ে। বিজেপিৰ নীতি আদৰ্শৰ লগতে বিজেপি চৰকাৰে কৰা দেশৰ উন্নয়নমূলক কাম কাজত মুগ্ধ হৈ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰতি আকৃষ্ট হৈ বিপিএফ দল ত্যাগ কৰি বিজেপিত যোগদান কৰা বুলি মন্তব্য প্ৰাক্তন বিপিএফৰ কৰ্মীৰ। উল্লেখযোগ্য যে বিগত কেইবা মাহ ধৰি বাক্সাৰ মথনগুৰি পৰিষদীয় সমষ্টিৰ বিজেপিৰ বিটিআৰৰ সমাজকল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ নেতৃত্বত তথা দলীয় কৰ্মীৰ সহযোগত দিনে নিশাই চলি আছে যোগদান কাৰ্যসূচী। বা'ৰ মথনগুৰি সমষ্টিত বিগত দহ বছৰে ই এম গৌতম দাসৰ লগতে বিজেপি দলৰ উন্নয় মূলক আঁচনিৰ উপৰিও বিভিন্ন কাম কাজত সন্তুষ্ট হৈ সোমবাৰে নিশা মথনগুৰি সমষ্টিৰ জাখলিপাৰত মথনগুৰি মণ্ডল কমিটিৰ অস্থায়ী কাৰ্য্যালয়ত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ নেতৃত্বত আৰু মথনগুৰি ব্লক কমিটিৰ উদ্যোগত বিপিএফ আৰু অন্যান্য দলৰ লগতে বেলগুৰি, হেলনাৰপাৰ আৰু কালঝাৰ গাঁৱৰ প্ৰায় দুশ গৰাকীলোকে ভাৰতীয় জনতা পাৰ্টিত আনুষ্ঠানিকভাৱে যোগদান কৰে।

## মিছন বসুন্ধৰা ৩.০ ৰ

ভোগ দখল কৰি থকা ভূমিৰ আবণ্টন পোৱাৰ পাছত স্থায়ী পট্টা পাবলৈও সক্ষম হৈছে। চৰকাৰৰ ভূমিনীতি কিছুমান চৰ্ত পৰিপূৰ্ণ কৰাৰ পাছত জনসাধাৰণৰ মাজত পট্টা বিতৰণৰ দিহা কৰিছে আৰু এতিয়ালৈকে বহুতো লোকে নিজৰ নিজৰ নামত একোখনকৈ স্থায়ী পট্টা পত্ৰ পাবলৈ সক্ষম হৈছে। যুগ যুগ ধৰি ভুক্তভোগী ৰাইজে একোডোখৰ পট্টা পত্ৰ পাবলৈ হাবাথুৰি খাই থকা লোকে একোখনকৈ পকা পত্ৰ হাতে হাতে পোৱাত সিসকলৰ মুখত হাঁহি বিৰিঙিবলৈ ধৰিছে। এয়া অসমৰ জনগণৰ বাবে সুখৰ খবৰ, আনন্দৰ বতৰা। কিছুমান তথ্যগত চৰ্ত পৰিপূৰ্ণ নোহোৱাৰ ফলস্বৰূপে এতিয়াও অসমৰ অসংখ্য লোকে এই সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এইক্ষেত্ৰত অৱশ্যে হতাশ তথা নিৰাশ হোৱাৰ প্ৰয়োজন নাই বুলি আমাৰ মনে কয় । আশা কৰোঁ, চৰকাৰে পৰ্য্যায়ক্ৰমে এইসকলৰ আবেদনসমূহক পৰ্যালোচনা কৰি সোনকালেই ইয়াক কাৰ্য্যকৰী ৰূপ দিব। সেইদিনটোলৈ এতিয়া সকলোৰে আশাৰে বাট চাই আছে। আশাহত হোৱাৰ প্ৰয়োজন নাই।

শেহতীয়াকৈ এটা সুখৰ খবৰ জানিবলৈ পাইছোঁ। অসমৰ চৰকাৰীয়েই হওক কিম্বা বেচৰকাৰীয়েই হওক বহু বহু পৰিমাণৰ ভূখণ্ড দখল কৰি এইবোৰত ৰাইজে বহু শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান, সামাজিক অনুষ্ঠান অথবা অত্যাৱশ্যকীয় অনুষ্ঠান-প্ৰতিষ্ঠান, সাংস্কৃতিক কলা-কেন্দ্ৰাদি স্থাপন কৰি থকা ভূমি ভাগত সম্প্ৰতি আবণ্টন, অনুমোদন আৰু স্থায়িত্বৰ প্ৰমাণ পত্ৰ আগবঢ়োৱা বা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে, যিটো সঁচাই অতি প্ৰশংসনীয় আৰু আদৰণীয়। ইয়াৰ বাবে চৰকাৰে কেতবোৰ বিশেষ বিধি-ব্যৱস্থাও নিৰ্ধাৰণ কৰিছে। প্ৰথম কথা, যিডোখৰ মাটিত জনসাধাৰণ বা সামাজিক গোট বিশেষে ৰাজহুৱা বৃহত্তৰ কাৰ্যসূচী সমাপনৰ বাবে ভূমি অধিগ্ৰহণ কৰি আছে, সেই মাটিডোখৰক লাট মণ্ডলৰ হতুৱাই চৰজমিন তদন্ত কৰোৱাই একোখন চিনাক্তকৰণ পত্ৰ প্ৰাপ্ত কৰি ৰাজহ চক্ৰ বিষয়া বা আয়ুক্ত, অতিৰিক্ত আয়ুক্তৰ স্বাক্ষৰিত চিল মোহৰ সহিতে চিত্ৰায়িত কৰি ল'ব লাগিব। দ্বিতীয়তে, অনুষ্ঠানৰ সমিতিৰ দ্বাৰা প্ৰত্যায়িত একোখন স্মাৰক পত্ৰ থকা বাঞ্ছনীয়। এই কথাই প্ৰমাণ কৰিব যে মাটিডোখৰ সৰ্বজনৰ দ্বাৰা সমৰ্থিত আৰু গ্ৰহণযোগ্য।

তিনি নম্বৰ কথা সমিতিৰ একোখন বাস্তৱসন্মত সংবিধান বা নিয়মাৱলী থাকিব লাগিব। সমিতিখনত সভাপতি-সম্পাদকৰ সহিতে অতি কমেও সাতজন সদস্য-সদস্যা থকাটো বাধ্যতামূলক। মাটি পট্টাৰ বাবে "সেৱা সেতু" পৰ্টেলৰ পৰা প্ৰয়োজনীয় তথ্য-পাতিসহ অনলাইন আবেদন কৰিব লাগিব। এখন ৰেজিষ্ট্ৰেচন পাবৰ বাবে সমিতিৰ পেডৰ কাগজত পৰিপাটিকৈ লিখিব লাগিব আৰু এই সন্দৰ্ভত শেহতীয়াকৈ প্ৰস্তুত কৰি উলিওৱা আবেদন পত্ৰখন (Form) সুশৃংখলভাৱে পূৰণ কৰিব লাগিব।

ইয়াৰ পাছতে ২,৫০০ টকা পঞ্জীয়ন মাচুল ট্ৰেজাৰী চালান যোগে নাইবা স্থানীয় সেৱা কেন্দ্ৰৰ জৰিয়তে জিলা আয়ুক্ত কাৰ্যালয়ে প্ৰেৰণ কৰিব লাগিব। উল্লেখিত আটাইকেইটা তথ্য সংলগ্ন কৰি ৰাজহ চক্ৰ বিষয়া অথবা একোজন ৰাজপত্ৰিত বিষয়াৰ হতুৱাই স্বাক্ষৰ কৰি তাৰ নকল কপিটো লগত গাঁঠি দিয়াটোও একান্তই বাধ্যতামূলক। এইকেইটা কাম সম্পন্ন কৰি অনলাইন যোগে দাখিল কৰাৰ পাছত সপ্তাহ-দহদিনৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া কাৰ্যকৰী হ'ব আৰু আবেদনকাৰী অনুষ্ঠান বা প্ৰতিষ্ঠানাদিয়ে দখলীকৃত মাটিৰ স্থায়ী পট্টা বা প্ৰমাণ পত্ৰ একোখন পাবলৈ সক্ষম হ'ব। এয়া ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান, ধৰ্মানুষ্ঠান তথা সাংস্কৃতিক কলা-বীক্ষণ কেন্দ্ৰ আদিৰ নামত পাব পৰা মাটিৰ স্থায়িত্ব প্ৰমাণৰ নমুনা।

স্মতব্য যে, এনে একোখন জনহিতকৰ আৰু সৰ্বজনগ্ৰাহ্য পট্টা পত্ৰ লাভ কৰিব পৰা প্ৰক্ৰিয়া ইয়াৰ আগতে হৈছিল বুলি আমাৰ মনত পৰা নাই। সম্প্ৰতি ৰাজ্যত শাসনাধিষ্ঠ চৰকাৰখনে এনে ধৰণৰ শোভন আৰু শলাগনীয় আঁচনি প্ৰৱৰ্তন আৰু ৰূপায়ণ ব্যৱস্থা কাৰ্যকৰী কৰাৰ কথা পূৰ্বতে শুনা নাছিলোঁ। এই মিছন বসুন্ধৰা ২.০ আৰু ৩.০ ৰ জৰিয়তে জনসাধাৰণৰ এক দীৰ্ঘদিনীয়া মাটি পট্টা লাভৰ সমস্যা কাৰ্য্যকৰণৰ গতিধাৰা ৰূপায়িত হৈ আছে আৰু হ'বলৈ গৈ আছে। এইক্ষেত্ৰত আমি চৰকাৰৰ পক্ষপাতিত্ব কৰা নাই বা কৰাৰ চেষ্টাও কৰা নাই। কিন্তু স্বৰূপতে যিটো সত্য, শুদ্ধ আৰু জনসাধাৰণৰ বাবে শুভজনক, মঙ্গলজনক কথা বা দিশ, তাক উপস্থাপন কৰা এয়া আমাৰ এক ক্ষুদ্ৰ প্ৰয়াসহে মাথোঁ। সঁচাটো সদায় সঁচাই। অৱশ্যে, এই আঁচনিৰ দুই-এক নেতিবাচক দিশো নথকা নহয়, যি কথা শেহতীয়াভাৱে দুই-এক সংবাদ মাধ্যমত প্ৰচাৰ হোৱা ৰাইজে দেখিবলৈ পাইছে। তথাপিও চৰকাৰে ইয়াৰ খুঁটি-নাতিবোৰ চিনাক্ত কৰি আঁচনিখন সুদূৰপ্ৰসাৰী ৰূপ দিয়াৰ চেষ্টা কৰিব পাৰিলে জনসাধাৰণ অধিক উপকৃত হ'ব।

## তিনিচুকীয়াত বৃহৎ পৰিমাণৰ

বোধ কৰে। বুধবাৰে পুৱতি নিশা অসম ৰাইফলছে ৰাষ্ট্ৰীয় উদযাপনৰ সময়ত বোমা নিৰ্মাণ আৰু সম্ভাব্য আক্ৰমণৰ বাবে আলফা (স্বাধীন) আৰু এন এছ চি এন (কে ৱাই এ) উগ্ৰপন্থীয়ে মজুত কৰি ৰখা বুলি ধাৰণা কৰা সামগ্ৰীখিনি জব্দ কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ টিপঙৰ পৰা মাত্ৰ ৭ কিলোমিটাৰ দূৰত্বত অৱস্থিত এই উদ্ধাৰ কৰা স্থানত যথেষ্ট পৰিমাণে অস্ত্ৰ-শস্ত্ৰ পোৱা হয়। মুঠতে ১৮টা ৰেডিঅ' চেট, ৪টা ৰেডিঅ' চাৰ্জাৰ, ৬ডাল ইলেক্ট্ৰিক তাঁৰ, ১টা হস্তনিৰ্মিত পিষ্টল, ৫৯টা ডিটনেটৰ, ৬টা প্ৰাইমাৰ, ২টা বোমা ফিউজ, আৰু ৬০ ৰাউণ্ড সজীৱ গুলী জব্দ কৰা হয়। এগৰাকী জ্যেষ্ঠ নিৰাপত্তাৰক্ষী বিষয়াই কয় যে এই জব্দ "এটা সময়োপযোগী পদক্ষেপ আছিল যিয়ে অঞ্চলটোৰ পৰা বিপজ্জনক ভাবুকি ৰোধ কৰে।" অভিযানৰ সৈতে জড়িত আন এগৰাকী বিষয়াই লগতে কয়, "উদ্ধাৰ কৰা সামগ্ৰীসমূহে স্বাধীনতা দিৱসৰ সময়ত ব্যাঘাত জন্মোৱাৰ স্পষ্ট উদ্দেশ্যকে নিৰ্দেশ কৰে।" জব্দ কৰা সামগ্ৰীসমূহ অসম আৰক্ষীক অধিক তদন্তৰ বাবে গতাই দিয়াৰ বিপৰীতে সীমান্তৱৰ্তী অঞ্চলসমূহত অতিৰিক্ত তালাচী অভিযান আৰম্ভ কৰি আৰু কোনো ধৰণৰ আশংক নথকাটো নিশ্চিত কৰা হৈছে।

## স্বাধীনতা দিৱসৰ পূৰ্বৱৰ্তী

সম্ভাৱনা আৰু দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতি মুৰ্মুৱে অপাৰেচন সিন্দুৰক "সন্ত্ৰাসবাদৰ বিৰুদ্ধে মানৱতাৰ যুঁজ" বুলি অভিহিত কৰি কয়, "এই অভিযানে আমাৰ প্ৰতিৰক্ষা ক্ষমতাৰ স্বাৱলম্বিতাৰ পৰীক্ষা দিছে। আমাৰ দেশীয় উৎপাদন ক্ষমতাই আমাক নিৰাপত্তাৰ ক্ষেত্ৰত স্বয়ংসম্পূৰ্ণ কৰিছে।" ২০৪৭ চনলৈ উন্নত ভাৰত গঢ়াৰ লক্ষ্যৰ কথা কৈ তেওঁ কয় যে যুৱক-যুৱতী, মহিলা আৰু প্ৰান্তীয় শ্ৰেণীৰ অৰ্থনৈতিক সক্ষমতাক গুৰুত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ইতিমধ্যে গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিছে বুলি তেওঁ উল্লেখ কৰে। দৰিদ্ৰতা নিৰ্মূলৰ বিষয়ে কৈ ৰাষ্ট্ৰপতিয়ে কয়, "সুশাসনৰ ফলত বৃহৎ সংখ্যক লোক দৰিদ্ৰ সীমাৰেখাৰ পৰা ওলাই আহিছে। চৰকাৰে দৰিদ্ৰতাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ বিভিন্ন কল্যাণমুখী যোজনা হাতত লৈছে।" স্বাধীনতা দিৱসৰ পূৰ্বে অপাৰেচন সিন্দুৰৰ সময়ত শত্ৰুৰ ড্ৰোণ আক্ৰমণ প্ৰতিৰোধ কৰা ১৬ গৰাকী বি.এছ.এফ. জোৱানক বিশেষ সন্মান প্ৰদানৰ কথা ঘোষণা কৰা হৈছে। লগতে কেন্দ্ৰীয় আৰু ৰাজ্যিক বাহিনীৰ ১, ০৯০ গৰাকী কৰ্মীৰ বাবে পদকৰ ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে ভাষণত ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ভাষিক বৈচিত্ৰ্যৰ প্ৰশংসা কৰি কয়, "সংবিধানেই আমাৰ একতাৰ ভেটি। এই ভেটিত ভৰ কৰিয়েই ভাৰতে বিশ্বৰ মঞ্চত নিজৰ স্থান সুদৃঢ় কৰিব।" এই স্বাধীনতা দিৱসৰ পূৰ্বৱৰ্তী ভাষণে এখন স্বাৱলম্বী, সমৃদ্ধিশালী ভাৰতৰ দিশত আগবঢ়াৰ সংকল্পৰ ইংগিত দিছে।

## বাক্সাত ২০৬৭টা

লাভ কৰা নাছিল মাটিৰ অধিকাৰ। কিন্তু এইবাৰ দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত অঞ্চলটোৰ ৰাইজে লাভ কৰিলে মাটিৰ পট্টা। বাক্সা জিলাৰ বাস্কা ৰাজহ চক্ৰৰ অন্তৰ্গত এ, বি আৰু চি ব্লকৰ ২০৬৭টা পৰিয়ালক এবিঘাকৈ মাটিৰ পট্টা প্ৰদান কৰে বিটিআৰ চৰকাৰে। বিটিচি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ৰাজহ বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, মীন বিভাগৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মৰ উপস্থিতিত আনুষ্ঠানিক ভাৱে মাটিৰ পট্টা প্ৰদান কৰে। উল্লেখ্য যে, আজিৰ দিনটো বাক্সা জিলাৰ এ, বি, চি ব্ল'কৰ ৰাইজৰ বাবে স্মৰণীয় দিন হিচাপে বিবেচিত হৈছে।

## গৰু চুৰি-ভোট চুৰিৰ

নেতৃত্বাধীন বিজেপি দল জনজাতিবিৰোধী। আজি এই অভিযোগ উত্থাপন কৰিছে অসম প্ৰদেশ কংগ্ৰেছৰ একাংশ জনজাতীয় নেতাই। দুধনৈ সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী, বোকাজান সমষ্টিৰ প্ৰাক্তন বিধায়ক জগৎ সিং ইংতি আৰু কংগ্ৰেছ নেতা শৈলেন সোণোৱালে আজি এখন সংবাদমেলযোগে বিজেপি দল আৰু চৰকাৰৰ জনজাতিবিৰোধী নীতিৰ স্বৰূপ তথ্যপাতিসহ উদঙাই দিয়ে। বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে কয় যে এইখন চৰকাৰে বড়ো চুক্তিক নস্যাৎ কৰি বড়ো জনগোষ্ঠীৰ লগতে অন্যান্য জনজাতীয় লোকৰ ট্ৰাইবেল বেল্টৰ মাটি অজনজাতীয় লোকক প্ৰদান কৰিব বিচাৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শেহতীয়াকৈ বিটিচি নিৰ্বাচনত প্ৰচাৰ চলাবলৈ গৈ ৰাজহুৱাভাৱে বিটিচি এলেকাত অজনজাতীয় লোকৰ ভূমি ক্ৰয়ৰ অধিকাৰ থাকিব বুলি উল্লেখ কৰা বিষয়টো গৰিহণাৰ যোগ্য বুলি উল্লেখ কৰি স্বৰ্গীয়াৰীয়ে কয় যে বড়ো জনজাতিৰ লোকসকলে দীঘলীয়া সংগ্ৰাম আৰু ত্যাগৰ পিছত ২০০৩ চনত বিটিচি চুক্তিৰ জৰিয়তে ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী (ভৈয়াম)ৰ সাংবিধানিক সুৰক্ষা লাভ কৰে। কংগ্ৰেছ দলৰ তৎপৰতাত হোৱা বিটিচি চুক্তিৰ পিছত উদাৰ মনোভাৱ দেখুৱাই বড়ো জনগোষ্ঠীৰ নেতা হাগ্ৰামা মহিলাৰীকী বিটিচি চৰকাৰ গঠন কৰিবলৈ সুযোগ কৰি দিয়ে। বিটিচি চুক্তিৰ পূৰ্বে চলি থকা অশান্তি আৰু হিংসাজৰ্জৰ পৰিৱেশ কংগ্ৰেছৰ নেতৃত্বত নিয়ন্ত্ৰিত হৈছিল। এতিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ষড়যন্ত্ৰ আৰু মন্ত্ৰণাত বিজেপি দলে জনজাতীয় লোকসকলৰ মৰ্যাদা আৰু অধিকাৰ খৰ্ব কৰিব বিচাৰিছে। কংগ্ৰেছ দল সদায় জনজাতীয় লোকসকলৰ স্বাৰ্থ সুৰক্ষাৰ বাবে বদ্ধপৰিকৰ বুলি স্বৰ্গীয়াৰীয়ে উল্লেখ কৰে। একেদৰে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ (পাৰ্বত্য) ষষ্ঠ অনুসূচীৰ অধিকাৰ আৰু মৰ্যাদা বিজেপি দল আৰু চৰকাৰে মষিমূৰ কৰিব বিচাৰিছে বুলি আজি গুৰুতৰ অভিযোগ উত্থাপন কৰে প্ৰাক্তন বিধায়ক জগৎ সিং ইংতিয়ে। কাৰ্বি জনগোষ্ঠীৰ নেতা জগৎ সিং ইংতি আৰু বিদ্যাছিং ৰংপিয়ে সংবাদমেলত কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি জনগোষ্ঠীৰ সাংবিধানিক অধিকাৰৰ আবেষ্টনীত থকা হাজাৰ হাজাৰ বিঘা মাটি আদানি আৰু আম্বানিক হস্তান্তৰ কৰাৰ চক্ৰান্ত কৰিছে। কোনো অঞ্চলত যদি ১৮ হাজাৰ বিঘা, আন কোনো অঞ্চলত আকৌ ৩৬ হাজাৰ বিঘা মাটি পুঁজিপতি গোষ্ঠীক গতাই দিবলৈ হিমন্ত বিশ্ব চৰকাৰে অভিসন্ধি ৰচিছে। ইয়াৰ দ্বাৰা কাৰ্বি জনগোষ্ঠীৰ সাংবিধানিক অধিকাৰ খৰ্ব কৰা হৈছে। হিমন্ত বিশ্ব শৰ্মাক এজন জনজাতিবিৰোধী মুখ্যমন্ত্ৰী বুলি অভিহিত কৰি কাৰ্বি জনগোষ্ঠীৰ দুয়োজন নেতাই কয় যে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে পাবলগীয়া সাংবিধানিক অধিকাৰ এইখন চৰকাৰে নোহোৱা কৰিছে আৰু স্বায়ত্ত পৰিষদে আনকি প্ৰাথমিক শিক্ষকৰ পদ এটাতো নিজাকৈ নিযুক্তি দিব নোৱৰা হৈছে। সকলো নিযুক্তি প্ৰক্ৰিয়া অনলাইন প্ৰক্ৰিয়াৰ নামত দিছপুৰে নিজৰ হাতলৈ নিয়াৰ লগতে এতিয়া ভূমিৰ অধিকাৰো হস্তগত কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে শেহতীয়াকৈ কাৰ্বি আংলঙৰ ৰাইজে সকলো সুবিধা লাভ কৰিছে বুলি উল্লেখ কৰা মন্তব্যৰ প্ৰতিবাদ কৰি ইংতি আৰু ৰংপিয়ে কয় যে কাৰ্বি জনগোষ্ঠীৰ লোকে সাংবিধানিকভাৱে স্বায়ত্তশাসিত ৰাজ্য আৰু আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত সংগ্ৰাম অব্যাহত ৰাখিছে। বিজেপি দল আৰু চৰকাৰে কাৰ্বি ৰাইজক ইয়াৰ পৰা বিচলিত কৰিব নোৱাৰে বুলিও নেতাদ্বয়ে স্পষ্ট কৰি দিয়ে। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক শৈলেন সোণোৱালে নিজৰ বক্তব্যত কয় যে কংগ্ৰেছ চৰকাৰৰ দিনতহে বিভিন্ন স্বায়ত্তশাসিত পৰিষদ আৰু উপগ্ৰহীয় স্বায়ত্তশাসনৰ জৰিয়তে অসমৰ জনজাতীয় লোকসকলে সা-সুবিধা লাভ কৰিছিল। তেওঁ মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু সোণোৱাল স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিয় সাহস কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। সোণোৱাল স্বায়ত্তশাসিত পৰিষদত সংঘটিত ভয়ংকৰ বিত্তীয় কেলেংকাৰীৰো তদন্তৰ দাবী উত্থাপন কৰি সোণোৱালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক জনজাতিবিৰোধী নেতা বুলি অভিযোগ কৰে। সংবাদমেলত উপস্থিত থাকি অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক গৰুৰচোৰৰ প্ৰসংগ তল পেলাই উচ্ছেদৰ নামত মানুহৰ মনোযোগ আঁতৰোৱাৰ অপচেষ্টা চলাইছে বুলি অভিযোগ কৰে। বৰঠাকুৰে কয় যে এইখন চৰকাৰে হাজাৰ হাজাৰ বিঘা মাটি আদানি-আম্বানিক গতাই দি জনজাতীয় লোকসকলক উচ্ছেদ কৰিছে আৰু অসমৰ থলুৱা ৰাইজক ভাতে মৰাৰ ষড়যন্ত্ৰ কৰিছে। ছয়গাঁও, মিৰ্জাত এৰ'চিটিৰ নামত আদানিক হাজাৰ হাজাৰ বিঘা মাটি প্ৰদান কৰিলে অসমীয়া নিবনুৱা যুৱক-যুৱতীয়ে কেৱল ছিকিউৰিটি গাৰ্ড আৰু গাড়ীচালকৰ চাকৰিহে পাব বুলি বৰঠাকুৰে মাটিৰ অধিকাৰ থলুৱাৰ পৰা কাঢ়ি নিয়াৰ ষড়যন্ত্ৰত হিমন্ত বিশ্ব শৰ্মা লিপ্ত হোৱা বুলি অভিযোগ কৰে। বিজেপি দল আৰু চৰকাৰে গৰু চুৰি, ভোট চুৰিৰ পিছত এইবাৰ জনজাতীয় লোকৰ মাটি চুৰিত নামিছে বুলি বৰঠাকুৰে অভিযোগ কৰে। সংবাদমেলখন পৰিচালনা কৰে মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই।

## বিত্তীয় বৰ্ষ ২৬ৰ প্ৰথমটো

প্ৰথমটো ত্ৰৈমাসিকৰ বিত্তীয় ফলাফল ঘোষণা কৰিছে। উল্লেখ্য যে, কোম্পানীটোৱে বিত্তীয় বৰ্ষ ২৬ৰ প্ৰথমটো ত্ৰৈমাসিকত একত্ৰীকৃত কৰ পশ্চাদ লাভ ২০৪৬.৫১ কোটি টকা লাভ কৰিছে, যিটো বিগত বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত আছিল ২০১৬.৩০ কোটি টকা। খাৰুৱা তেলৰ মূল্য প্ৰাপ্তি ২৫ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ আমেৰিকান ডলাৰ ৮৪.৮৯/বেৰেলৰ পৰা ২৬ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত আমেৰিকান ডলাৰ ৬৬.২০/বেৰেললৈ অৰ্থাৎ ২২%হ্ৰাস পোৱাৰ ফলত, ২৬ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত অইলে এককভাৱে ৮১৩.৪৮ কোটি টকাৰ কৰ পশ্চাদ লাভ কৰিছে, যিটো যোৱা বৰ্ষৰ একেই সময়ছোৱাত আছিল ১৪৬৬.৮৪ কোটি টকা। ২৬ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকৰ একত্ৰীকৃত শ্বেয়াৰে প্ৰতি উপাৰ্জন (EPS) হৈছে ১১.৬৬ টকা/শ্বেয়াৰ, যিটো বিগত বৰ্ষণ প্ৰথম ত্ৰৈমাসিকত আছিল ১১.৫৯ টকা শ্বেয়াৰ। আনহাতে, উৎপাদন ক্ষেত্ৰত বৃদ্ধিৰ যাত্ৰা অব্যাহত ৰাখি, অইলে পুৰণি আৰু পৰিপক্ক তৈলক্ষেত্ৰসমূহৰ পৰা বিত্তীয় বৰ্ষ ২৬ব প্ৰথম ত্ৰৈমাসিকত ১.৬৮০ নিযুত মেট্ৰিক টন তেলৰ সমতুল্য (O-OEG) তেল আৰু গেছৰ উৎপাদন বৰ্তাই ৰাখি দেশৰ শক্তি সুৰক্ষা সুনিশ্চিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে, বিগত বৰ্ষৰ একেই সময়ছোৱাত এই পৰিমাণ আছিল ১.৬৮৯ নিযুত মেট্ৰিক টন তেলৰ সমতুল্য। এই ত্ৰৈমাসিকত, অইলে নামৰূপ-বৰহাট অ' এ এল লি ব্লকত এটা হাইড্ৰ' কাৰ্বন ভাণ্ডাৰ আৱিষ্কাৰ কৰিছে আৰু ৰাজস্থানৰ জয়ছালমেৰ জিলাত অৱস্থিত বাস্মৃতিবৃা আৱিষ্কৃত সৰু ক্ষেত্ৰ (DSF) ব্লকৰ পৰা গেছৰ উৎপাদন আৰম্ভ কৰিছে। অইলৰ গুৰুত্বপূৰ্ণ সহযোগী এন আৰ এলে বিত্তীয় বৰ্ষ ২৬ৰ প্ৰথম ত্ৰৈমাসিকত ৭৯৯ হাজাৰ মেট্ৰিক টন খাৰুৱা তেলৰ প্ৰকৰণ (গ্ৰুপুট) বৰ্তাই ৰাখিছে, যিটো বিগত বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত আছিল ৭৬৪ হাজাৰ মেট্ৰিক টন।

## দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী

বিবেচনাৰ বাবে বৃহস্পতিবাৰে ৰায় সংৰক্ষণ কৰিলে। ন্যায়াধীশ বিক্ৰম নাথ, সন্দীপ মেহতা আৰু এন ভি অঞ্জনাৰিয়াৰ সমন্বয়ত গঠিত তিনিজনীয়া বিচাৰপীঠে চৰকাৰক ৮ সপ্তাহৰ ভিতৰত বিষয়টোৰ ওপৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিলে। বিগত জুন মাহত উচ্চতম ন্যায়ালয়ে দিল্লী-এনচিআৰৰ পৰা ৬-৮ সপ্তাহৰ ভিতৰত সকলো ৰাস্তাৰ কুকুৰ আশ্ৰয়গৃহলৈ স্থানান্তৰ কৰিবলৈ নিৰ্দেশ দিয়াৰ পিছত বিভিন্ন মহলৰ পৰা তীব্ৰ প্ৰতিক্ৰিয়া উঠিছিল। পশু অধিকাৰ কৰ্মী, চলচ্চিত্ৰ জগতৰ ব্যক্তিত্ব আৰু সমাজকৰ্মীসকলে এই নিৰ্দেশৰ বিৰোধিতা কৰি যুক্তি দৰ্শাইছিল যে এনে স্থানান্তৰ সমস্যাৰ স্থায়ী সমাধান নহয়। বিচাৰপীঠে 'পদপথৰ কুকুৰৰ বাবে অশান্ত চহৰ, মূল্য ভৰিব লাগিব শিশোৱে' শীৰ্ষক গোচৰটোৰ শুনানি চলোৱাৰ সময়ত কুকুৰে কামুৰি অনা ঘটনাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিলেও, পশু কল্যাণ সংগঠনসমূহে যুক্তি আগবঢ়াই যে কুকুৰৰ জনসংখ্যা নিয়ন্ত্ৰণ আৰু ৰোগ প্ৰতিৰোধৰ বাবে টিকাকৰণ আৰু জন্ম নিয়ন্ত্ৰণ কাৰ্যসূচী (এবিচি) অধিক ফলপ্ৰসূ হ'ব। উল্লেখযোগ্য যে এই বিষয়টোত অভিনেত্ৰী ত্ৰিশা কৃষ্ণনকে ধৰি বহু গণ্যমান্য ব্যক্তিয়ে প্ৰতিবাদ জনাইছিল। তেওঁলোকে যুক্তি দৰ্শাইছিল যে দিল্লী, নয়ডা, গুৰুগ্ৰাম আদি চহৰত হঠাতে হাজাৰ হাজাৰ কুকুৰ স্থানান্তৰ কৰাটো বাস্তৱসন্মত নহয় আৰু ইয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ আছে। বিচাৰপীঠে চৰকাৰক এতিয়ালৈকে কিমান কুকুৰ স্থানান্তৰ কৰা হৈছে তাৰ ৰেকৰ্ড দাখিল কৰিবলৈ নিৰ্দেশ দিছে। এই সিদ্ধান্তে ভাৰতৰ নগৰীয়া অঞ্চলত মানৱ আৰু পশুৰ সহাৱস্থানৰ এক জটিল সমস্যাৰ সমাধানৰ বাট মুকলি কৰিছে। চৰকাৰে দাখিল কৰা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি আদালতে লোৱা চূড়ান্ত সিদ্ধান্তে ভৱিষ্যতৰ পথনিৰ্দেশনা হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে।

## জম্মু-কাশ্মীৰত ভয়ংকৰ

অঞ্চলত। এই ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙে উক্ত স্থানৰ আয়ুক্তৰ সৈতে আলোচনাত মিলিত হৈছে। আয়ুক্তৰ মতে উদ্ধাৰৰ কাম আৰম্ভ কৰা হৈছে। স্থানীয় সূত্ৰৰ তথ্য অনুসৰি ক্ষতিগ্ৰস্ত অঞ্চলত ২০০ৰ পৰা ৩০০ লোক আৱদ্ধ হৈ থকাৰ আশংকা কৰা হৈছে। এই ঘটনাৰ পিছত মচাইল মাতা মন্দিৰৰ ভক্তসকলক এই সময়ত পদ যাত্ৰা কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিয়া হৈছে।

## পাকিস্তানৰ স্বাধীনতা দিৱস

এগৰাকী ৮ বছৰীয়া কিশোৰীকে ধৰি তিনিজন লোকৰ মৃত্যু হৈছে। এই গুলীচালনাত ৬০ জনতকৈ অধিক লোক আহত হোৱা বুলি কোৱা হৈছে। পাকিস্তানৰ সংবাদমাধ্যমৰ মতে, উদ্ধাৰকাৰী বিষয়াই দিছে এই তথ্য। তথ্য অনুসৰি সমগ্ৰ কৰাচী মহানগৰীতে এনেধৰণৰ ঘটনা সংঘটিত হৈছে। আজিজাবাদতো একেধৰণৰ আকাশী গুলীচালনাত আহত হয় এগৰাকী যুৱতী। ইয়াৰ উপৰিও উদযাপনৰ সময়ত গুলীচালনাত কোৰাংগিত ষ্টিফেন নামৰ এজন লোকৰ মৃত্যু হয়। পাকিস্তানী নিউজ চেনেলৰ তথ্য অনুসৰি সমগ্ৰ মহানগৰীত গুলীচালনাৰ ঘটনাত আন কমেও ৬৪জন লোক আহত হৈছে। উদ্ধাৰকাৰী বিষয়াসকলে জনোৱা মতে, উদযাপনমূলক গুলীচালনাত কেইবা ডজন লোক আহত হৈছে। এই ঘটনাক গৰিহণা দি অসাৱধান আৰু বিপজ্জনক আখ্যা দিয়া হয়। নাগৰিকসকলক নিৰাপদভাৱে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ আহ্বান জনাইছে বিষয়াসকলে। এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰি আকাশী গুলীচালনাৰ লগত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰিছে আৰক্ষীয়ে। কোনো কাৰণতে তেওঁলোকক ৰেহাই দিয়া নহ'ব বুলি উল্লেখ। পাকিস্তানৰ এক বাতৰি অনুসৰি, জানুৱাৰী মাহত কৰাচীত সংঘটিত গুলীচালনাৰ ঘটনাত ৫ গৰাকী মহিলাসহ কমেও ৪২জন লোকে প্ৰাণ হেৰুৱাইছিল। ইয়াৰ উপৰিও ২৩৩জন লোক আহত হৈছে। কৰাচীৰ বিভিন্ন অঞ্চলত সংঘটিত গুলীচালনাৰ ঘটনাত ডকাইতৰ চেষ্টা বিফল কৰাৰ সময়ত প্ৰাণ হেৰুৱাইছিল একাংশ লোকে। ইয়াৰ ফলত পাঁচজন লোকৰ মৃত্যু হয়। ইয়াৰ বাহিৰেও আন কিছুমান ঘটনা যেনে বতাহত উদযাপনমূলক গুলীচালনাত বহু লোকে প্ৰাণ হেৰুৱাইছিল। আৰক্ষী বিষয়াসকলে কয় যে এই ঘটনাসমূহৰ বাবে বহু কাৰক দায়ী। যাৰ ভিতৰত আছে মতানৈক্য, ব্যক্তিগত শত্ৰুতা আৰু ডকাইতিৰ চেষ্টা বিফল কৰা। জানুৱাৰী মাহৰ আৰম্ভণিতে কৰাচীত পথ দুৰ্ঘটনা, ডকাইতিৰ প্ৰতিবাদ আৰু আকাশী গুলীচালনাৰ ফলত মৃত্যুৰ হাৰ ক্ৰমাগতভাৱে বৃদ্ধি পোৱা দেখা গৈছে। তথ্য অনুসৰি পথ দুৰ্ঘটনাত শিশু আৰু বৃদ্ধকে ধৰি ৫২৮জন লোক আহত হোৱাৰ লগতে ৩৬জন লোকৰ মৃত্যু হয়। ইয়াৰ উপৰিও ডকাইতিৰ প্ৰতিবাদত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৫জন আহত হয়।

## কংগ্ৰেছ-এজেপিৰ মিলন

পৰিষদ (AJP)ৰ মাজৰ সম্প্ৰতি হোৱা ৰাজনৈতিক মিলনক "অসমীয়াৰ স্বাভিমানত আঘাত" বুলি কঠোৰ ভাষাত সমালোচনা কৰিছে। তেওঁ বিশেষকৈ AJP সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাক লক্ষ্য কৰি কয়, "যি কংগ্ৰেছে অসম আন্দোলনৰ সময়ত ৮৫৫জন অসমীয়াক হত্যা, হাজাৰগৰাকী মহিলাক ধৰ্ষণ আৰু হাজাৰ হাজাৰ লোকক পংগু কৰিছিল, সেই দলৰ ওচৰত আজি AJP নেতৃত্বে আঁঠু লোৱাটো অসমৰ ইতিহাসৰ প্ৰতি অবিচাৰ।" তপন গগৈয়ে ইতিহাসৰ পৃষ্ঠা লুটিয়াই কয় যে কংগ্ৰেছে "স্বাধীনতাৰ পৰৱৰ্তী সময়ত অসমত বাংলাদেশী অনুপ্ৰৱেশক সহায় কৰি খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব সংকট সৃষ্টি কৰিছিল।" তেওঁৰ মতে, "বিজেপিৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি খিলঞ্জীয়া সুৰক্ষা, এনআৰচি আৰু CAAৰ জৰিয়তে অসমীয়াৰ অধিকাৰ ৰক্ষা কৰিছে, কিন্তু AJP নেতৃত্বে সেই দলৰ সৈতে হাত মিলোৱাটো জাতীয়তাবাদী ছাত্ৰ সংগঠনৰ পূৰ্বৰ নেতাৰ বাবে লজ্জাৰ বিষয়।" সংবাদমেলত তেওঁ AJP নেতাসকলৰ সদৌ অসম ছাত্ৰ সন্থা (AASU)ৰ সৈতে জড়িত অতীতৰ কথা উল্লেখ কৰি কয়, "আমিও AASUৰ সৈতে যুক্ত আছিলোঁ, কিন্তু আজি যেতিয়া AJP নেতৃত্বে কংগ্ৰেছৰ সৈতে ৰাজনৈতিক আলোচনাত বহে, সেয়া অসমৰ যুৱশক্তিক বিভ্ৰান্ত কৰাৰ সমতুল্য।" তেওঁ AASUৰ ১৯৮০-৯০ৰ দশকৰ সংগ্ৰামক স্মৰণ কৰাই দিয়ে যে, "যি সংগঠনে বিদেশী বিৰোধী আন্দোলনৰ নেতৃত্ব দিছিল, সেই সংগঠনৰ পূৰ্বৰ নেতাৰ এনে পদক্ষেপে নতুন প্ৰজন্মক ভুল সংকেত প্ৰেৰণ কৰিছে।" ইফালে, বিজেপি নেতাই এই বিতৰ্কক ৰাজনৈতিকভাৱে ব্যৱহাৰ কৰি কয় যে "২০২৬ৰ বিধানসভা নিৰ্বাচনত অসমীয়াই কংগ্ৰেছ আৰু AJPৰ এই মিত্ৰতাক প্ৰত্যাখ্যান কৰিব।" তেওঁৰ দাবী, "কংগ্ৰেছে অসমক কেৱল ভোট ব্যাংক হিচাপেই চাইছে, কিন্তু বিজেপিয়ে অসমীয়া সংস্কৃতি, ভাষা আৰু জনগোষ্ঠীৰ উন্নয়নৰ বাবে কাম কৰিছে।" AJPৰ পক্ষৰ পৰা এতিয়ালৈকে এই অভিযোগৰ প্ৰত্যক্ষ প্ৰতিক্ৰিয়া নাই, যদিও গত সপ্তাহত দিল্লীত ৰাহুল গান্ধীৰ সৈতে হোৱা বৈঠকত লুৰীণজ্যোতি গগৈয়ে কৈছিল যে "অসমৰ স্বাৰ্থত সকলো ৰাজনৈতিক দলৰ সৈতে আলোচনা আৱশ্যকীয়।" কংগ্ৰেছৰ অসম প্ৰদেশ সভাপতি গৌৰৱ গগৈয়ে আগতে কৈছিল যে "AJPৰ সৈতে সম্পৰ্ক কেৱল অসমৰ ভৱিষ্যতৰ বাবে এক ঐক্যবদ্ধ প্ৰচেষ্টা।" বিজেপিৰ এই সমালোচনাই ২০২৬ৰ নিৰ্বাচনলৈ ৰাজনৈতিক বতৰা উত্তপ্ত কৰিছে, য'ত AJP-কংগ্ৰেছ জোটে বিজেপিক প্ৰত্যাহ্বান জনাব পাৰে। বিশেষজ্ঞসকলৰ মতে, এই বিতৰ্কে অসমৰ ৰাজনীতিত ঐতিহাসিক দোষাৰোপ আৰু জাতীয়তাবাদী পৰিচয়ৰ নতুন ৰাজনৈতিক সমীকৰণ গঢ়ি তুলিব।

## চৰকাৰে কাকো বন্দুক-

লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সেৱা সেতু প'ৰ্টেলৰ জৰিয়তে এই সেৱাৰ আনুষ্ঠানিক উদ্বোধন কৰে। এই ব্যৱস্থাৰ লক্ষ্য হৈছে নিৰাপত্তাহীনতাত ভোগা অঞ্চলৰ বাসিন্দাসকলক আত্মৰক্ষাৰ সুযোগ প্ৰদান কৰা, বিশেষকৈ য'ত আৰক্ষী সেৱা পোৱালৈকে সময় লাগে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে এই আঁচনিৰ অধীনত গুৱাহাটী, ডিব্ৰুগড়, নগাঁও, শিলচৰৰ দৰে নগৰীয়া অঞ্চলক বাদ দি, মূলতঃ সীমান্তৱৰ্তী আৰু সংবেদনশীল গ্ৰামীণ এলেকাৰ বাসিন্দাহে যোগ্য হ'ব। তেওঁ কয়, "আইন-শৃংখলাৰ পৰিস্থিতি উন্নত হোৱাৰ পিছতো কিছুমান অঞ্চলত আৰক্ষী পোৱালৈকে ২-৩ ঘণ্টা লাগে। এনে ক্ষেত্ৰত নাগৰিকসকলে নিজৰ সুৰক্ষা নিজে গ্ৰহণ কৰিব পাৰিব।" প্ৰক্ৰিয়াটোত কঠোৰ যোগ্যতাৰ পৰীক্ষা অন্তৰ্ভুক্ত হ'ব, য'ত আবেদনকাৰীৰ মানসিক স্থিৰতা, অস্ত্ৰ ব্যৱহাৰৰ প্ৰয়োজনীয়তা আৰু অঞ্চলৰ সংবেদনশীলতাৰ মূল্যায়ন কৰা হ'ব। ইতিহাসৰ পৰিপ্ৰেক্ষিতত তেওঁ কয় যে কংগ্ৰেছৰ শাসনকালতেই সৰ্বাধিক আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছিল, কিন্তু বৰ্তমানৰ চৰকাৰে ইয়াক সীমিত আৰু নিয়ন্ত্ৰিতভাৱে প্ৰয়োগ কৰিব বিচাৰিছে। "চৰকাৰে অস্ত্ৰ নিদিয়ে, কেৱল অনুজ্ঞাপত্ৰ প্ৰদান কৰে। আবেদনকাৰীয়ে নিজে অস্ত্ৰ ক্ৰয় কৰিব লাগিব আৰু আইনৰ সীমাৰ ভিতৰত ইয় ব্যৱহাৰ কৰিব লাগিব, "বুলি তেওঁ স্পষ্ট কৰে। আঁচনিটোৰ বাবে ডিজিটেল প্ে-টফৰ্মৰ সহায় লোৱা হৈছে, য'ত আবেদনকাৰীয়ে অনলাইন ফৰ্ম পূৰণ কৰি প্ৰয়োজনীয় কাগজপত্ৰ জমা দিব পাৰিব। মুখ্যমন্ত্ৰীয়ে ইয়াক "সংবিধানপ্ৰদত্ত অধিকাৰ" বুলি অভিহিত কৰি ৰাজনৈতিক বিতৰ্কৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। বিশেষকৈ জনজাতীয় সম্প্ৰদায়ৰ সুৰক্ষাৰ প্ৰসংগত তেওঁ কয়, "খিলঞ্জীয়া লোকসকলে নিজৰ সংস্কৃতি আৰু জীৱন ৰক্ষাৰ বাবে এই সুবিধা পাব লাগে।" প্ৰতিক্ৰিয়াৰ ফালৰ পৰা, এই সিদ্ধান্তক সমৰ্থন কৰি অসমৰ বহুতে ইয়াক "যুক্তিসংগত" বুলি গণ্য কৰিছে, আনহাতে কিছুমানে ইয়াৰ অপব্যৱহাৰৰ আশংকা প্ৰকাশ কৰিছে। চৰকাৰে নিশ্চিত কৰিছে যে প্ৰত্যেকটো আবেদনৰ প্ৰক্ৰিয়াত আৰক্ষী আৰু মনোবৈজ্ঞানিক মূল্যায়নৰ দৰে স্তৰসমূহ সন্নিৱিষ্ট কৰা হ'ব। এই ব্যৱস্থাই অসমৰ দুৰ্গম অঞ্চলৰ বাসিন্দাসকলৰ বাবে এক নতুন আশাৰ সৃষ্টি কৰিছে, যিয়ে তেওঁলোকৰ নিৰাপত্তাৰ অনুভূতি বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

## কাৰ্বি আংলঙত অবৈধ

উঠিছে। পাৰকুপ পাহাৰ ৰেঞ্জৰ এই অঞ্চলত দিল্লীৰ অনিমেষ কাপুৰ আৰু জাগীৰোডৰ আৰ.এছ.গান্ধীৰ মালিকানাধীন সংস্থাই ২০১৭ চনত ৩ লাখ কিউবিক মিটাৰ পাথৰ আহৰণৰ অনুমতি পাইছিল যদিও বৰ্তমানলৈ ৮০ লাখ কিউবিক মিটাৰতকৈ অধিক পাথৰ উত্তোলন কৰা বুলি স্থানীয় সূত্ৰই জনাইছে। গুৰুত্বপূৰ্ণ যে এই অঞ্চল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণ সীমান্তত অৱস্থিত, য'ত বাৰিষা কালত বণ্যপ্ৰাণীসকলে আশ্ৰয় লয়। ২০২৫ চনৰ ২৩ মে'ত ন্যায়ালয়ে কুৰেৰী বন্ধৰ নিৰ্দেশ দিয়াৰ পিছতো ব্লাষ্টিং কাৰ্য্য অব্যাহত ৰখাৰ বাবে বনৰীয়া জীৱ-জন্তুৰ জীৱন বিপদাপন্ন হৈছে। স্থানীয় বাসিন্দা কণিকা ৰংহাংপীৰ স্বামী চন্দন বৰাই অভিযোগ কৰিছে যে ২০১৭ চনত বছৰি ৩ লাখ টকাৰ চুক্তিত স্বাক্ষৰ কৰা মাটিখিনি ২০২১ চনত অন্য ব্যক্তিৰ নামত পট্টা কৰি পুনৰ চুক্তি কৰা হৈছে। ইডিয়েৰ দ্বাৰা গান্ধীৰ বাসভৱনত কয়লা আৰু পাথৰৰ অবৈধ ব্যৱসায়ৰ সন্দৰ্ভত অভিযান চলোৱাৰ পিছতো পৰিৱেশ বিধ্বংসী এই কাৰ্য্য চলি থকাটোৱে প্ৰশাসনিক ব্যৰ্থতাৰ চিত্ৰ বহন কৰিছে। কাৰ্বি আংলং স্বায়ত্ত্বশাসিত জিলা পৰিষদে নিৰ্দেশনা জাৰি কৰিলেও কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাটোৱে ৰাজনৈতিক আঁৰু-পেঁচাৰ ইংগিত দিয়ে। পৰিৱেশবিদসকলে এই কাৰ্য্যক জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে চৰকাৰী প্ৰতিশ্ৰুতিৰ পৰিপন্থী বুলি অভিহিত কৰিছে। স্থানীয়সকলৰ মতে, "ক্ষমতাশালী ৰাজনৈতিক আৰু প্ৰশাসনিক সংযোগৰ বাবেই এই অবৈধ কাম চলি আছে।" প্ৰশাসন আৰু বন বিভাগক জৰুৰীভাৱে হস্তক্ষেপ কৰি পৰিৱেশ ধ্বংসৰ এই কাৰ্য্য বন্ধ কৰিবলৈ ৰাইজে দাবী জনাইছে।

## বিশিষ্ট লোকশিল্পী, ৰাষ্ট্ৰীয় সাঁতোৰবিদ বিষ্ণু দাসলৈ ডাঃ বীণা পাত্ৰ সংগীত সাধনা বঁটা

# মাজুলীত সাতসৰী আশাপূৰ্ণা সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

## অসম ভিত্তিত বিয়ানাম প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ আগষ্ট ঃ** অসমৰ অগ্ৰণী মহিলা সংগঠন "সাতসৰী আশাপূৰ্ণা সামাজিক সাংস্কৃতিক উন্নয়ন সংস্থা"ৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস এইবাৰ মাজুলীত উদ্‌যাপন কৰা হ'ব। অহা ১৩ আৰু ১৪ ছেপ্টেম্বৰত নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উক্ত প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হ'ব। উক্ত দিৱসতে মাজুলীৰ বিশিষ্ট শিল্পী তথা লোক সংস্কৃতিৰ সাধক, ৰাষ্ট্ৰীয় সাঁতোৰবিদ বিষ্ণু দাসক ডাঃ বীণা পাত্ৰ সংগীত সাধনা বঁটা প্ৰদান কৰা হ'ব। সাতসৰী আশাপূৰ্ণা সমিতিৰ উক্ত, প্ৰতিষ্ঠা দিৱস উপলক্ষে সদৌ অসম ভিত্তিত মহিলাসকলৰ মাজত দলীয় বিয়া নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মাজুলী জিলা সাতসৰী আশাপূৰ্ণা সমিতিৰ সৌজন্যত উক্ত অসম ভিত্তিত "বিয়া নাম" প্ৰতিযোগিতাখন নামনি মাজুলীৰ গোৱালগাঁও তৰুণ নাট্য সমাজৰ প্ৰেক্ষাগৃহত অহা ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব। উক্ত, অসম ভিত্তিত দলীয় বিয়া নাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১০০০০.০০ টকা, দ্বিতীয় পুৰস্কাৰ ৭০০০.০০ টকা আৰু তৃতীয় পুৰস্কাৰ ৫০০০.০০ প্ৰদান কৰা হ'ব। উক্ত প্ৰতিযোগিতাৰ বাবে প্ৰতিটো দলৰ যোগদান মাচুল ৫০০.০০ টকা। প্ৰতিযোগিতাত যোগদানৰ অন্তিম তাৰিখ ৩ ছেপ্টেম্বৰ, ২০২৫ ধাৰ্য কৰা হৈছে। উক্ত, সাতসৰী আশাপূৰ্ণা সমিতিৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৪ ছেপ্টেম্বৰত হ'ব লগীয়া মুকলি সভাত অসমৰ প্ৰথমগৰাকী জনজাতীয় মহিলা চিকিৎসক ডাঃ বীণা পাত্ৰৰ স্মৃতিত "বীণা পাত্ৰ সংগীত সাধনা বঁটা-২০২৫" মাজুলীৰ লোকশিল্পী তথা ৰাষ্ট্ৰীয় সাঁতোৰবিদ বিষ্ণু দাসক প্ৰদান কৰা হ'ব। বিষ্ণু দাস মাজুলীৰ এজন প্ৰসিদ্ধ লোক সংগীতৰ শিল্পী আৰু সাধক। মাজুলীৰ ডেকা শেনচোৱা গাঁৱত ১৯৭৪ চনত জন্ম গ্ৰহণ কৰা বিষ্ণু দাস ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ নিয়মীয়া শিল্পী। ৰামেশ্বৰ পাঠক আৰু ড° প্ৰদীপ ব্ৰহ্মৰ শিষ্য বিষ্ণু দাস ডিব্ৰুগড় আৰু গুৱাহাটী দুৰদৰ্শনৰো শিল্পী। ২০২৩ চনত তেওঁক "নৱ প্ৰভাত" নামৰ সংগঠনে "অসম অনুসূচিত জাতি শিল্পী বঁটা-২০২৩" প্ৰদান কৰিছিল। ১৯৮৭ চনৰ পৰা ১৯৯২ চনলৈ তেওঁ ৰাষ্ট্ৰীয় গ্ৰাম্য সাঁতোৰ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিছিল। ভাৰতৰ বিভিন্ন ৰাজ্যত তেওঁ লোক সংগীত আৰু সত্ৰীয়া অনুষ্ঠান পৰিৱেশন কৰা বিষ্ণু দাসে সাতখনকৈ অডিঅ' কেছেটত কণ্ঠদান কৰি নিজে উলিয়াইছিল। বৰ্তমান মাজুলীৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সংগীত কলা তীৰ্থৰ অধ্যক্ষ বিষ্ণু দাস মাজুলীৰ বহুতো প্ৰজন্মৰ লোক গীত, বিহু নাম, বিহু নাচৰ নমস্য গুৰু। অসমৰ সাতসৰী আশাপূৰ্ণা সমিতিয়ে বিষ্ণু দাসক ডাঃ বীণা পাত্ৰ সংগীত সাধনা বঁটা" প্ৰদানৰ বাবে ঘোষণা কৰাত বিভিন্ন জনে তেওঁক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। ১৪ ছেপ্টেম্বৰৰ সন্ধ্যা সাতসৰী আশাপূৰ্ণা মাজুলী জিলা শাখাৰ মহিলাসকলে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কালজয়ী নাট "শোণিত কুঁৱৰী" মঞ্চস্থ কৰা হ'ব। উক্ত, দুয়োদিনৰ অনুষ্ঠানত অসমৰ সমূহ সাংস্কৃতিপ্ৰেমী ৰাইজৰ সহায় সহযোগিতা অৰু উপস্থিতি সাতসৰী আশাপূৰ্ণা সমিতিৰ মূল উদ্যোক্তা, প্ৰিয় নাৰী ড° মন্দিৰা বৰুৱা আৰু মাজুলী জিলা সমিতিৰ সম্পাদিকা শিখা ভূঞা মূদৈয়ে ৰাইজক অনুৰোধ জনাইছে। উক্ত, সদৌ অসম দলীয় বিয়া নাম প্ৰতিযোগিতাত আগতীয়াকৈ যোগদানৰ বাবে ৮৪৫৩২১৯১৩১, ৯৪০১৫০১৪২৪ আৰু ৯৯৫৭৫৭৯৪১২ ফোন নম্বৰত যোগাযোগ কৰিবলৈ সাতসৰী আশাপূৰ্ণা সমিতিৰ ৰাজ্যিক আৰু জিলা সমিতিয়ে আহ্বান জনাইছে।

# গৰৈমাৰীৰ আলিকাষত ব্ৰহ্মপুত্ৰৰ পাৰত গংগা পূজা পালন

**অসম বাৰ্তা, গৰৈমাৰী, ১৪ আগষ্ট ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি দিনজোৰা কাৰ্যসূচীৰে হিন্দু ধৰ্মাৱলম্বী লোকসকলে ১৭সংখ্যক গংগা পূজা পালন কৰে। উল্লেখ্য যে গৰৈমাৰীৰ আলিকাষ-মাজৰটোপত বিগত বছৰবোৰত ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়া অব্যাহত আছিল। সেইসময়ত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰ তথা জলসম্পদ বিভাগে কোনোধৰণৰ আঁচনি গ্ৰহণ কৰা নাছিল। আলিকাষ, মাজৰটোপৰ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে ২০০৮ চনৰ পৰা নদীৰ পাৰত হিন্দু ধৰ্মাৱলম্বীৰ লোকসকলে গংগা পূজা আৰম্ভ কৰিছিল। অৱশ্যে সেইসময়ত ইছলামধৰ্মাৱলম্বী লোকেসকলেও খহনীয়া প্ৰতিৰোধকল্পে ব্ৰহ্মপুত্ৰৰ পাৰত সমূহীয়া মোনাজাত অনুষ্ঠিত কৰে। জানিব পৰামতে বিগত বছৰবোৰৰ দৰে গৰৈমাৰীৰ অসমীয়া চুৱাত দিনজোৰা কাৰ্যসূচীৰে আজি গংগা পূজা অনুষ্ঠিত কৰে। উদ্যোক্তাসকলে আজি পুৱা গৰৈমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত প্ৰতিমা স্থাপন কৰে। পিচত পূজাৰী সঞ্জয় টপাদাৰে পূজাৰ যাৱতীয় কাৰ্য সম্পন্ন কৰে। ইপিনে দুপৰীয়া আলিকাষৰ ব্ৰহ্মপুত্ৰৰ পানীত নামি ভক্তই দেৱীক আৱাহন কৰে। নদীৰ পাৰত পূজা সম্পন্ন কৰি ব্ৰহ্মপুত্ৰত প্ৰতিমা বিসৰ্জন দিয়াৰ পিচত গংগা পূজাৰ অন্ত পেলায়। ইপিনে অখিল চন্দ্ৰ ৰায়, পতিত পৱন ৰায়, জয়দেৱ দাস, দীপক মেধি, নবীন কলিতা, ৰবীন্দ্ৰ নাথ সাহা, ৰাজীৱ বসাক, গোলক দাস, সঞ্জীৱ গোস্বামী, ভোলা কৰ্মকাৰ, প্ৰসঞ্জিৎ সূত্ৰধৰ, দ্বীপচৰণ কলিতা, গিৰিধৰ শৰ্মা, মিণ্টু কলিতা, বিশ্বজিৎ কলিতা, উৎপল কলিতা, জিবেশ্বৰ কলিতা, উদ্ধৱ মেধি, ভুৱন কলিতা, বিনিত দাস, শম্ভু ঋষি, ৰিণ্টু বসাকে আদি কৰি ২১জন ভক্তই ব্ৰহ্মপুত্ৰৰ পানীত নামি দেৱীক আৱাহন কৰে। কাৰ্যসূচীৰ অন্তত প্ৰসাদ বিতৰণ কৰা হয়।

# বাহনা মহাবিদ্যালয়ত তৰ্ক কলাৰ দুদিনীয়া কৰ্মশালা

**অসম বাৰ্তা, নিমাতীঘাট, ১৪ আগষ্ট ঃ** বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ কাৰ্যসূচী ৰূপে মহাবিদ্যালয়ৰ আই কিও এ চি কোষ আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত ৭-৮ আগষ্টত তৰ্কৰ কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাৰ প্ৰথম দিনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাই আদৰণী ভাষণত মহাবিদ্যালয়ত তৰ্ক কলাৰ দীঘলীয়া পৰম্পৰাৰ বিষয়ে উল্লেখ কৰি ৬ ছেপ্টেম্বৰত মহাবিদ্যালয়ে আয়োজন কৰা ২৭ সংখ্যক জাতীয় শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত সকলোকে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাই। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক জ্যোতিস্মান শইকীয়াই আঁত ধৰা কৰ্মশালাত প্ৰশিক্ষক ৰূপে মহাবিদ্যালয়ৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অজিত কুমাৰ বৰা আৰু প্ৰাক্তন ছাত্ৰ তথা তাৰ্কিক কল্যাণ কুমাৰ কলিতাই অংশ গ্ৰহণ কৰে। কৰ্মশালাত আই কিও এ চিৰ সমন্বয়ক ড° পংকজ বৰাই শ্বহীদ সোঁৱৰণী সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ তৰ্কৰ বিষয়- সদনৰ মতে, "ভাৰতত খিলঞ্জীয়া লোকসকলৰ অধিকাৰ নিশ্চিতকৰণৰ বাবে এটা উদাৰ আগ্নেয়াস্ত্ৰ অনুজ্ঞাপত্ৰ প্ৰদান নীতিয়েই উত্তম পথ" বুলি ব্যক্ত কৰে। দ্বিতীয় দিনা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি চিম্পী হাতিবৰুৱাই আঁত ধৰা কৰ্মশালাত প্ৰশিক্ষক ৰূপে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ তাৰ্কিক শতাব্দী হাজৰিকা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আলোচনী সম্পাদক মৃণ্ময় বৰাই অংশগ্ৰহণ কৰে।

# চেঙাৰ চৰাঞ্চলৰ চিকিৎসা সেৱাৰ বুজ ল'লে জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাই

## আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত শীঘ্ৰেই উপলব্ধ হ'ব 'এণ্টিভেনম' ভেক্সিন

**অসম বাৰ্তা, নগৰবেৰা, ১৪ আগষ্ট ঃ** বৰপেটা জিলাৰ আয়ুক্ত ৰোহণ কুমাৰ ঝাই আজি জিলাখনৰ মন্দিয়া আদৰ্শ চিকিৎসালয়ৰ লগতে চেঙা সমষ্টিৰ চৰাঞ্চলৰ কেইবাখন চৰকাৰী চিকিৎসালয় পৰিদৰ্শন কৰি বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে সমস্যা সমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। জানিব পৰা মতে, আজি পুৱাই জিলা আয়ুক্ত গৰাকীয়ে স্বাস্থ্য বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীক লগত লৈ মন্দিয়া আদৰ্শ চিকিৎসালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ বুজ লয়। পিছত জিলা আয়ুক্ত আৰু স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়া-কৰ্মচাৰী সকলে এখন ইঞ্জিনচালিত নাৱেৰে ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ পোনে পোনে আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত উপস্থিত হয়। স্বাস্থ্যকেন্দ্ৰটোৰ সকলো দিশ তন্ন তন্নকৈ পৰ্যবেক্ষণ কৰি চিকিৎসালয়ৰ পৰিৱেশ চাই সন্তুষ্টি প্ৰকাশ কৰে। চিকিৎসালয়খন পৰিদৰ্শন কৰা কালতে চিকিৎসালয়খনত 'এণ্টিভেনম' ভেক্সিন উপলব্ধ কৰিবলৈ সচেতন লোকে দাবী জনোৱাত বিষয়টোত গুৰুত্বাৰোপ কৰি শীঘ্ৰে চিকিৎসালয়খনত উক্ত ভেক্সিন উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। ইপিনে চিকিৎসালয়খনত জিলা পৰিষদ আৰু গাঁও পঞ্চায়তৰ পুঁজিৰে দুখন শৌচালয় নিৰ্মাণত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত কৰাত দুয়োখন শৌচালয় এদিনো ব্যৱহাৰ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰাত এসপ্তাহৰ ভিতৰত ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে জিলা আয়ুক্ত গৰাকীয়ে। ইয়াৰ পিছত জিলা আয়ুক্ত গৰাকীয়ে ভাতনাপাইতি উপ-স্বাস্থ্য কেন্দ্ৰ আৰু বাঘমাৰাচৰ নৈপৰীয়া স্বাস্থ্যকেন্দ্ৰ দুখন পৰিদৰ্শন কৰি বিভিন্ন ক্ষেত্ৰৰ বুজ লয়। এক নিৰ্ভৰযোগ্য সূত্ৰৰ মতে, কিছুদিন পূৰ্বে বাঘমাৰাচৰ স্বাস্থ্য কেন্দ্ৰৰ পৰা গোৱালপাৰালৈ ৰেফাৰ কৰা এগৰাকী গৰ্ভৱতী মহিলাই মৃত সন্তান জন্ম দিয়াত বিষয়টো জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক অৱগত হোৱাৰ পিছতে জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাই সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে লৈ চৰাঞ্চলৰ কেওখন চিকিৎসালয় পৰিদৰ্শন কৰে। যিসময়ত গৰ্ভৱতী, প্ৰসূতিৰ লগতে নৱজাতকৰ মৃত্যুৰ হাৰ ৰোধ কৰিবলৈ স্বাস্থ্য বিভাগে বহু আঁচনি গ্ৰহণ কৰিছে সেই সময়তে কি কাৰণত গৰ্ভৱতী মহিলা গৰাকীয়ে মৃত সন্তান দিলে সেয়া এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাক সংগ দিয়ে অতিৰিক্ত মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়া ডাঃঅজিত শৰ্মা, মন্দিয়া আদৰ্শ চিকিৎসালয়ৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ গুণজিৎ দাস, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ ডি পি এম মুজাম্মেল হক, ডি চি এম পাৰ্থসাৰথি দাস আৰু বি পি এম মজিবৰ ৰহমানৰ লগতে বিভাগটোৰ কেইবাজন বিষয়া-কৰ্মচাৰীয়ে।

# ডুমডুমাত তিনিটাকৈ পথ উদ্বোধন মন্ত্ৰী ৰূপেশ গোৱালাৰ

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** আজি ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত তিনিটাকৈ নৱনিৰ্মিত পথৰ শুভ উদ্বোধন কৰে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই। মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ ২০২৩-২০২৪ বৰ্ষৰ অধীনত নিৰ্মাণ সম্পূৰ্ণ হোৱা পথ কেইটাৰ প্ৰথমটো হ'ল হাঁহচৰা চাৰিআলিৰ পৰা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ হৈ ৰাইডাং চাহ বাগিচাৰ হস্পিটেললৈ মুঠ ১২০০ মিটাৰ দৈৰ্ঘ্যৰ পথটো, দ্বিতীয়টো পথ হ'ল বাদলাবেটা চাহ বাগিচাৰ ৰাঁচী লাইনৰ ২২০০ মিটাৰ দৈৰ্ঘ্যৰ পথটো আৰু তৃতীয়টো পথ হ'ল ডাঙৰী চাহ বাগিচাৰ পৰা ধুমকুণ্ডা হৈ মুৰ্গীকণালৈ ২২০০ মিটাৰ দৈৰ্ঘ্যৰ পথটো। এই পথকেইটা উদ্বোধন কৰি দিয়া ভাষণত মন্ত্ৰী গোৱালাই এই পথ সমূহৰ নিৰ্মাণৰ জৰিয়তে এই অঞ্চলসমূহৰ যোগাযোগ-পৰিবহণৰ ক্ষেত্ৰত জনসাধাৰণক বিশেষভাৱে উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে। এই পথকেইটাৰ উদ্বোধনী অনুষ্ঠানত বিভাগীয় অভিযন্তাৰ উপৰিও স্থানীয় ৰাইজ আৰু শাসকীয় দলৰ বহু কেইগৰাকী নেতা - কৰ্মী উপস্থিত আছিল।

## হাজোত আছুৰ উত্তাল প্ৰতিবাদ

# জৰাজীৰ্ণ পথ মেৰামতিৰ দাবীত হাজো-গুৱাহাটী পথ অৱৰোধ

**অসম বাৰ্তা, হাজো, ১৪ আগষ্ট ঃ** হাজো-গুৱাহাটী ঘাইপথৰ জৰাজীৰ্ণ অৱস্থাই দুৰ্ভোগ ভোগাইছে হাজো-গুৱাহাটী পথেৰে যাতায়ত কৰা সৰ্বসাধাৰণ ৰাইজক। হাজোৰ গুৱাহাটীলৈ মূল ঘাইপথটোৰ প্ৰায় প্ৰতিটো স্থানতে সৃষ্টি হৈছে পুখুৰী সদৃস গাত। এজাক বৰষুণ দিলে ঘাইপথটোৰ উক্ত স্থান সমূহ পানীৰে উপচি পৰে আৰু যাতায়ত ব্যৱস্থা বিঘ্নিত হৈ পৰে। আনকি ঘাইপথটোৰ জৰাজীৰ্ণ অৱস্থাৰ ফলত সৰু বৰ কেইবাটাও দুৰ্ঘটনাও সংঘটিত হৈছে এই পথচোৱাত। কিন্তু ইয়াৰ পিছতো কাণসাৰ নাই বিয়াগোম লোক নিৰ্মাণ বিভাগটোৰ। ডাবল ইঞ্জিনৰ চৰকাৰৰ দিনত চৌদিশে বিকাশৰ শ্লোগান আওৰাই থকা চৰকাৰৰ দিনত যমৰ যাতনা ভুগিব লগীয়া হৈছে হাজোৰ ৰাইজে। উল্লেখ্য যে হাজো আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় বিধায়িকাক ঘাইপথচোৱা পুনঃনিৰ্মাণ অথবা মেৰামতিৰ বাবে দাবী জনাই আহিছে যদিও কোনো কাণসাৰ নাই স্থানীয় বিধায়িকা গৰাকীৰ। তাৰেই প্ৰতিবাদত আজি দিনৰ এঘাৰ বজাত হাজো আঞ্চলিক ছাত্ৰ সন্থাই ৰূপায়ণ কৰে এক পথ অৱৰোধ কাৰ্যসূচী। আছুৰ প্ৰায় শতাধিক নেতা-কৰ্মী সমৰ্থকে হাজো ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ সমীপত পথ অৱৰোধ কাৰ্যসূচীৰে এক উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এই সময়চোৱাত আছু নেতা-কৰ্মী-সমৰ্থক সকলে লোকনিৰ্মাণ বিভাগ হায়-হায়, স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়া হায়-হায়, শীঘ্ৰে হাজো-গুৱাহাটী ঘাইপথ পুনৰ্নিৰ্মাণ কৰক, অসম চৰকাৰ হায়-হায় আদি ধ্বনিৰে ৰাজপথ উত্তাল কৰি তোলে। যাৰ ফলত সদাব্যস্ত ঘাইপথটোত যাতায়ত অব্যাহত থকা সৰু-বৰ বাহন সমূহ বন্ধ হৈ পৰে। অৱশ্যে কিছুসময় পিছতে প্ৰতিবাদস্থলীত হাজোৰ চক্ৰ বিষয়া আফ্ৰিন হুছেইন, কামৰূপ আৰক্ষীৰ ডি এচ পি পিংকু চৌধুৰী আৰু হাজো আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইয়াৰ পিছতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰি ঘাইপথচোৱা শীঘ্ৰে যাতায়তৰ উপযোগী কৰি গঢ়ি তোলাৰ লগতে পথচোৱাৰ দুয়োকাষে বিজ্ঞানসন্মত ভাৱে নলা নিৰ্মাণৰ দাবী সম্বলিত তথা হাজো আছুৰ সভাপতি প্ৰাণজিত দেউৰীয়া আৰু সাধাৰণ সম্পাদক আতিকুৰ ৰহমান স্বাক্ষৰিত এক স্মাৰক পত্ৰ হাজো ৰাজহ চক্ৰ বিষয়া আফ্ৰিন হুছেইনৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। ইয়াৰ পিছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে অনাগত দিনত স্থানীয় ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ ভাবুকি প্ৰদান কৰে আছুৱে। আছুৰ এই প্ৰতিবাদী পথ অৱৰোধ কাৰ্যসূচীত সদৌ কামৰূপ জিলা আছুৰ সভাপতি নৱজ্যোতি দাস, সহকাৰী সাধাৰণ সম্পাদক তপন দাস, হাজো আছুৰ উপদেষ্টা জানিউৰ ৰহমান সমন্বিতে হাজো আছুৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

## নিৰ্বিকাৰ ৰে'ল কৰ্তৃপক্ষ আৰু ইউনিয়ন

## ৰে'ল আৰক্ষীৰ চূড়ান্ত ব্যৰ্থতা

# কৰ্তব্যৰত ৰে'ল কৰ্মচাৰীক আক্ৰমণ কৰা দুৰ্বৃত্তৰ মুক্ত বিচৰণ

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৪ আগষ্ট ঃ** ৰে'ল শ্ৰমিক-কৰ্মচাৰী সকলৰ আজিৰ তাৰিখত অকণো নিৰাপত্তা নোহোৱা হৈছে। দিন-দুপৰতে কৰ্তব্যৰত অৰ্থাৎ কৰ্তব্যৰত অৱস্থাতে ৰে'ল শ্ৰমিক-কৰ্মচাৰীক দুৰ্বৃত্তই নিৰ্বিবাদে আক্ৰমণ কৰি গুছি যায়। কৰ্তব্যৰত ৰে'ল কৰ্মচাৰীক আক্ৰমণ কৰা দুৰ্বৃত্ত এতিয়াও মুকলি আকাশৰ তলত। কুম্ভকৰ্ণ নিদ্ৰাত ৰে'ল আৰক্ষীৰ লগতে নিৰ্বিকাৰ তিনিচুকীয়া ৰে'ল মণ্ডল প্ৰবন্ধক। এমপ্লইজ ইউনিয়ন আৰু মজদুৰ ইউনিয়নৰ নেতাৰ নীৰৱ ভূমিকাত এতিয়া ক্ষুব্ধ হৈ পৰিছে শ্ৰমিক-কৰ্মচাৰী। ৰে'ল শ্ৰমিক-কৰ্মচাৰী সকলৰ সম্প্ৰতি কোনো নিৰাপত্তা নোহোৱাৰ দৰে হৈছে। খবৰ ল'বলৈ আহৰি নাই তিনিচুকীয়া ডিভিজনৰ ডি আৰ এমৰো। তাৰ পিছতো চুলিৰ আগত জীৱনটোলৈ ৰে'ল শ্ৰমিক-কৰ্মচাৰীয়ে নিষ্ঠাৰে পালন কৰি গৈছে নিজ নিজ কৰ্তব্য। য'ত ৰে'ল শ্ৰমিক-কৰ্মচাৰীৰ নিৰাপত্তা নাই তেনেস্থলত সেই ৰে'ল শ্ৰমিক-কৰ্মচাৰীয়ে ৰে'ল যাত্ৰীৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা দিব কেনেকৈ? ইয়াক লৈয়ো উঠিছে গুৰুতৰ অভিযোগ। এন এফ ৰে'লৱে তিনিচুকীয়া ডিভিজনৰ সোপাটিলা নীতিয়ে ৰে'ল শ্ৰমিক-কৰ্মচাৰী সকলৰ জীৱনলৈ প্ৰতিটো মুহূৰ্ততে নমাই আনিছে প্ৰাণৰ প্ৰতি ভাবুকি। যোৱা ২৩ জুলাইত তিনিচুকীয়া ডিভিজনৰ অন্তৰ্গত ফৰকাটিং আৰু কমাৰবন্ধা ষ্টেচনৰ মাজত অৱস্থিত আহোম গাঁওস্থিত ST-73/A লেভেল ক্ৰছিঙ গে'টত কৰ্তব্যৰত কৰ্মচাৰী উমেশ ঠাকুৰক লোহাৰ ৰ'ডেৰে প্ৰাণে মৰাৰ চেষ্টা কৰিছিল। দুৰ্বৃত্তৰ ভয়ংকৰ আক্ৰমণত উমেশ ঠাকুৰৰ কোনোমতে প্ৰাণ ৰক্ষা পৰিল যদিও গুৰুতৰভাৱে আহত হৈ আজিও চিকিৎসাধীন হৈ আছে উমেশ ঠাকুৰ। ঘটনাৰ সন্দৰ্ভত মৰিয়নি আৰ পি এফ আৰু ফৰকাটিং জংছনৰ জি আৰ পি থানাত গোচৰ ৰুজু কৰা হৈছে যদিও ঘটনাৰ সৈতে জড়িত দুৰ্বৃত্তক আজিপৰ্যন্ত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। ঘটনা সংঘটিত হোৱা আজি ১৯টা দিন উকলি যোৱাৰ পাছতো বিয়াগোম ৰে'ল আৰক্ষীয়ে দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত ৰে'ল শ্ৰমিক-কৰ্মচাৰীসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত একাংশ ৰে'ল শ্ৰমিক-কৰ্মচাৰীয়ে ক্ষোভেৰে কয় যে, দেশৰ স্বাধীনতা দিৱস সমাগত। দিনে-নিশাই তেওঁলোকে ৰে'লপথ নিৰীক্ষণ কৰিবলগীয়া হৈছে। ৰে'লপথ নিৰীক্ষণৰ দায়িত্বত থকা ৰে'ল শ্ৰমিকসকলে চুলিৰ আগত জীৱনটো লৈ কৰ্তব্য সম্পাদন কৰিবলগীয়া হৈছে। ঢাল নাই, তৰুৱাল নাই নিধিৰাম চৰ্দাৰৰ দৰে ৰে'ল যাত্ৰীৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা দিবলৈ নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি দায়িত্ব পালন কৰি আহিছে। লেভেল ক্ৰছিঙ গে'টসমূহত নাই কোনো নিৰাপত্তা ব্যৱস্থা। দীৰ্ঘদিন ধৰি লেভেল ক্ৰছিঙ গে'ট ঘুমটিত লোহাৰ জালিৰ বেৰা দিয়া, চিচিটিভি কেমেৰা সংস্থাপন কৰিবলৈ দাবী জনাই অহাৰ পিছতো তিলমানো গা লৰা নাই তিনিচুকীয়া ৰে'ল ডিভিজন কৰ্তৃপক্ষৰ। ইনভাৰ্টাৰসমূহ বিকল হৈ থকা ফলত বিদ্যুৎ যোগান ব্যাহত হ'লে নিশাৰ আন্ধাৰতে কৰ্তব্য পালন কৰিবলগীয়া হয় অতি বিপদসংকুলভাৱে। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে, উমেশ ঠাকুৰক দুৰ্বৃত্তই আক্ৰমণ কৰা লেভেল ক্ৰছিঙ গে'টত আজিলৈকে তিনিচুকীয়া ডিভিজনৰ ডি আৰ এমকে ধৰি কোনো শীৰ্ষ বিষয়াই পৰিস্থিতি বুজ ল'বলৈ যোৱা নাই। ৰে'ল শ্ৰমিকসকলে লগতে উত্থাপিত অভিযোগত আৰু কয় যে এন এফ ৰে'লৱেত এমপ্লইজ ইউনিয়ন আৰু মজদুৰ ইউনিয়ন দুটাকৈ ৰে'ল শ্ৰমিক ইউনিয়ন আছে যদিও দুয়োটা ইউনিয়নে এইক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে। এওঁলোকৰ ভূমিকাক আমি কঠোৰ ভাষাৰে ধিক্কাৰ দিছোঁ। এমপ্লইজ ইউনিয়নে ৰে'ল শ্ৰমিক-কৰ্মচাৰীৰ পৰা দৰমহাৰ পৰা দান-বৰঙনি ঠিকেই সংগ্ৰহ কৰে, কিন্তু ৰে'ল শ্ৰমিকৰ কাৰণে কোনো কামহে নকৰে। একেদৰে তিনিচুকীয়া ডিভিজনত বিতুল বৰাই মজদুৰ ইউনিয়নৰ সমন্বয়কৰ চকীত বহি থাকি মুখত তলা লগোৱাৰো অভিযোগ উত্থাপন কৰে। কেৱল মাত্ৰ নিজৰ চকী বচোৱাৰ কাৰণেই ইউনিয়নৰ পদবী দখল কৰি থকা এই সকল তথাকথিত নেতাৰ কাৰণেই ২০২৪ৰ নিৰ্বাচনত ৰে'ল শ্ৰমিক-কৰ্মচাৰীয়ে মজদুৰ ইউনিয়নক প্ৰত্যাখান কৰে বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

## বৃহৎ পৰিমাণৰ নিচা-জাতীয় টেবলেট জব্দ

# তাৰাবাৰী আৰক্ষীৰ জালত ড্ৰাগছ ব্যৱসায়ী

**অসম বাৰ্তা, চেঙা, ১৪ আগষ্ট ঃ** বৰপেটা জিলাত অব্যাহত আছে আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাৰ তৎপৰতাত জিলাখনৰ বিভিন্ন প্ৰান্তত তীব্ৰতৰ হৈ উঠিছে ড্ৰাগছ বিৰোধী অভিযান। এইবাৰ জিলাখনৰ তাৰাবাৰী আৰক্ষীৰ জালত পৰিছে নিচাজাতীয় টেবলেটসহ এটা ড্ৰাগছ ব্যৱসায়ী। ধৃত ড্ৰাগছ ব্যৱসায়ীটো সৰ্থেবাৰী থানাৰ অন্তৰ্গত গৰেমাৰী গাঁৱৰ চাদেক আলিৰ পুত্ৰ মইনাল হক বুলি জানিব পৰা গৈছে। মইনাল হকে দীৰ্ঘদিন ধৰি এই নিচা জাতিয় টেবলেট বিক্ৰী কৰি থকাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে কালি সন্ধিয়া গোপন খবৰৰ ভিত্তিত তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত বালাৰটাৰীত ড্ৰাগছৰ বিৰুদ্ধে চলিছিল অভিযান। অভিযানকালত বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেটসহ আৰক্ষীয়ে আটক কৰে মইনাল হকক। ধৃত মইনাল হকৰ পৰা ১৮০টা নিচাজাতীয় টেবলেট আৰু এটা মোবাইল ফোন জব্দ কৰে আৰক্ষীয়ে। ধৃত মইনাল হকৰ বিৰুদ্ধে তাৰাবাৰী থানাত ৩৯/২৫ নম্বৰত আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি আজি ধৃত মইনাল হকক বৰপেটা আদালতত হাজিৰ কৰায় বুলি জানিব পৰা গৈছে।

# মৰিয়নি সমজিলাৰ কাৰ্যালয় উদ্বোধন মন্ত্ৰী যোগেন মোহনৰ

**অসম বাৰ্তা, আমগুৰি, ১৪ আগষ্ট ঃ** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিয়ে আনুষ্ঠানিকভাৱে সম জিলাৰ স্থান লাভ কৰে। যোৱা মঙ্গলবাৰে ৰাজ্যৰ পৰিবহণ মন্ত্ৰী যোগেন মহনে লাহিং গ্ৰাণ্ট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত এক সভাত ফিতা কাটি মৰিয়নি সম জিলাৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনী সভাত মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে আজিৰ পৰা মৰিয়নিয়ে নতুন ৰূপ লাভ কৰিলে। এতিয়া স্থানীয় ৰাইজে ভূমি, ৰাজহ, জন্ম-মৃত্যু আদি সকলো প্ৰমাণপত্ৰ একে কাৰ্যালয়ৰ পৰা লাভ কৰিব পাৰিব। ৰাজ্য চৰকাৰে এই পদক্ষেপ ৰাইজৰ সুবিধাৰ্থে গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত প্ৰতিগৰাকী মৰিয়নিবাসী যথেষ্ট উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলা আয়ুক্ত জয় শিৱানী, সম জিলাৰ নৱনিযুক্ত আয়ুক্ত অভিজিত গগৈ, জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়াসহ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। চৰকাৰৰ এই পদক্ষেপক সৰ্বস্তৰৰ ৰাইজে আদৰণি জনায়। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে মন্তব্য কৰে যে সম জিলা গঠনৰ ফলত স্থানীয় ৰাইজৰ সুৰক্ষা আৰু সুবিধা দুয়োটা বৃদ্ধি পাব। তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰীক এই পদক্ষেপৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

# সাপকাটা সমবায় সমিতি লিমিটেডৰ বছৰেকীয়া সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৪ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমাৰ সমবায় সমিতি সমূহৰ সহকাৰী পঞ্জীয়কৰ অধীনস্থ সাপকাটা সমবায় সমিতি লিমিটেডৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বছৰেকীয়া সাধাৰণ সভাখন আজি সমিতিৰ কাৰ্যলয় প্ৰাংগণত অনুষ্ঠিত কৰা হয়। সমবায় সমিতিৰ সভাপতি হেমজিত মুছাহাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাত ২০২৪ -২৫ ইং চনৰ বছৰেকীয়া সম্পাদকীয় প্ৰতিবেদন পাঠ কৰি শুনায় সমবায় সমিতিখনৰ সম্পাদক অনুপ কুমাৰ শৰ্মাই। প্ৰায় চাৰি হাজাৰ অংশীদাৰৰে পৰিপুষ্ট সমিতিখনৰ অধীনস্থ ৩৭খন সুলভ মূল্যৰ দোকানত খাদ্য সামগ্ৰী যোগান ধৰাৰ উপৰি বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ চাউল, কমিচন আৰু গাড়ী ভাড়া আদিৰ বাবদ চৰকাৰৰ পৰা পাব লগা ধন ষাঠি লাখ ৩৭ হাজাৰ টকাৰ অধিক বুলিও বিত্তীয় প্ৰতিবেদনত প্ৰকাশ কৰিছে। আনহাতে খৰচৰ শিতানত কৰ্মচাৰীৰ দৰমহা, ভ্ৰমণ বানচ, গাড়ী ভাড়া আদিকে ধৰি বিভিন্ন শিতানত ৬৫ লাখ ১১ হাজাৰ ৬৩৪ টকা ব্যয় কৰিছে। বিত্তীয় বৰ্ষটোত সমবায় সমিতিখনে সৰ্ব মুঠ লাভ দেখুৱায় ২, ৭২, ২৬৩ টকা।

# চিৰাঙৰ বিজনীত বন্যহস্তীৰ সন্ত্ৰাস

**অসম বাৰ্তা, বিজনী, ১৪ আগষ্ট ঃ** মানাস ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা তিনিটাকৈ বন্যহস্তীয়ে ভাঙি তহিলং কৰিলে আঠটাকৈ পৰিয়ালৰ বসাগৃহ। কথমপি প্ৰাণ ৰক্ষা পৰে এটা পৰিয়ালৰ সদস্যৰ। দেওবাৰেনিশা এই ঘটনা সংঘটিত হয় পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ৩ নং দৈলংঝাৰ। আৰু ৪ নং দৈলংঝাৰত। মানাছ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা তিনিটাকৈ বন্যহস্তীয়ে গাঁওখনত সন্ত্ৰাস চলাই শংকৰ সিংহ, কংকণ সিংহ, গোপাল সৰকাৰ, বাদল দে, পৰিমল দে, সুনতি বৰ্মন, অনিল সৰকাৰ আৰু ৰাম প্ৰসাদ বৰ্মন নামৰ আঠটা পৰিয়ালৰ ঘৰ ভাঙি তহিলং কৰে। ইফালে শংকৰ সিংহৰ পত্নী আৰু এটা সন্তান শুই থকা অৱস্থাত চৰকাৰী পকী গৃহৰ লগতে আন এটা ঘৰ ভাঙি তাণ্ডৱ চলাই। বন্যহস্তীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে তিনি জনীয়া পৰিয়ালটোৰ। আনহাতে সুমতি বৰ্মন নামৰ বিধবা মহিলা গৰাকীৰ গৃহৰো বিস্তৰ ক্ষতি সাধন কৰে বন্যহস্তীৰ জাকে। ক্ষতিগ্ৰস্ত পৰিয়াল কেইটাই সংবাদ মাধ্যমৰ সন্মুখত চৰকাৰত ওচৰত আৰ্থিক সহায় বিচাৰি আহ্বান জনাইছে।

# গোলাঘাট পূৱ শিক্ষাখণ্ডৰ বিদ্যালয়ত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিপিন বৰুৱাক ৰাজহুৱা সম্বৰ্ধনা

**অসম বাৰ্তা, মেৰাপানী, ১৪ আগষ্ট ঃ** গোলাঘাট পূৱ শিক্ষাখণ্ডৰ অন্তৰ্গত তথা বৃহত্তৰ জামুগুৰি অঞ্চলৰ অন্যতম ভোগদাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপিন বৰুৱাৰ বিদায় সম্বৰ্ধনা আজি অনুষ্ঠিত হয় যায়। সেই উপলক্ষে আজি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেশ্বৰ বৰা সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন আঁত ধৰে ভোগদাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰিতু শইকীয়াই, সভাত চৰাইমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মৃদুল বৰা, লক্ষ্মীবাৰী জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক খগেন বৰা, জামুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পাৰ্থ প্ৰতিম শইকীয়া, জ্যেষ্ঠ সাংবাদিক জয়ন্ত হাজৰিকা, মাটিখোলা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মনোজ নেওগ, ৰতনপুৰ মণ্ডল সমল কেন্দৰ সমন্বয়ক নৱ পল্লৱ কাকতি, এক নং পুষ্পৱন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পবিত্ৰ শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰভাত দাস, প্ৰাক্তন সভাপতি অজিত দাস, সমাজকৰ্মী প্ৰতাপ দত্ত, অৱসপ্ৰাপ্ত শিক্ষক জনৰ সহধৰ্মিণী নোমালী বৰুৱা আদি কৰি কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে দুই শতাধিক শিক্ষানুৰাগী ৰাইজৰ উপস্থিতিত ভোগদাবাৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিপিন বৰুৱাক বিদ্যালয়খনৰ তৰফৰ পৰা চেলেং, গামোচা, সম্বৰ্ধনা পত্ৰ, গছপুলি, সঁফুৰা, বস্তৰ টোপোলা, ধৰ্মগ্ৰন্থৰ টোপোলা, আদিৰে বিপুলভাৱে বিদায় সম্ভাষণ কৰা হয়। তদুপৰি সভাত বিদ্যালয়খন ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতি, মাতৃগোট, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, স্থানীয় শিক্ষানুৰাগী ৰাইজে অৱসৰপ্ৰাপ্ত শিক্ষকজনক বিপুল ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে উক্ত সভাতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে সকলে নৃত্য, গীত, কবিতা আবৃত্তি আদি প্ৰদৰ্শন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## অতীত ৰোমন্থন

# বহুতে পাহৰি যোৱা কথা

অসমৰ শিক্ষা ব্যৱস্থা আৰু ছাত্ৰ-ছাত্ৰীসকলক জীৱন থৰক বৰক কৰি পেলোৱা আন্দোলনটোৰ কথা, আজিৰ চামে ভালদৰে নাজানে। যিসকল সেই সময়ৰ স্কুল, কলেজ বা বিশ্ববিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী আছিল, তেওঁলোকৰো বহুতেই পাহৰিলে। পাহৰিলে ভৰত নৰহে, পাহৰিলে জয়নাথ শৰ্মাই। দেৱব্ৰত শইকীয়াই মনত ৰাখিব খোজা নাই। তেনেকুৱা অনেক আছে - যিয়ে তেতিয়া ছাত্ৰ সন্থা কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীক জখলা সাজি দিছপুৰ দিল্লীৰ চকীবোৰত আৰোহণ কৰিছিল বা আজিও কৰি আছে। তাৰ মাজৰ এজনৰ নাম মনত আছে - যিয়ে বিদেশীৰ ৰক্ষা কবচ 'আই এম ডি টি' নামৰ আইনখন আঁতৰাবলৈ আদালতত যুদ্ধ কৰিছিল। তেওঁ হ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। আন এজন আছিল - আন্দোলনৰ সময়ত তেওঁ সন্মুখৰ শাৰীত নাছিল, যদিয়ো বিভিন্ন সময়ত বিভিন্ন স্থানত ভুমুকি মাৰি গৈছিল। সাধনা, কৰ্ম স্পৃহা, দক্ষতা বা অসাধ্য সাধনৰ লক্ষ্যৰে এজন জাতি প্ৰেমী হিচাপে, অসম হিতৈষী হিচাপে বৰ্তমান তেওঁ অসমৰ মুখ্যমন্ত্ৰী। তেওঁৰ বহুত বদনাম আছে। কিন্তু তেওঁৰ কৰ্মজীৱনত যি কৰি আহিছে আৰু আগলৈ কৰাৰ প্ৰতিশ্ৰুতি দিছে, তাক প্ৰকৃত দেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ ব্যক্তিয়ে অস্বীকাৰ কৰিব নোৱাৰে। অসম চুক্তিয়ে যি দিব নোৱাৰিলে, তাৰ উৰ্দ্ধলৈ গৈ অসম তথা অসমবাসীৰ অস্তিত্বৰ সংকটৰ সময়ত তেওঁ দৃঢ়তাৰে থিয় দিছে।

বহুতে পাহৰি যোৱা কিছু কথা আজি মনত পেলাই দিয়াৰ আৱশ্যক হৈছে। ১৯৭৯ চনৰ ভোটাৰ তালিকাত যে অসংখ্য নতুন নাম সোমাইছিল, সেয়া সত্য বুলি সকলোৱে মানি লৈছিল। কেৱল কংগ্ৰেছ আৰু চি পি এম দলে প্ৰকাশ্যে তাক মানি লোৱা নাছিল। কংগ্ৰেছ চৰকাৰে কেৱল জোৰ দিছিল মংগলদৈ লোকসভা সমষ্টিৰ উপ নিৰ্বাচন পতাত।

সেই সময়ত অসমত চৰকাৰ ভঙা-পতা যেন এটা পৰম্পৰাত পৰিণত হৈছিল। গোলাপ বৰবৰা ১৯৭৮ চনৰ ১২ মাৰ্চৰ পৰা ১৯৭৯ চনৰ ৪ ছেপ্তেম্বৰলৈ অসমৰ মুখ্যমন্ত্ৰী হৈ আছিল। তাৰ পিছত যোগেন্দ্ৰ হাজৰিকা ১৯৭৯ চনৰ ৯ চেপ্তেম্বৰৰ পৰা ১৯৭৯ চনৰ ১১ ডিচেম্বৰলৈ মুখ্যমন্ত্ৰী হয়। চৈয়দা আনোৱাৰা টাইমুৰ ৬ ডিচেম্বৰ ১৯৮০ চনৰ পৰা ১৯৮১ চনৰ ৩০ জুনলৈ অসমৰ মুখ্যমন্ত্ৰী হৈ থাকে। তেওঁৰ দিনত আন্দোলনকাৰীৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলে। সেই বোৰ পিছৰ কথা। চৰকাৰে এই সময়ত অসমৰ সকলোতে অসমীয়াৰ ওপৰত পাইকাৰী জৰিমনা লগাইছিল। তাৰ বিপৰীতে, অসমৰ অবৈধ বাংলাদেশী নাগৰিকক ভুৱা ৰেচন কাৰ্ড, স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ আদি এই সময়ত চৰকাৰী পৃষ্ঠপোষকতাত বৃহত হাৰত বিতৰণ কৰা হৈছিল।



কেন্দ্ৰীয় মন্ত্ৰী এইচ্ চি চাৰিণে অসমৰ বিৰুদ্ধে আৰু অবৈধ নাগৰিকৰ পক্ষত আন এক চক্ৰান্ত ৰচনা কৰিছিল। তেওঁ ১৯৮০ চনৰ ৩ এপ্ৰিল তাৰিখে এখন চাৰ্কুলাৰ - NO. RSS/550/7/6pt111 5, অসমৰ ৰাজহ বিভাগৰ উপায়ুক্ত, আয়ুক্ত আৰু বন্দোৱস্তী বিষয়া লৈ চাৰ্কুলেট কৰিছিল। তাত কোৱা হৈছিল যে - "অসমৰ দহখন জিলাৰ বেদখলকাৰী বিলাকৰ কেৱল ১/১/৮০ তাৰিখৰ পাছত বহা খিনিহে উচ্ছেদ কৰিব লাগে। পূৰ্বৰ বেদখলকাৰীবোৰ বৰ্তমান সময়ত উচ্ছেদ কৰিবলৈ চৰকাৰ অক্ষম।" অসমক নিঃশেষ কৰাৰ এয়া আছিল এটা সৰ্বভাৰতীয় কুটিল চক্ৰান্ত। প্ৰহসনআৰু হাস্যকৰ বিষয় যে এই বেদখল সমূহৰ সকলোবোৰেই আছিল ১৯৮০ চনৰ এক জানুৱাৰীৰ আগতে হোৱা।

অসমৰ ছাত্ৰসমাজে আৰম্ভ কৰা আন্দোলন বিয়পি পৰিছিল কংগ্ৰেছ আৰু চি পি আই চি পি এম দলৰ সদস্যৰ বাহিৰে আন সকলো মানুহৰ মাজলৈ। পিকেটিং, ধৰ্মঘট, চৰকাৰী অনুষ্ঠান বৰ্জন, ৰেল অৱৰোধ, অসম বন্ধ আদি কৰি অসংখ্য কাৰ্যসূচী চলি আছিল। দুলীয়াজান আৰু নাৰেংগীত বহুত লোকৰ মৃত্যু হৈছিল, বহুত লোকৰ শৰীৰ ঘূণীয়া হৈছিল, বহু লোক নিৰুদ্দিষ্ট হৈছিল। ১৯৮০ চনৰ জানুৱাৰী মাহৰ পৰা চেপ্তেম্বৰ মাহলৈ অসমৰ বিভিন্ন ঠাইত ৪৭ বাৰ পুলিচৰ গুলী চলিছিল। সেয়া হিচাপৰ ভিতৰৰহে, হিচাপৰ বাহিৰত অনেক ৰৈ গৈছিল, এই গুলি চালনা বোৰত ৮৬জন লোকৰ মৃত্যু হৈছিল। কিন্তু আচৰিত কথাটো হ'ল, সেই সকলেবোৰ মৃত্যুৰ ঘটনাৰ বাবে চৰকাৰে ন্যায়িক তদন্তৰ নিৰ্দেশ দিয়া নাছিল। দুই এটা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত চলিছিল যদিয়ো তাৰ ফলাফল কি হ'ল কোনোৱেই গম নাপালে। তাত অসমৰ ৰাজ্যপালেও কোনো ধৰণৰ দুখ প্ৰকাশ কৰাৰ প্ৰয়োজন অনুভৱ নকৰিলে। মানুহ হত্যা কৰি আইন শৃংখলা ৰক্ষা কৰা পুলিচৰ উৰ্দ্ধতন বিষয়া প্ৰিয়নাথ গোস্বামীৰ কিন্তু প্ৰমোচনহে হ'ল।

১৯৮০ চনৰ অক্টোবৰ মাহত কেন্দ্ৰই পুনৰ আলোচনাৰ বাবে ছাত্ৰ সংস্থাৰ নেতৃত্ব আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বক দিল্লীলৈ মাতি পঠিয়ালে। আলোচনা ব্যৰ্থ হ'ল। তথাপিয়ো স্বৰাষ্ট্ৰমন্ত্ৰী গিয়ানি জাইল সিঙে অনুৰোধ কৰিলে যে আলোচনা আকৌ অনুষ্ঠিত কৰিব লাগে। আন্দোলনৰ নেতৃবৃন্দৰ সন্মুখত অন্য কোনো বিকল্প পথো নাই। সেয়েহে সন্মতি জনালে। কিন্তু তেৱোঁলোকে জনালে যে দিল্লীৰ পৰিবেশতকৈ গুৱাহাটীত আলোচনা হ'লে বেছি ফলপ্ৰসূ হ'ব। চৰকাৰে অৱশ্যে বিবেচনাৰ আশ্বাস দিলে।

ইয়াৰ মাজতে পৰৱৰ্তী আলোচনাত বিৰোধী দলৰ প্ৰতিনিধিকো জড়িত কৰা হ'ব বুলি কেন্দ্ৰই প্ৰকাশ কৰিলে। ইয়াৰ ফল যে অসমৰ সমস্যাটোৰ পক্ষে কোনো পৰিস্থিতিতে ভাল নহ'ব, সেয়া নিশ্চিত। কাৰণ বিদেশী বহিষ্কাৰৰ কথা ওলালেই সংবিধানৰ সকলো অনুচ্ছেদ আৰু আইনৰ বিধি পাহৰি ভাৰতৰ বুদ্ধিজীৱমহল আৰু ৰাজনৈতিক নেতাসকলে মানৱতাৰ গান গাবলৈ আৰম্ভ কৰে। অথচ, ত্ৰিপুৰালৈ বাংলাদেশৰ পৰা পলাই অহা বিশ হাজাৰ চাকমা জনজাতিৰ বাবে এই সকলৰ কোনোৱেই মানৱতাৰ কথাত মুখ নেমেলে। মৰিছঝাপিৰ শৰণাৰ্থীৰ পিঠিত জ্যোতি বসুই ৰাইডাং চলোৱা কথাটোত কোনেও মানৱতা দেখা নাপালে। অসমত ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাত 'সংখ্যালঘু' নাম লৈ এচামে মুখত অবাধ ৰাষ্ট্ৰবিৰোধী, সাম্প্ৰদায়িকতাবাদী শব্দ উচ্চাৰণ কৰি বাংলাদেশৰ পতাকা উত্তোলন কৰা কাৰ্য্যতো কোনো সৰ্বভাৰতীয় বুদ্ধিজীৱীয়ে ভাৰতৰ নিৰাপত্তা বিঘ্নিত হোৱা বুলি নাভাবিছিল। ৰাষ্ট্ৰবিৰোধী, সাম্প্ৰদায়িকতাবাদী শ্লোগান আৰু বাংলাদেশৰ পতাকা উত্তোলন কৰা কাৰ্য্যতো কংগ্ৰেছ আমোলৰ চৰকাৰে কোনো গুৰুত্ব প্ৰদান কৰাৰ কথা ভবা নাছিল। সেই বছৰৰ ফেব্ৰুৱাৰী মাহতেই হাইদৰাবাদত জামাত -ই- ইছলামীৰ ষষ্ঠ সৰ্বভাৰতীয় সন্মিলন অনুষ্ঠিত হৈছিল। তাত ভাগ লোৱা পাকিস্তান, বাংলাদেশ আৰু বহুকেইখন আৰৱ দেশৰ প্ৰতিনিধিয়ে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল -

"অহা দশকৰ ভিতৰত মুছলমান সকলৰ জনসংখ্যা এতিয়াৰ আঠকোটিৰ পৰা বিশ কোটিলৈ বৃদ্ধি কৰিব লাগিব।"

তেওঁলোকৰ সেই প্ৰচেষ্টাত কুৱেইটৰ এটা ইছলামিক বেঙ্ক আৰু লণ্ডনত থকা ইছলামিক সাংস্কৃতিক কেন্দ্ৰৰ পৰা আৰ্থিক সাহায্য আৰু নৈতিক সমৰ্থন লাভ কৰিছে বুলি অধিৱেশনত ঘোষণা কৰিছিল। লণ্ডনৰ এই সাংস্কৃতিক কেন্দ্ৰৰ তেনেকুৱা সভাত ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰী গোলাম ওচমানীয়েও অংশ গ্ৰহণ কৰিছিল। তেনেকুৱা সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰীৰ অংশগ্ৰহণৰ যুক্তি সংগত কাৰণ সৰ্বভাৰতীয় বুদ্ধিজীৱী আৰু কেন্দ্ৰীয় মন্ত্ৰীসভাই চিন্তা কৰাৰ প্ৰয়োজনবোধ কৰা নাছিল। তাৰ পিছত দহ ডিচেম্বৰত অনুষ্ঠিত হোৱা লোকসভাত সেই বিষয়ে এটা প্ৰশ্ন উত্থাপন হৈছিল। তাৰ উত্তৰত কেন্দ্ৰীয় মন্ত্ৰী যোগেন্দ্ৰ মাকোৱানাই মাত্ৰ কৈছিল যে -

"এই জামাতৰ সৈতে ভাৰতৰ আৰু বিদেশৰ বহুতো ইছলামিক সংগঠনৰ সম্পৰ্ক আছে। আৰু সেয়ে চৰকাৰে ইয়াৰ ওপৰত চোকা নজৰ ৰাখিছে।" সেই বিষয়ত পূৰ্বাঞ্চলীয় লোক পৰিষদৰ সভাপতি, নিবাৰণ বৰাই তেতিয়াৰ অগ্ৰদূত কাকত যুক্তিপূৰ্ণ আলোচনা আগ বঢ়াইছিল। কিন্তু তেওঁৰ বাহিৰে অসমৰ কোনো বুদ্ধিজীৱী উৎকণ্ঠিত হোৱা নাছিল।

বিভিন্ন চিন্তা চৰ্চাৰ পিছতঅসমৰ শৈক্ষিক শৈক্ষিক পৰিৱেশৰ উন্নতি হৈছিল। অসমৰ স্কুল, কলেজ, অভিযান্ত্ৰীক প্ৰতিষ্ঠান, চিকিৎসা মহাবিদ্যালয় কেইখন আৰু বিশ্ববিদ্যালয়লৈ শিক্ষাৰ পৰিবেশ ঘূৰাই অনাৰ প্ৰচেষ্টা সকলো পক্ষই হাতত লৈছিল। অৱশ্য চৰকাৰে তাত মূৰ ঘমোৱা নাছিল। ১৯৮১ চনৰ ১৯ জানুৱাৰী আৰু ২০ জানুৱাৰীত প্ৰায় চৌবিশ ঘণ্টীয়া প্ৰতিনিধি সন্মিলনত শিক্ষা বিষয়ক বিশেষ কমিটিৰ আহ্বায়ক দেৱকুমাৰ বৰাক দায়িত্ব প্ৰদান কৰা হৈছিল। তেওঁৰ তত্বাৱধানত পৰীক্ষা সম্পৰ্কে সকলো কথা নিশ্চিত কৰিবলৈ তেওঁক সম্পূৰ্ণ কৰ্তৃত্ব দিয়া হৈছিল। তাৰ ফলশ্ৰুতিত ১৯৮১ চনৰ দুই মাৰ্চৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হয়। পৰৱৰ্তী সময়ত প্ৰি ইউনিভাৰ্চিটি, স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাসমূহ পৰ্যায়ক্ৰমে অনুষ্ঠিত হৈ থাকিল। এই হাইস্কুল শিক্ষান্ত পৰীক্ষাত আন এটা সুবিধা হ'ল। বহুত পুৰণি ছাত্ৰ-ছাত্ৰীয়েও পৰীক্ষা দিবলৈ সুবিধা পালে। আনকি ক্লাছ চেভেন - এইটটত পঢ়িবলৈ এৰি দিয়া ছাত্ৰ- ছাত্ৰীয়েও সুবিধা কৰি পৰীক্ষাত অৱতীৰ্ণ হ'ল। প্ৰায় সকলোৱেই পাচো কৰিলে। কিন্তু অসমৰ পৰীক্ষা ব্যৱস্থাত 'নকল' নামৰ এটা নতুন সংস্কৃতিৰ জন্ম হ'ল। কিছুমান উচ্চ শিক্ষাৰ ক্ষেত্ৰতো পৰীক্ষাত নকল কৰাৰ প্ৰৱণতা বৃদ্ধি পালে। পঢ়া-শুনাও চলিল, আন্দোলনো চলিল। অসমত ৰাষ্ট্ৰপতিৰ শাসন চলিল। সাংবিধানিক নিয়ম ৰক্ষাৰ বাবে ১৯৮৩ চনত কংগ্ৰেছ কেন্দ্ৰীয় চৰকাৰে অসমত নিৰ্বাচন পাতিলে।

১৯৮১ চনৰ লোক গণনা অসমত নোহোৱাৰ সুবিধা লাভ কৰিলে বিদেশীয়ে। সেই সময়চোৱাত বাংলাদেশৰ পৰা নতুনকৈ অহা মানুহবোৰেও ৫০০ ৰ পৰা ২০০০ টকা আমাৰেই কিছুমান মানুহৰ হাতত ধৰাই দি স্কুলত ভৰ্তি হোৱাৰ প্ৰমাণ পত্ৰ, ৰেচন কাৰ্ড, মাটিৰ কিনা-বেচা কৰাৰ প্ৰমাণ, স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ লৈ ল'লে। যিবোৰে তেনেকুৱা সুবিধা ল'ব নোৱাৰিলে, নিজৰ মাজতে মাৰ-পিট, কাজিয়া লগাই ক'ৰ্টত কেচ জুৰিলে। কেইদিনমান ক'ৰ্টলৈ অহা যোৱা কৰি মীমাংসালৈ আহিল, কেচ উঠাই ল'লে আৰু অসমত নিজৰ স্থায়ীত পঞ্জীভূক্ত কৰি সম্পূৰ্ণ অসমীয়া হৈ উঠিল।

অসম চুক্তি হৈ গ'ল। সীমান্তত কাইঁটীয়া তাঁৰৰ বেৰ সম্পূৰ্ণ হ'বলৈ ৪০ বছৰো কমেইহে হ'ল। চুক্তিৰ ৬ নম্বৰ দফাত লাগি থাকোঁতে ৪০ বছৰ গ'ল। চৈয়দা আনোৱাৰা টাইমুৰ, সংখ্যা লঘু ছাত্ৰ সন্থা, নাগৰিক অধিকাৰ ৰক্ষা সমিতি, প্ৰিয় ৰঞ্জন দাস মুন্সি আদিৰ দৰে নেতাই তেতিয়াও আন্দোলনৰ সফল সমাপ্তি বিচৰা নাছিল। আজিয়ো গৌৰৱ গগৈ, অখিল গগৈ, দেৱব্ৰত শইকীয়া, ভূপেন শইকীয়া আদিৰ দৰে নেতাই অসমৰ ভূমিৰ পৰা অবৈধ দখল উচ্ছেদ হোৱাটো নিবিচাৰে। অবৈধ ভূমি দখল উচ্ছেদৰ বিষয়টো কিছুমান দল আৰু সংগঠনে 'মুছলমানৰ উচ্ছেদ'লৈ টানি নিছে। কিছুমানে মিঞা লেণ্ড বিচাৰিছে।



ড° আৰ কে বেজবৰুৱা

"স্বাধীনতাই অসমক কি দিলে? "বুলি প্ৰশ্ন কৰিলে সুখ জনক উত্তৰ এটা পোৱা নাযাব।

স্বাধীনতাই অসমক দিলে লাখ লাখ বিদেশী। ভাষা ৰক্ষাৰ বাবে দিলে আন্দোলন আৰু কেইটামান ফুল কুমলীয়া ছাত্ৰৰ তেজ। বিদেশী প্ৰব্ৰজন বোধৰ নামত শ শ ছাত্ৰ ছাত্ৰীৰ মৃত্যু। উন্নয়নৰ নামত পশ্চাদগামী গতি। বিভিন্ন কেলেংকাৰী। আজি কোনোবা এজন মুখ্যমন্ত্ৰীয়ে সেই কথা স্মৰণ কৰি যদি তাৰ সংশোধন কৰিবলৈ আগবাঢ়ি আহে, তাক অতীতৰ ঘটনাৰাজিৰ দৃষ্টিৰে পুনৰ মূল্যায়ন কৰাৰ সময় আহি পৰিছে। এই ক্ষেত্ৰত কেৱল মুখ্যমন্ত্ৰীজনৰ কৰ্মৰাজিৰ বিপক্ষে থিয় দিলেই নহ'ব। অতীতৰ ভুলৰ পৰা অসমক বাহিৰলৈ উলিয়াই আনি কাৰ্য্যব্যৱস্থা হাতত ল'ব লাগিব। তাত যদি চৰকাৰৰ পূৰ্ণ সমৰ্থন থাকে, তেন্তে সেয়া হ'ব অসমীয়াৰ বাবে শক্তিশালী গতি।

এনেকুৱা বিশেষ কিছুমান কথা বহু বছৰৰ আগতে অসমৰ জাতীয় স্বাৰ্থত গুৰুত্বপূৰ্ণ হৈ পৰিছিল আৰু এতিয়াও তাৰ গুৰুত্ব হ্ৰাস পোৱা নাই। বৰঞ্চ ভাৰতীয় সাৰ্বভৌমত্বৰ স্বাৰ্থত সি অধিক স্পৰ্শকাতৰ আৰু জটিল হৈ পৰিছে। স্বাধীনতাৰ পাছত স্বাধীন ভাবে দেশৰ স্বাৰ্থত কাম কৰাৰ আত্মোৎসৰ্গত সকলোৱে সঁহাৰি জনাব নে নজনাব, সেয়া প্ৰতিজন নাগৰিকে নিজেই বিবেচনা কৰিব।



# স্বাধীনতাৰ ৰ'দ কাঁচিয়লি

**পলাশ শৰ্মা**

পৰাধীন ভাৰতৰ বৃটিছ শাসনৰ অত্যাচাৰ, শোষণ, নিপীড়ণৰ সূত্ৰপাত বুলি ক'লে আমাৰ মনলৈ আহে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম কৃষক বিদ্ৰোহ "ফুলগুৰি ধেৱা" ৰ কথা। নগাওঁ জিলাৰ কলং নৈৰ পাৰৰ ফুলগুৰিত ১৮৬১ চনৰ, ১৮ অক্টোবৰত এই বিদ্ৰোহ সংঘটিত হৈছিল। কোনো নেতৃত্ব অবিহনেই জিলাখনৰ বিভিন্ন অঞ্চলৰ পৰা স্বতঃস্ফূৰ্ত ভাবে ওলাই অহা ৰাইজে সংঘটিত কৰা এই বিদ্ৰোহে অসমত কৃষক বিদ্ৰোহৰ পাতনি মেলিছিল। সেইসময়ৰ ভাৰতীয় জনসাধাৰণৰ ওপৰত ঔপনিৱেশিক বৃটিছ চৰকাৰে সকলো দিশতে জোৰ-জুলুমকৈ জাপি দিয়া ক'লা আইন সমূহৰ আওঁতাৰে সাধাৰণ জনতাক শোষণ আৰু নিস্পেষণৰ যি মন্ত্ৰণা কৰিছিল, তাৰ বিৰুদ্ধে অসংগঠিত ৰূপত বিদ্ৰোহৰ উকমুকনি এটা জনসাধাৰণৰ মাজত সংগোপনে থিতাপি লৈছিল। ইয়াৰ ফলশ্ৰুতিতেই ১৮৯৪ চনত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ কু-শাসনৰ বিৰুদ্ধে এক ঐতিহাসিক কৃষক বিদ্ৰোহ দৰং জিলাৰ পথৰুঘাট (বৰ্তমানৰ পাথেৰিঘাট) অঞ্চলত সংঘটিত হৈছিল। মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত কৃষক ৰাইজে আয়োজন কৰা প্ৰতিবাদী সভাত বৃটিছ আৰক্ষী বিষয়াৰ নিৰ্বিচাৰ গুলী চালনাত শতাধিক কৃষক নিহত হৈছিল। বিদ্ৰোহৰ এই স্ফুলিংগই এটা সময়ত দাবানলৰ ৰূপ লৈছিল। নিস্পেষিত জনতাৰ কণ্ঠ বাকৰুদ্ধ কৰিব বিচৰা বৃটিছৰ কু-শাসনৰ বিৰুদ্ধে স্বতঃস্ফূৰ্ত ভাবে জনতা ৰাজপথলৈ ওলাই আহিছিল। বিদ্ৰোহ লাহে লাহে বিপ্লৱৰ ৰূপ লৈছিল। প্ৰতিজন মানুহৰ মনত "কৰা অথবা মৰা" এই আপ্ত কথা শাৰী যেন পৰাধীনতা শৃংখল চিঙাৰ এক প্ৰেৰণা হৈ পৰিছিল।

১৩ এপ্ৰিল, ১৯১৯ চন। জেনেৰেল ডায়াৰৰ নেতৃত্বত বৃটিছ সৈন্যই ভাৰতৰ পাঞ্জাৱ প্ৰদেশৰ অমৃতসৰৰ জালিৱানাৱালাবাগত স্বাধীনতা পিয়াসী পুৰুষ, মহিলা, শিশু সকলৰ ওপৰত যি অমানুষিক হত্যাকাণ্ড চলালে, ইতিহাসৰ সেই ক'লা অধ্যায় আজিও প্ৰতিগৰাকী ভাৰতীয়ৰ তেজৰ কোঁহে কোঁহে প্ৰবাহিত হৈ আছে। এই ৰক্তপাতৰ ঘটনাত কিমানজনৰ মৃত্যু হ'ল, সেয়া নিশ্চিত নহয় যদিও চৰকাৰী প্ৰতিবেদন অনুসৰি প্ৰায় ৩৭৯জন নিহত আৰু ১২০০জন আহত হয়। পৰাধীন ভাৰতৰ এই কলংকিত অধ্যায়ৰ লগে লগে দেশজুৰি বৃটিছ শাসনৰ বিৰুদ্ধে সমগ্ৰ দেশৰ লগতে অসমৰ মুক্তিকামী জনতায়ো অসীম বীৰত্বৰে এই আন্দোলনত ভাগ লয়। সমগ্ৰ দেশতে প্ৰায় দুশৰো অধিক ধৰ্মঘটৰ স'তে জড়িত উদ্যোগিক অশান্তিৰ প্ৰতি লক্ষ্য ৰাখি মহাত্মা গান্ধীয়ে অহিংস অসহযোগ আন্দোলন আৰম্ভ কৰাৰ সিদ্ধান্ত লয় আৰু ইয়াক বৃটিছ ৰাজৰ বিৰুদ্ধে বৃটিছ বিৰোধী আন্দোলনলৈ ৰূপান্তৰিত কৰে। স্ব-ৰাজৰ লক্ষ্যত উপনীত হ'বলৈ ৰাইজৰ প্ৰতি জনোৱা আহ্বানক সঁহাৰি জনাই চৰকাৰ সমৰ্থিত বিদ্যালয় মহাবিদ্যালয় বৰ্জন, আইন আদালতত আইনী প্ৰক্ৰিয়া স্থগিত ৰখা, বিদেশী সামগ্ৰী বৰ্জন কৰা আদি কাৰ্যসূচী সমূহত ৰাইজৰ স্বতঃস্ফূৰ্ত সহযোগে আন্দোলনৰ পৰিধি বিশাল কৰি তোলে। এইক্ষেত্ৰত অসমো পিছপৰি থকা নাছিল। বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে অসমতো অসহযোগ আন্দোলনৰ ধাৰণা, প্ৰচাৰ আৰু প্ৰসাৰ হয়। সজাগতা বৃদ্ধি পাই। অসহযোগ আন্দোলনৰ ধাৰণাটোৱে কম সময়ৰ ভিতৰতে অসমৰ প্ৰতিটো চুকে-কোণে বিস্তাৰ লাভ কৰে। আন্দোলনৰ সমৰ্থনত শিৱসাগৰৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে মাচুল দিবলৈ অস্বীকাৰ কৰে, মঙলদৈৰ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰে। অসহযোগীসকলে কেইবাখনো বৈঠক অনুষ্ঠিত কৰি লৰ্ড-চেমচফৰ্ডৰ প্ৰস্তাৱিত ভ্ৰমণৰ আদৰণি জনোৱা সকলো অনুষ্ঠান বৰ্জন কৰাৰ সিদ্ধান্ত লয়। অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱক সকলৰ বেছিভাগেই গঠনমূলক কাৰ্যসূচীত সক্ৰিয় হৈ পৰে। আফিং নিষেধাজ্ঞাৰ অভিযান, হৰতাল, সভা-সমিতি, শোভাযাত্ৰা, বিদেশী সামগ্ৰী বৰ্জন, খাদীৰ প্ৰচাৰ আৰু পিকেটিং আদি কাৰ্যসূচী সমূহৰ চহৰ গ্ৰামাঞ্চল উভয়তে নিয়মীয়া বৈশিষ্ট্য হৈ পৰে। ফলত সমগ্ৰ অসমতে অসহযোগ আন্দোলনে এক ব্যাপক প্ৰসাৰ লাভ কৰে। বহু কেইগৰাকী চিন্তা নায়কৰ সু-চিন্তিত নীতি নিৰ্ধাৰণ আৰু নেতৃত্বই সংগ্ৰামখনক এক বিশেষ মাত্ৰা প্ৰদান কৰে। স্বাভিমানী অসমীয়া ৰাইজৰ বৈপ্লৱিক চিন্তাধাৰাই সংগ্ৰামখনৰ সফলতাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ কোনো প্ৰান্ততকৈ কম নাছিল। স্বাধীনতাৰ ৰ'দ কাঁচিয়লিত উত্তাপিত অসমীয়া আবাল-বৃদ্ধ, বনিতাৰ স্বতঃস্ফূৰ্ত সঁহাৰিত স্বাধীনতা সংগ্ৰামৰ সোণালী ইতিহাস ৰচিত হৈছিল।

# স্বাধীনতা দিৱসৰ কিছু চিন্তা



সংকল্পজিৎ শইকীয়া

"মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ মোৰ দেশ।
মোৰ প্ৰতিটো কামে, মোৰ প্ৰতিটো চিন্তাই এই দেশৰ বুকুত ৰচে
শইচ-সোণোৱালী ভৱিষ্যতৰ সপোন। মোৰ জীৱনৰ আঁহে আঁহে
মোৰ যৌৱনৰ কোঁহে কোঁহে সেই সপোনৰ কলৰোল।"

— হীৰেণ ভট্টাচাৰ্য্য

হীৰুদাৰ উক্ত কবিতাটিয়ে আমাৰ প্ৰত্যেকৰে প্ৰাণত সঞ্চিত কৰি তোলে অগাধ দেশপ্ৰেমৰ অপৰিসীম শক্তি। তেখেতৰ কাব্যৰসৰ প্ৰতি খোজত আমি দেশৰ প্ৰতি আৱেগ ধৰিব পাৰোঁ। নিজৰ দেশখনৰ প্ৰতি আপোনত্বৰ শিকলিৰে আমি কিদৰে বান্ধ খাওঁ? দবাচলতে যেতিয়া কোনোবা বিদেশী শক্তিৰ ক্ৰুৰ হাতত ককবকাই আমি দাসত্বৰ জীৱন কটাওঁ তেতিয়াই আমাৰ শৰীৰ আৰু পৰাণত জাগ্ৰত অভ্যুদয়ী নৱচেতনাৰ ৰূপ আৰু সেই নৱচেতনাৰ ৰস আমি ভাৰতবাসীয়ে প্ৰথমবাৰৰ বাবে হয়তো অনুভৱ কৰিব পাৰিছিলোঁ সেই ক্ষণত যেতিয়া ব্ৰিটিছে পৰাধীনতাৰ শিকলিৰে আমাক বান্ধি ৰাখিছিল আৰু আমি স্বাধীনতাৰ দিশলৈ মূৰ কৰিবলৈ আকাংক্ষী হৈ পৰিছিলোঁ। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্য অসমে এক সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে প্ৰতিৰোধৰ ইতিহাস গৌৰৱান্বিত কৰে। ৰাজ্যখনৰ সুকীয়া ভৌগোলিক অৱস্থানে স্বাধীনতা আন্দোলনত জড়িত হোৱাৰ বাবে এক অনন্য পটভূমি প্ৰদান কৰিছিল। অসম ইয়াৰ বিভিন্ন জনসংখ্যাৰ বাবে জনাজাত আছিল, যাৰ ভিতৰত আছে বিভিন্ন থলুৱা সম্প্ৰদায়, আৰু অঞ্চলটোৰ সামাজিক-ৰাজনৈতিক গতিশীলতাই স্বাধীনতাৰ সংগ্ৰামত জটিলতাৰ স্তৰ যোগ দিছিল।



১৯৪৭ চনৰ ১৫ আগষ্ট। প্ৰকৃতাৰ্থত এই দিনটোৰ কথা আমি যদি ক'বলৈ যাওঁ তেন্তে ভাৰতবৰ্ষই মূৰ তুলি আকাশ চোৱাৰ পটভূমি ৰচা এইদিনটোৱেই দেশৰ ইতিহাসৰ সৰ্বশ্ৰেষ্ঠ দিন। ভাৰতীয় ৰাজনীতি, ভাৰতীয় বুৰঞ্জী আৰু ভাৰতীয় নৃতত্ত্বৰ দৰে থিয়'ৰীটিকেল বিষয়সমূহ আঁতৰ কৰিও আমি এইষাৰ ক'ব পাৰোঁ যে স্বাধীনতা আন্দোলনৰ আৱেগিক উন্মাদনাৰ লগত সেইসময়ত জড়িত আছিল সামাজিক চেতনা। লোকসমাজৰ জীৱন-চেতনাৰ লগত একাত্ম হৈ পৰা মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বাধীনতা সংগ্ৰামে আলোড়িত জনসমুদায়ৰ পৰাণ। যিখিনি সময়ত ভাৰতত স্বাধীনতা আন্দোলনৰ জয়গান গোৱা হৈছিল। একেখিনি সময়তে এছিয়া আৰু আফ্ৰিকাৰ পিছপৰি থকা দেশবোৰে উপনিৱেশিকতাবাদী শক্তিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিলে। তেওঁলোকৰ মনত স্বাধীনতাৰ ভাৱাৱেগে জগাই তুলিছিল তীব্ৰতম উন্মাদনা। যি পশ্চিমীয়া শক্তিৰ হিংস্ৰ উন্মাদনাই নিঃস্ব কৰিব বিচাৰিছিল বিভিন্ন দুখীয়া দেশৰ বাসিন্দাক। তেনে অৱস্থাত উপনিৱেশিকতাবাদী শক্তিৰ শিকলি খুলিবলৈ উঠিপৰি লাগিছিল। কংগোৰ পেট্ৰিছ লুমুম্বা, আলজিৰিয়াৰ আহমেদ বেনবেল্লা, ইণ্ডোনেছিয়াৰ মহম্মদ হাটা, ভিয়েটনামৰ নগুয়েন গিয়াপ ইত্যাদিৰ নেতৃত্বত বিষাদমগ্ন দেশে স্বাধীনতাৰ দিশে আগবঢ়াৰ প্ৰয়াস কৰিছিল।

ভাৰতবৰ্ষই কেনেদৰে স্বাধীনতা পালে? সেইখিনিৰ দিশলৈ নগৈ স্বাধীনতাৰ পৰা ভাৰতে কি শিকিলে তাক লৈ আলোকপাত কৰিব পাৰোঁ। পোনপ্ৰথমে ধনবল, বাহুবলেৰে সমৃদ্ধ এটা বিশ্বজয়ী জাতিকো তুচ্ছ দেশ এখনৰ সাধাৰণ জনতাই খেদি পঠাব পাৰে যদিহে সঁচা অৰ্থত নিৰ্ভেজাল দেশপ্ৰেম আৰু কৰ্মঠ বাহুবল। ইয়াৰ বাবে কোনোধৰণৰ হিংস্ৰনীতি অৱলম্বন কৰাৰো বিশেষ প্ৰয়োজনীয়তা নাই। অন্যান্য ৰাষ্ট্ৰসমূহত যদিওবা সশস্ত্ৰ যুদ্ধ কৰি তেওঁলোকে স্বাধীনতা লাভ কৰিছে। আমাৰ দেশে কিন্তু অহিংসাৰ দ্বাৰাই স্বাধীনতা লভিবলৈ সমৰ্থ হয়। ভাৰতীয় জনসমাজে হিংসাৰ আশ্ৰয় নোলোৱাকৈ সঠিক আৰু সাৱলীল গণ আন্দোলনেৰে বৃটিছক খেদিবলৈ সমৰ্থ হ'ল।

ভাৰতীয় স্বাধীনতা সংগ্ৰামে এই কথা শিকাই যে নিৰ্ভেজাল দেশপ্ৰেমে সফলতা আনি দিয়ে। যি দেশৰ দেশবাসীয়ে বিশুদ্ধ অন্তঃকৰণেৰে নিজৰ দেশৰ সফলতাৰ দিশত অগ্ৰসৰ হয়, সেই দেশ সেই জাতি কেতিয়াও পৰ পদানত হৈ থাকিব নোৱাৰে। স্বাধীনতা সংগ্ৰামে সেইহে আমাক ত্যাগ শিকায়, যুঁজ শিকায় আৰু প্ৰচুৰ অন্যায়-অবিচাৰৰ বলি হৈয়ো দেশমাতৃৰ সৌন্দৰ্য্যৰে হৃদয়ৰ তৃষা দূৰ কৰাৰ বাবে শিক্ষা প্ৰদান কৰে। প্ৰকৃত অৰ্থত দেশপ্ৰেমৰ জলমল ভাৱাৱেগে আমাক একতাৰে এক ভাৰত হিচাপে গঢ়ি উঠাৰ প্ৰেৰণা প্ৰদান কৰিলে।

বৰ্তমান স্বাধীনতাৰ ৭৭ বছৰ পাৰ হৈ গ'ল। কিন্তু স্বাধীনতা সংগ্ৰামৰ সত্তাটোৱে যি তীব্ৰতম ভাৱানুৰাগ আমাক শিকাই থৈ গ'ল প্ৰকৃতাৰ্থত আমি সেই শিক্ষা ল'ব পাৰিলোঁনে? এককথাত ক'বলৈ গ'লে নাইপৰা। কাৰণ স্বাধীনতাৰ পিছৰ অৱস্থাৰ পৰা ভাৰতৰ অৱস্থা ৰামৰাজ্য হৈ পৰা নাই। বৰঞ্চ দেশখন ক্ৰমাৎ বেয়া অৱস্থাৰে পৰিপূৰ্ণ হৈ পৰিছে। য'ত স্বাধীনতা সংগ্ৰামে আমাক একতাৰ বাণী শিকাইছিল, তেনে এখন দেশতেই বৰ্তমান চৌদিশে ক্ষোভ আৰু হতাশাত হৃদয় চূৰ্ণ কৰি দেশৰ ভিন্ন প্ৰান্তে প্ৰান্তে অনবৰতে বিচ্ছিন্নতাবাদৰ আখ্যান। চুকে-কোণে বিচ্ছিন্নতাবাদৰ দাবীৰে সশস্ত্ৰ সংগ্ৰাম। আমি বিচাৰোঁ যে দেশীয় একতাৰ মাজত আঞ্চলিকতাবাদী চিন্তা এটায়ো পোখা মেলক আৰু সেই আঞ্চলিকতাবাদী চিন্তাধাৰা কেতিয়াও বিচ্ছিন্নতাবাদ নহওক। স্বাধীনতা সংগ্ৰামৰ প্ৰকৃত শিক্ষা আমি তেতিয়াহে অৰ্জন কৰিম যেতিয়া প্ৰকৃতাৰ্থত আমি একতাৰ বাণীৰে বিভেদ পৰিহৰি সঁচা অৰ্থত সমিলমিলে আৰু সহমৰ্মিতা-সহযোগিতাৰে এখন সপোনৰ জন্মভূমি গঢ়ি তুলিম আৰু বুকু ফিন্দাই ক'ম- "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।"

## হে মুক্তিযোদ্ধা প্ৰণামো তোমাক

✍ দিগন্ত বাইলুং

বগা বঙালৰ
অমানুষিক অত্যাচাৰত
বহু গৰাকী হৈছিল বিধৱা;

সহস্ৰ শিশু
হৈছিল পিতৃ-মাতৃহীন,

আঘাতপ্ৰাপ্ত, কাৰাবাস
এই শব্দবিলাক
হৈ পৰিছিল সচৰাচৰ।

পুত্ৰ-বোৱাৰীক হেৰুৱাই
দোষত কুলাই-পাচিৰে
নধৰা হৈছিল পিতৃ-মাতৃৰ।

স্বদেশ আৰু স্বজাতিৰ বাবে
স্বাভিমানী দেশ মাতৃৰ সন্তানে
হাঁহি হাঁহি দিছিল জীৱন দান।

হে মুক্তিযোদ্ধা প্ৰণামো তোমাক
তুমি আমাৰ আদৰ্শ
নৱ প্ৰজন্মৰ প্ৰেৰণাৰ প্ৰতীক।।

## হেঁপাহৰ স্বাধীনতা

**দিলীপ কুমাৰ ভট্টাচাৰ্য**

১৫ আগষ্ট। স্বাধীনতা দিৱস। এই দিনটো প্ৰতিজন ভাৰতীয়ৰ বাবে উছাহৰ দিন, আনন্দৰ দিন। ত্ৰিৰংগ পতাকাক সন্মান জনোৱাৰ দিন। ত্ৰিৰংগাৰ তলত সমবেত হোৱাৰ দিন। ভাৰতীয় মানুহৰ দেশপ্ৰেমৰ বহিৰ্প্ৰকাশ ঘটে এই দিনটোতে। দুশ বছৰীয়া ব্ৰিটিছ শাসন ওফৰাবলৈ পৰ্যায়ক্ৰমে হোৱা আন্দোলনত ভাগ লৈ যিসকলে পুলিচী নিৰ্যাতন, জে'ল-জৰিমনাৰ সন্মুখীন হ'ল, জীৱন আহুতি দিবলগীয়া হ'ল, সেইসকলক সোঁৱৰাৰ দিন, শ্ৰদ্ধা তৰ্পণ কৰাৰ দিন। নোপোৱাৰ বেদনা থাকিলেও আজিৰ দিনটোত সেয়া হৈ পৰে গৌণ। নোপোৱাৰ বেদনাৰে সিক্তসকলেও এই কথা জানে যে যিসকলৰ কষ্ট আৰু ত্যাগৰ বিনিময়ত দেশখনে স্বাধীনতা লাভ কৰিলে, সেইসকলৰ দেশপ্ৰেমৰ তুলনা নাই, ত্যাগ তুলনাবিহীন। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম (১৮৮৫) স্বাধীনতা আন্দোলনৰ বুৰঞ্জীত এটা উল্লেখযোগ্য ঘটনা। ভাৰতীয় মানুহৰ স্বাধীনতাৰ আকাংক্ষা এই অনুষ্ঠানৰ জৰিয়তে প্ৰতিফলিত হ'বলৈ ধৰিলে। বিশেষকৈ গান্ধীজীৰ কংগ্ৰেছত যোগদানে কংগ্ৰেছক জনপ্ৰিয় অনুষ্ঠানত পৰিণত কৰিলে। গান্ধীজীৰ প্ৰতি থকা ৰাজহুৱা প্ৰত্যয়ৰ বাবেই গান্ধীজী হৈ পৰিল কংগ্ৰেছৰ অবিসংবাদী নেতা। গান্ধীজীয়ে ভাৰতৰ ঐতিহ্য আৰু পৰম্পৰাৰ লগত সংগতি ৰাখি মুক্তিকামী জনতাৰ হাতত তুলি দিছিল অহিংসাৰ অমোঘ অস্ত্ৰ - সত্যাগ্ৰহ, অসহযোগ আৰু আইন অমান্য...।

দেশে স্বাধীনতা লাভ কৰাও আজি তিনি কুৰি ওঠৰ বছৰ পাৰ হ'ল। দেশ এখন নিৰ্মাণ অথবা পুনৰ্নিৰ্মাণৰ বাবে এয়া নিশ্চয় কম সময় নহয়। সৰ্বসাধাৰণ জনসাধাৰণে ভাবিছিল যে দেশলৈ স্বাধীনতা আহিলে তেওঁলোকৰ দুখ-দুৰ্দশাৰ অন্ত পৰিব। ব্ৰিটিছে লগোৱা অত্যধিক কৰ-কাটলৰ পৰা তেওঁলোকে ৰেহাই পাব। অন্ততঃ দুবেলা দুমুঠি খাবলৈ পাব আৰু শান্তিৰে জীয়াই থাকিব পাৰিব। সেইবাবেই বিয়াল্লিছৰ আন্দোলনত দেশখনৰ ইমূৰৰ পৰা সিমূৰলৈ সৰ্বস্তৰৰ লোকে অংশগ্ৰহণ কৰিছিল; স্বৰূপাৰ্থত এক গণবিপ্লৱৰ সৃষ্টি হৈছিল। সেই জনজাগৰণে ব্ৰিটিছ শাসকৰ বুকু কঁপাই তুলিছিল আৰু ফলত ভাৰতবৰ্ষক স্বাধীনতা দিবলৈ বাধ্য হৈছিল। ভবা হৈছিল, দেশীয় শাসকে দেশখনৰ আমূল পৰিৱৰ্তন সাধিব। কিন্তু সেয়া হ'লনে? বিগত ৭৮ বছৰত দেশখনত উন্নয়নমূলক কাম নোহোৱাকৈ থকা নাই। কিন্তু সেই উন্নয়নে সকলো অঞ্চল, সমাজৰ সৰ্বস্তৰৰ লোকক সামৰি ল'ব পৰা নাই। মৌলিক সমস্যাবোৰ সমস্যা হৈয়ে থাকিল। অন্ন-বস্ত্ৰ-বাসস্থান, শিক্ষা-স্বাস্থ্য-কৃষিৰ সমস্যাৰে সৰ্বসাধাৰণ জৰ্জৰিত। ধনী-দুখীয়াৰ ব্যৱধান দিনক দিনে বাঢ়িহে গৈছে। ধনী-দুখীয়াৰ ব্যৱধান বৃদ্ধি পোৱা কথাটো সিদিনা এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়েও স্বীকাৰ কৰিছে। আন্তৰ্জাতিক সন্থা বাৰ্নষ্টেইনৰ শেহতীয়া প্ৰতিবেদনতো প্ৰকাশ পাইছে যে ভাৰতৰ মুঠ সম্পদৰ ৬০ শতাংশ কেৱল ১ শতাংশ পৰয়ালৰ হাতত কেন্দ্ৰীভূত হৈছে। বৈষম্যৰ ছবিখন অধিক ভয়াবহ হৈ পৰিলে গণতান্ত্ৰিক ব্যৱস্থাটো টিকি থাকিবনে? নীতি নিৰ্ধাৰণৰ ক্ষমতা যিসকলৰ হাতত ন্যস্ত, সেইসকলে কথাবোৰ চিন্তা নকৰিলে কোনে কৰিব?

নোপোৱাৰ বেদনা, খং-ক্ষোভ থাকিলেও জনসাধাৰণে স্বাধীনতা দিৱস পালন কৰিবই। কাৰণ এই দিৱস হেঁপাহৰ দিৱস। যাৰ সৈতে সংপৃক্ত হৈ আছে অগণন স্বাধীনতা সেনানীৰ নিষ্ঠা, সততা, ত্যাগ, স্বপ্ন আৰু নিৰ্ভেজাল দেশপ্ৰেম।

# বৰপেটাৰ মন্দিয়া বি.এফ.পি.এচ.-ৰ অধীনস্থ নদীপৰীয়া অঞ্চলসমূহৰ কেইবাটাও স্বাস্থ্য প্ৰতিষ্ঠান আৰু সেৱা কেন্দ্ৰ পৰিদৰ্শন জিলা আয়ুক্তই

**অসম বাৰ্তা, বাঘবৰ, ১৪ আগষ্ট ঃ** বৰপেটা জিলাৰ মন্দিয়া বি এফ পি এচ চিৰ অধীনস্থ পুৰণি বাঘবৰ সমষ্টিৰ বৃহত্তৰ চহৰাঞ্চলৰ নদীপৰীয়া অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ গুণগত মান আৰু লাভলাভ নিশ্চিতকৰণৰ লক্ষ্যে জিলা আয়ুক্তে আজি এক বিশেষ পৰিদৰ্শন কৰে। দুৰ্গম চৰাঞ্চলসমূহত স্বাস্থ্য সেৱাৰ প্ৰৱেশাধিকাৰ, চিকিৎসা কৰ্মচাৰী উপস্থিতি, চিকিৎসা সামগ্ৰী মজুত আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ অৱস্থা বুজি পোৱাৰ উদ্দেশ্যে আয়োজিত এই পৰিদৰ্শনত বহু স্বাস্থ্য প্ৰতিষ্ঠান আৰু সেৱা কেন্দ্ৰ অন্তৰ্ভুক্ত হয়। পৰিদৰ্শনৰ আৰম্ভণি হয় সৰগাঁও চৰৰ বোট ক্লিনিক স্বাস্থ্য শিবিৰৰ পৰা। অত্যন্ত দুৰ্গম আৰু বানপানীত প্ৰভাৱিত এই চৰত অনুষ্ঠিত শিবিৰত মাতৃ আৰু শিশু স্বাস্থ্য সেৱা, প্ৰতিষেধক, এএনচি/পিএনচি পৰীক্ষা আৰু সাধাৰণ চিকিৎসা সেৱা চলি থকা দেখা যায়। ডাক্তৰ, নাৰ্চ আৰু আশা কৰ্মচাৰীসকল ৰোগী পৰীক্ষা আৰু ঔষধ বিতৰণত ব্যস্ত দেখা যায়। তদুপৰি, আলোপাতি চৰ এমপিএইচচিত (মিনি পি এইচ চি) কৰ্মচাৰী উপস্থিতি, চিকিৎসা সামগ্ৰী মজুত, প্ৰয়োজনীয় সঁজুলি-সামগ্ৰীৰ প্ৰস্তুতি আদিৰ বিষয় পৰীক্ষণ কৰে জিলা আয়ুক্তে। পশ্চিম বাঘমৰা উপ-কেন্দ্ৰ (উপ কেন্দ্ৰ)-ত অনুষ্ঠিত ভি এইচ এন ডি (গাঁও স্বাস্থ্য পুষ্টি দিৱস) কাৰ্যকলাপ, গাঁওবাসীৰ অংশগ্ৰহণ আৰু পৰিকাঠামোগত সুবিধাসমূহও তেওঁ পৰ্যালোচনা কৰে। ভাটনাপাইতি আয়ুষ্মান আৰোগ্য মন্দিৰ (আম)-ত আয়ুক্তই প্ৰসৱৰ সেৱা, মাতৃ-শিশু যত্নৰ ব্যৱস্থা আৰু স্বাস্থ্যকৰ্মীৰ উপস্থিতি মূল্যাংকন কৰে। লগতে, বাঘমৰা নদীপৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত (আৰ পি এইচ চি) নিয়মিত সেৱা আৱৰণ, দৈনিক ৰোগী উপস্থিতি আৰু সহায়ক পৰ্যবেক্ষণ ব্যৱস্থাৰ খোঁজখবৰ লয়। পৰিদৰ্শনৰ অন্তত জিলা আয়ুক্তে দুৰ্গম অঞ্চলৰ স্বাস্থ্যকৰ্মীসকলৰ নিষ্ঠা আৰু পৰিসেৱাৰ প্ৰশংসা কৰে। তেওঁ চৰ আৰু বানপানী প্ৰভাৱিত অঞ্চলসমূহত অবিচ্ছিন্ন আৰু একেঠাৰীয়া স্বাস্থ্য সেৱা প্ৰদানৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি, সকলো স্বাস্থ্যকৰ্মীক এই ক্ষেত্ৰত একাগ্ৰচিত্তে কাম কৰি যাবলৈ আহ্বান জনায়। এই পৰিদৰ্শনেই নদীপৰীয়া অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ মান উন্নয়ন আৰু জনসাধাৰণৰ জীৱনমান বৃদ্ধিৰ ক্ষেত্ৰত এক ইতিবাচক পদক্ষেপ হিচাপে গণ্য কৰা হৈছে।

# মৰিগাঁৱত চাইকেল ৰেলী আৰু পদযাত্ৰা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৪ আগষ্ট ঃ** আগন্তুক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত আজি মৰিগাঁও জিলাত "হৰ ঘৰ ত্ৰিৰংগা" কাৰ্যসূচীৰ অংশ হিচাপে অতি উৎসাহ-উদ্দীপনাৰে এক বিশাল চাইকেল ৰেলী আৰু পদযাত্ৰা অনুষ্ঠিত কৰা হয়। প্ৰথম পৰ্যায়ত জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা ক্ৰীড়া বিষয়াৰ কাৰ্য্যালয়ৰ লগতে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ সহযোগত চাৰণ বিলৰ পৰা তৰুণ ৰাম ফুকন খেলপথাৰলৈ চাইকেল ৰেলী আয়োজন কৰা হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এই ৰেলীৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰা আৰু জাগীৰোড সম জিলা আয়ুক্ত হৃদয় কুমাৰ দাস উপস্থিত থাকে। ইয়াৰ পৰৱৰ্তী সময়ত মৰিগাঁও আৰক্ষীৰ সৌজন্যত তৰুণ ৰাম ফুকন খেলপথালৰ পৰা মৰিগাঁও আৰক্ষী নিৰেশলৈ এক পদযাত্ৰা অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে এই পদযাত্ৰাৰ নেতৃত্ব দিয়ে। এই কাৰ্যসূচীত জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনন্ত কুমাৰ গগৈ, অতিৰিক্ত জিলা আয়ুক্ত অনুসুয়া শৰ্মা আৰু নীতিশা বৰা, চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসহ জিলাখনৰ অন্যান্য বিষয়ববীয়াসকলে এই পদযাত্ৰাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলাৰ তালাপত উত্তপ্ত পৰিস্থিতি এগৰাকী খিলঞ্জীয়া ভূমিপুত্ৰ তথা ডেলিভাৰী যুৱকক আক্ৰমণ অনা অসমীয়া মুছলমান যুৱকৰ তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত তালাপ টেঙাগাঁৱত খিলঞ্জীয়া ডেলিভাৰী কৰি কৰ্ম কৰা যুৱকক চোৰ সজোৱাৰ অপচেষ্টা। তালাপ আৰক্ষী চকীৰ অন্তৰ্গত টেঙাগাঁৱত পাৰ্চেল দিবলৈ যোৱা তালাপ বেতনী গাঁৱৰ প্ৰণৱজ্যোতি মৰাণ নামৰ ডেলিভাৰী বয় গৰাকীক আক্ৰমণ কৰে নৌচাদ হুছেইন ওৰফে নাজিৰে। নৌচাদ হুছেইন ওৰফে নাজিৰৰ পত্নী নামত থকা পাৰ্চেল প্ৰদান কৰিবলৈ যোৱাৰ পাছত পাৰ্চেল গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি নৌচাদ হুছেইন ওৰফে নাজিৰে আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী যুৱক জনে। আৰক্ষীক অভিযোগ দিবলৈ যোৱাৰ সময়ত আৰক্ষী চকীৰ সমীপতে পুনৰ নৌচাদ হুছেইন ওৰফে নাজিৰৰ ভাতৃ নাচিৰ হুছেইনে প্ৰণৱজ্যোতি মৰাণ নামৰ যুৱক গৰাকীক চোকা অস্ত্ৰৰে আক্ৰমণৰ অপচেষ্টা চলোৱাৰ আভিযোগ উঠিছে। ঘটনাক কেন্দ্ৰ কৰি তালাপত কেইবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতা-কৰ্মী উপস্থিত হৈ দোষীক কৰায়ত্ত কৰাৰ দাবী তোলে। ইয়াৰ পিছতে দল সংগঠনৰ কৰ্মকৰ্তা সকলে খেদি খেদি নাচিৰ হুছেইনক আটক কৰি আৰক্ষীক গটাই দিয়ে। বৰ্তমানও উত্তাল হৈ আছে তালাপ আৰক্ষী চকীৰ চৌহদৰ পৰিৱেশ। উজনি অসমত মিঞা বিৰোধী অভিযানৰ সময়তে তিনিচুকীয়াৰ তালাপত এগৰাকী খিলঞ্জীয়া ভূমিপুত্ৰ যুৱকে অনা অসমীয়া মুছলমান যুৱকৰ আক্ৰমণৰ বলি হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মৰাণ ছাত্ৰ সন্থা আৰু বীৰ লাচিত সেনাৰ বিষয়ববীয়াই।

## কামপুৰ মহাবিদ্যালয়ত নামভৰ্তি সম্পৰ্কীয় সজাগতা সভা

**অসম বাৰ্তা, কামপুৰ, ১৪ আগষ্ট ঃ** কামপুৰ মহাবিদ্যালয়ত আজি কৃলকান্ত সন্ধিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় সন্ধৰ্ভত এখনি গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। নামভৰ্তি, পাঠ্যক্ৰম আৰু অন্যান্য দিশ সম্পৰ্কীয় সজাগত সভাখন কামপুৰ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। এই সজাগতা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অসীম বৰাই। শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপিকা পাৰুল ভূঞাই আঁত ধৰা সজাগতা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে কৃষকান্ত সন্ধিকৈ মুক্ত বিশ্ব বিদ্যালয়ৰ কামপুৰ মহাবিদ্যালয় শাখাৰ সমন্বয়ক দেবাশীষ শইকীয়াই। সভাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়খনৰ অধ্যাপক এন, এন, শৰ্মা আৰু সহকাৰী অধ্যাপিকা ড° ইন্দ্ৰানী কলিতা। সভাখনত বিশ্ব বিদ্যালয়ৰ নতুন নামভৰ্তি আৰু শিক্ষাৰ্থীসকলৰ কৰণীয় সন্দৰ্ভত বিতংকৈ আলোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মত বিনিময় অনুষ্ঠানো অনুষ্ঠিত হয়। এই সজাগতা সভাত মহাবিদ্যালয় খনৰ অধ্যাপক-অধ্যাপিকা ৰিজু লস্কৰ, ড° ৰুবী দত্ত ড° নুৰুল হাছান ড° মণ্টু চেতীয়া, বিনোদ বৰা, বনশ্ৰী দেবী, ভূপেন শৰ্মা, ৰাজশ্ৰী লস্কৰ, প্লাৱিকা লস্কৰ, প্ৰিয়ংকা বৰাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা স্থানীয় সচেতন ৰাইজ উপস্থিত থাকে।

## টংলাত উপেন্দ্ৰ নাথ দাস আৰু পদ্মৰাম চৌধুৰী সোঁৱৰণী ফুটবলত খোখাবস্তি বীৰছা এফচি চূড়ান্ত বিজয়ীৰ খিতাপ

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৪ আগষ্ট ঃ** ওদালগুৰি জিলাৰ টংলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজি অনুষ্ঠিত উপেন্দ্ৰ নাথ দাস আৰু পদ্ম ৰাম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত খোখাবস্তি বীৰছা মুণ্ডা এফ চিয়ে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। টংলা ষ্টেডিয়ামত ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া দুৰ্গা কিংকৰ শৰ্মা আৰু সমাজকৰ্মী ৰবীন্দ্ৰ বড়োই উদ্বোধন কৰা তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত নিৰ্ধাৰিত সময়লৈকে খোখাবস্তি বীৰছা এফ চি আৰু কলাইগাঁও বড়োফা এফচিৰ মাজত ১ -১ হৈ থাকে যদিও ট্ৰাইবেকাৰ পদ্ধতিৰ সহায়ত খোখাবস্তি বীৰছা এফ চিয়ে ৭ -৬ গ'লৰ ব্যৱধানত বড়োফা এফ চিক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। বিজয়ী দলক ট্ৰফীসহ নগদ ধন প্ৰদান কৰে সমাজ সেৱক নেৰ খাং খাখলাৰীয়ে আৰু ৰাণাৰ্ছ আপ দলক মহকুমা ক্ৰীড়া বিষয়া ভূপেন ৰাভাই ট্ৰফীসহ নগদ ধন প্ৰদান কৰে। বিকাশ শৰণীয়া, হৃষিকেশ বাগলাৰী, কৃষ্ণ বড়ো আৰু বৰুণ বড়োই পৰিচালনা কৰা খেলত ট্ৰফী দাতা বিশিষ্ট চিকিৎসক অৰুনী চৌধুৰী, টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়া, উপ সভাপতি কন্দৰ্প বড়ো, সম্পাদক ভাৰত চন্দ্ৰ ৰাভা, ছাত্ৰ নেতা চিন্তমনি চক্ৰৱৰ্তী, প্ৰণয় শৰ্মা, আন্তৰাষ্ট্ৰীয় কাবাডী ৰেফাৰী নমল ৰাভা, সমাজ সেৱক জিতেন বসুমতাৰী প্ৰমুখ্যে বিশিষ্ট অতিথি উপস্থিত থাকে।

**বিজেপিৰ দখলত বজালী জিলা পৰিষদ, হতাশাগ্ৰস্ত অসম গণ পৰিষদৰ কৰ্মকৰ্তা**

# গঠন হ'ল বজালী জিলা পৰিষদ

**অসম বাৰ্তা, পাঠশালা, ১৪ আগষ্ট ঃ** পাঁচটা জিলা পৰিষদ সমষ্টিৰে পূৰ্ণ বজালী জিলা পৰিষদ আজি আনুষ্ঠানিকভাৱে গঠন হয়। উল্লেখযোগ্যযে বজালী জিলা পৰিষদৰ নিৰ্বাচনত বিজেপিৰ দুগৰাকী অগপৰ দুগৰাকী আৰু এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে জয়লাভ কৰিছিল। যোৱা ৬ আগষ্টত বজালী জিলা পৰিষদৰ গঠনৰ কথা আছিল আৰু সেই মৰ্মে আটাইকেইগৰাকী সদস্য বজালী জিলা পৰিষদৰ কাৰ্যালয়ত সময়মতে উপস্থিত হোৱাৰ পাছতো দুয়োটা দলৰ একমাত্ৰ ক্ষমতাকেন্দ্ৰীক যুঁজৰ বাবে আৰু অধ্যক্ষ নিৰ্বাচনত একমত হব নোৱাৰাৰ বাবে সিদিনা বজালী জিলা পৰিষদ গঠন নহল। ইয়াৰ পাছতে আজি আনুষ্ঠানিকভাৱে গঠন হয় বজালী জিলা পৰিষদ। মিত্ৰজোঁটত থাকিও দম্ভালি মাৰি যোৱা ৬ আগষ্ট তাৰিখে গঠন কৰিব অহা অসম গণ পৰিষদ দলৰ দৰ্প চুৰ্ণ কৰি আজি আনুষ্ঠানিকভাৱে বিজেপিয়ে সভানেত্ৰী, উপ সভাপতি দুডয়োটা পদেই দখল কৰিবলৈ সক্ষম হয়। বজালী জিলা পৰিষদৰ সভানেত্ৰী হিচাপে বিজেপিৰ মীনাক্ষী দাস আৰু উপ সভাপতি হিচাপে প্ৰাণজিত কলিতা নিৰ্বাচিত হয়। উল্লেখ্যযে নিৰ্দলীয় প্ৰাৰ্থী দিলীপ বৰুৱাই অগপ দলক সমৰ্থন কৰাৰ বাবে অগপ দলে সংখ্যাগৰিষ্ঠতা লাভ কৰি বজালী জিলা পৰিষদৰ সভাপতি হিচাবে নবীৰণ বেগম আৰু উপ সভাপতি হিচাবে অৰবিন্দ বৰ্মনক লৈ জিলা পৰিষদ গঠন কৰিবলৈ প্ৰস্তুত হৈছিল আৰু ৬ আগষ্টৰ দিনা অগপ দল একপ্ৰকাৰ নাচোৰবান্দা হৈ আছিল যদিও দলৰ কেন্দ্ৰীয় নেতৃত্বৰ হেঁচাতে শেও মানি দুয়োখন আসনেই বিজেপিলৈ এৰি দিবলৈ বাধ্য হল বুলি একাংশ কৰ্মীয়ে ক্ষোভ ব্যক্ত কৰিছে। অগপ দলে সংখ্যাগৰিষ্ঠ হৈও জিলা পৰিষদ গঠন কৰিব নোৱাৰা আৰু অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাৰ ধমক পাই নিশ্চুপ হৈ বিজেপি দলৰ শৰণাপন্ন হোৱাৰ বাবেই জিলা পৰিষদৰ সভাপতি আৰু উপ সভাপতিৰ দুয়োখন আসনেই অগপৰ বজালী জিলা সমিতিয়ে এৰি দিলে বুলিও বিভিন্নমহলত চৰ্চা হৈছে। আজি বজালী জিলা আয়ুক্ত, উন্নয়ন আয়ুক্তৰ উপস্থিতিত বজালী জিলা পৰিষদ গঠনৰ পাছতে নিৰ্দলীয় প্ৰাৰ্থী দিলীপ বৰুৱাই সংবাদমাধ্যমৰ আগত যিহেতু বজালী জিলা পৰিষদ মাত্ৰ পাঁচগৰাকী সদস্যৰে গঠিত গতিকে আমি সকলোৱে ৰাইজৰ উন্নয়নৰ স্বাৰ্থত এখন পৰিয়ালৰ দৰে কাম কৰি যাব লাগিব বুলি মন্তব্য কৰে। ইপিনে অগপ নেতা বুবুল আহমেদে যিহেতু অগপ বিজেপিৰ মাজত মিত্ৰতা আছে সেয়েহে দুয়োটা দলেই এক আলোচনাৰ মাধ্যমেৰে বজালী জিলা পৰিষদ গঠন কৰিলে বুলি মন্তব্য কৰে।

# কৃষিমন্ত্ৰী অতুল বৰাৰ ৰঙামাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ উদ্বোধন

**অসম বাৰ্তা, দেৰগাঁও, ১৪ আগষ্ট ঃ** চাহ বাগিচা অঞ্চলসমূহত স্বাস্থ্য সেৱা উন্নত কৰাৰ বিশেষ পদক্ষেপ হিচাপে অসম চাহ নিগমৰ দ্বাৰা পৰিচালিত বাগিচা সমূহত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। এই কাৰ্যসূচীৰ অন্তৰ্গত গোলাঘাট জিলাৰ ৰঙামাটি চাহ বাগিচাত ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা ৰঙামাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আজি অসম চৰকাৰৰ কৃষি, আবকাৰী ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰে। উল্লেখযোগ্য যে ৬-খন বিছনাযুক্ত এই চিকিৎসালয়খনত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দ্বাৰা এক বছৰীয়া গ্ৰাম্য চিকিৎসা সেৱাৰ অধীনত দুজন চিকিৎসক, এগৰাকী নাৰ্চ (এ এন এম) আৰু এজন লেবৰেটৰী টেকনিচিয়ান নিযুক্ত হৈ আছে। উক্ত চিকিৎসালয়খনত বৰ্তমান বহিঃ বিভাগৰ সেৱা উপলব্ধ হ'ব। উদ্বোধন অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে বৰ্তমান চৰকাৰৰ স্বাস্থ্য সেৱাৰ সুবিধা সমূহ উপলব্ধ কৰাৰ প্ৰতি দায়বদ্ধতাৰ কথা প্ৰকাশ কৰি কয় যে এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্বোধন কৰাৰ লগত চাহ বাগিচা অঞ্চলৰ লোক সকলৰ সুস্বাস্থ্য আৰু গ্ৰামীণ উন্নয়নৰ বিষয় জড়িত হৈ আছে। এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই স্থানীয় লোকক চিকিৎসা সেৱা আগবঢ়াব আৰু এই চাহ বাগিচা অঞ্চলটোৰ স্বাস্থ্যৰ পৰিসৰৰ উন্নতি কৰিবলৈ সক্ষম হব। উদ্বোধনী অনুষ্ঠানত কৃষি মন্ত্ৰী গৰাকীয়ে কয় যে ৰাইজৰ সুস্বাস্থ্য বজাই ৰখাৰ প্ৰতি সজাগ হোৱাটো অতিকৈ গুৰুত্বপূৰ্ণ। দৈনন্দিন শাৰীৰিক ব্যায়াম, মাদক দ্ৰব্যৰ প্ৰত্যাহাৰ, মানসিক স্বাস্থ্যৰ প্ৰতি যতন ইত্যাদিয়ে সকলোকে নিৰোগী কৰি ৰখাত সহায় কৰিব। আজিৰ অনুষ্ঠানত মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰঞ্জিত হাজৰিকায়ে আদৰণি ভাষণত মন্ত্ৰী অতুল বৰাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰি কয় যে ৰঙামাটি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই বৰ্তমান বহিঃ বিভাগৰ চিকিৎসা সেৱা প্ৰদান কৰিব। এই অনুষ্ঠানত খুমটাই ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চন্দন ডেকা আৰু ৰচিতা শ্যাম, দেৰগাঁও সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উপ -অধীক্ষক ডা: চি. এল গগৈ, বিশিষ্ট সমাজকৰ্মী নুৰুল চুলতান, অসম চাহ জনগোষ্ঠীয় ছাত্ৰ সন্থাৰ গোলাঘাট, দেৰগাঁও আৰু ৰঙামাটি শাখাৰ সভাপতি আৰু সম্পাদক, ৰঙামাটি চাহ বাগিচাৰ ব্যৱস্থাপক, বহু গণ্যমান্য ব্যক্তি, স্বাস্থ্য কৰ্মী আৰু স্থানীয় লোক উপস্থিত থাকে।

# পোন্ধৰ আগষ্টত দিল্লীলৈ আমন্ত্ৰণ প্ৰাক্তন পঞ্চায়ত সভাপতি বুবুল চন্দ্ৰ দত্ত

**অসম বাৰ্তা, নিমাতীঘাট, ১৪ আগষ্ট ঃ** আগন্তুক ৭৯ তম স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচী লৈ আমন্ত্ৰণ লাভ কৰি ৩১নং মধ্য চাৰি গাঁও গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বুবুল চন্দ্ৰ দত্ত। জানিব পৰা মতে যোৰহাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মনোনীত প্ৰতিনিধি হিচাপে এই বাৰ ৭৯ সংখ্যক স্বাধীনতা দিৱসৰ দিল্লীৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অতিথি হিচাপে বুবুল চন্দ্ৰ দত্তই সুযোগ লাভ কৰিছে। উল্লেখযোগ্য যে বুবুল চন্দ্ৰ দত্তই তেখেতৰ কাৰ্যকালত পঞ্চায়তৰ চৰকাৰী আঁচনি সমূহ নিখুঁতভাৱে পৰিচালনা কৰাৰ উপৰিও স্বচ্ছ ভাৰত অভিযান আৰু জলজীৱন মিছনৰ বিশুদ্ধ খোৱাপানী যোগানৰ ক্ষেত্ৰত এলেকাত সবল নেতৃত্ব প্ৰদান কৰিছিল। বৰ্তমান বুবুল চন্দ্ৰ দত্ত সেই পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য হিচাপে নিৰ্বাচিত হৈ পুনৰ পঞ্চায়তৰ ক্ষমতালৈ আহিছে। বুবুল চন্দ্ৰ দত্তৰ এই খবৰে যোৰহাট জিলাৰ লগতে নিজৰ জন্মস্থান বাহনা কোচ গাঁৱৰ শুভাকাংক্ষীসকলে আনন্দ প্ৰকাশ কৰিছে।

## বাক্সাৰ উজিৰখাটত বিজেপিৰ যোগদান কাৰ্যসূচী

**অসম বাৰ্তা, বাগানপাৰা, ১৪ আগষ্ট ঃ** বিটিচি নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দল সমূহৰ মাজত দিনক দিনে তৎপৰতা বৃদ্ধি পাবলৈ ধৰিছে। তামোলপুৰ আৰু বাক্সা জিলাৰ মাজতো বৃদ্ধি পাবলৈ ধৰিছে নিৰ্বাচনী তৎপৰতা। বিজেপিৰ নেতা সুমিত কুমাৰ বড়ো ৰাভাৰ নেতৃত্বত বাগানপাৰা পৰিষদীয় সমষ্টিৰ অন্তৰ্গত উজিৰখাটত অনুষ্ঠিত হয় এখন যোগদান সভা। এই যোগদান সভাত উজিৰখাট অঞ্চলৰ ৰাইজে বিগত বছৰত চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হোৱা বুলি অভিযোগ কৰিছে। লগতে ৰাস্তাঘাটৰ সমস্যা, বানপানীৰ ফলত বিধ্বস্ত ৰাস্তা -ঘাটৰ উন্নয়ন নোহোৱা আদি কথাও উল্লেখ কৰে। বিজেপি চৰকাৰ নীতি আৰু আদৰ্শক ভালপায় বিভিন্ন দলৰ প্ৰায় তিনি শতাধিক লোক বিজেপিত যোগদান কৰে। উজিৰখাটৰ ৰাইজে সমবিকাশ আৰু সম উন্নয়ন বিচাৰি বিজেপি দলৰ যোগদান কৰিছে বুলি মত প্ৰকাশ কৰে। এই যোগদান সভাত তামোলপুৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক ৰাজেশ বড়ো, বাগানপাৰা মণ্ডল বিজেপিৰ সভানেত্ৰী ভি"ািৰিয়া মেধি, সম্পাদক ৰমেন চক্ৰৱৰ্তী, দলীয় কৰ্মী সকল উপস্থিত থাকে। আনহাতে, নবস্তি প্ৰাইমাৰী বিপিএফ কাৰ্যালয়ত অনুষ্ঠিত এক যোগদান সভাত গোৰ্খা ছেলৰ শতাধিক লোক বিপিএফৰ প্ৰতি স্বত: স্ফূট সঁহাৰি জনাই বিপিএফত যোগদান কৰে বুলি জানিব পৰা গৈছে।

**কুলবিলত জোনতৰা মিনি থিয়েটাৰৰ দ্বিতীয় বৰ্ষৰ শুভ নাট্যাৰম্ভ অনুষ্ঠান সম্পন্ন**

# ৰঘু ড্ৰাইভাৰ আৰু কিছু ঈশ্বৰৰ কিছু দানৱৰ নামৰ নাটক দুখনেৰে ৰাইজৰ মাজলৈ জাব "জোনতৰ"

**অসম বাৰ্তা, চামতা, ১৪ আগষ্ট ঃ** পশ্চিম নলবাৰী পানীগাওঁ - শনিৰোড চ'কৰ পৰা আত্মপ্ৰকাশ কৰা জোনতৰা মিনি থিয়েটাৰৰ আজি কুলবিলঘাট ৰাজহুৱা শিৱালয়ত দ্বিতীয় বৰ্ষৰ শুভ নাট্যাৰম্ভ কৰা হয়। এই উপলক্ষে পুৱা থিয়েটাৰ দ'লটোৰ প্ৰযোজক, সহ: প্ৰযোজক, নাট্যকাৰ, অভিনেত্ৰী সকলে ঐতিহ্যমণ্ডিত কুবিলঘাট ৰাজহুৱা শিৱালয়ৰ শিৱ মন্দিৰত নৈবেদ্য শৰাই আগবঢ়াই মহা প্ৰভুৰ সেৱ লয়। ইয়াৰ পিছতে শিৱালয়ৰ যাত্ৰি জিৰণি ভৱনত নটৰাজৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে আমন্ত্ৰিত অতিথি বিশিষ্ট অভিনেতা যোগেশ কাশ্যপে। থিয়েটাৰ খনৰ এই বছৰৰ নাট "ৰঘু ড্ৰাইভাৰ"ৰ পাণ্ডুলিপি মুকলি কৰে নাট খনৰ নাট্যকাৰ অনন্ত দত্তই। ইয়াৰ পিছতে দ্বিতীয়খন নাটক "কিছু ঈশ্বৰৰ কিছু দানৱৰ" পাণ্ডুলিপি মুকলি কৰে নাটক খনৰ নাট্যকাৰ লিচিত শৰ্মা আৰু কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সভাপতি বলেন কুমাৰ গোস্বামীয়ে। থিয়েটাৰ খনৰ এই বৰ্ষৰ পোষ্টাৰ উন্মোচন কৰে নাট্যকাৰ, পৰিচালক মুকুল ইদিপাছ আৰু প্ৰবীন সাংবাদিক ৰাজেন বৈশ্যই। অভিনেতা অনিল বৰ্মনে আতধৰা অনুষ্ঠানত কুলবিলঘাট ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সম্পাদক জয়ন্ত তালুকদাৰ, সহকাৰী সম্পাদক তপন কুমাৰ শৰ্মা, অনন্ত বৰ্মন, সাবাদিক সঞ্জয় তালুকদাৰ, চানোৱাৰ আহমেদ, অপেচাদাৰী নাটকৰ অভিনেতা অপুৰ্ব বৰ্মনক সম্বৰ্দ্ধনা জনাই। যুৱ অভিনেতা নৱজিৎ ডেকা প্ৰযোজিত জোনতৰা মিনি থিয়েটাৰখনত এইবাৰ অভিনয় কৰিব ৰতন বৰ্মন, হিমাংশু বৰ্মন, বিপুল বৰ্মন, অনিল বৰ্মন, কুলদীপ ডেকা, প্ৰাণজিৎ ডেকা, ৰিম্পী বৈশ্য, গোল্ডি চৈধুৰীয়ে। অগত বিশ্বকৰ্মা পূজাৰ সময়তে থিয়েটাৰ খনে বাস্তৱধৰ্মি সামাজিক নাটক দুখন লৈ ৰাইজৰ মাজলৈ ওলাববুলি প্ৰযোজক নৱজিৎ ডেকাই জনাইছে।

## খেৰাজখাত মহাবিদ্যালয়ত 'নিচামুক্ত ভাৰত অভিযান'ৰ সজাগতামূলক সভা সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৪ আগষ্ট ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত অন্যতম উচ্চ শিক্ষানুষ্ঠান খেৰাজখাত মহাবিদ্যালয়ৰ সভাগৃহত আজি নিচামুক্ত ভাৰত অভিযানৰ এখনি সজাগতামূলক সভা অনুষ্ঠিত হয়। খেৰাজখাত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু IQAS ৰ সহযোগত অনুষ্ঠিত হোৱা নিচামুক্ত ভাৰত অভিযানৰ উক্ত সভাখনৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃদুল বুঢ়াগোহাঁইয়ে। সভাত উপস্থিত থকা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক তেওঁ শপত বাক্য পাঠ কৰায়। সভাখনৰ আঁত ধৰে মহাবিদ্যালয়ৰ NSS Unit ৰ কাৰ্যক্ৰম বিষয়া ড° লক্ষ্মী প্ৰকাশ হাজৰিকাই। সভাত কেইবাগৰাকী অধ্যপক অধ্যাপিকাই অংশ গ্ৰহণ কৰে। মহাবিদ্যালয় খনৰ শৈক্ষিক সমন্বয়ক পূৰ্ণকান্ত বৰাই নিচাযুক্ত দ্ৰব্যৰ সজাগতা ওপৰত বহুমূলীয়া বক্তব্য প্ৰদান কৰাৰ লগতে ইয়াৰ উদ্দেশ্য আৰু লক্ষ্যৰ বিষয়ে অৱগত কৰে। তদুপৰি ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বাস্তৱ দুৱৰাই যুৱশক্তি নিচামুক্ত ভাৰত গঢ়াৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে।

### মাত্ৰ তিনি বছৰ বয়সত আছাম বুক অৱ ৰেকৰ্ডছ'ত নাম অন্তৰ্ভূক্ত কণমাণিৰ

# উমাইৰ আফৱানৰ নাম অন্তৰ্ভুক্ত হ'ল আছাম বুক অৱ ৰেকৰ্ডছ'ত

**অসম বাৰ্তা, ডবকা, ১৪ আগষ্ট ঃ** স্মৃতিশক্তি আৰু দেশপ্ৰেমমূলক দক্ষতাত এটি কণমানি শিশোৱে আছাম বুক অৱ ৰেকৰ্ডছ'ত নাম অন্তৰ্ভূক্ত কৰি অভিলেখ গঢ়িলে। এই শিশুটোৱে মাত্ৰ ১৯ মিনিটত চিনাক্ত কৰিলে ১৯৭টা বস্তু। অসম বুক অৱ ৰেকৰ্ডছত ৰাজ্যিক অভিলেখ স্থাপন কৰিলে হোজাইৰ উমাইৰ আফৱানে। মাত্ৰ ৩ বছৰ ৮ মাহ বয়সত যোৱা ৩০ জুলাই ২০২৫ তাৰিখে উমাইৰে ৮৮টা বস্তু চিনাকি কৰিলে, ৪০টা জি কে প্ৰশ্নৰ উত্তৰ দিছে, ৩০টা শৰীৰৰ অংগ, ১১টা ৰাইমছ কণ্ঠস্থ কৰিলে, 'ৰঘুপতি ৰঘৱ ৰাজা ৰাম' প্ৰাৰ্থনা আৰু ৰাষ্ট্ৰীয় সংগীত পাঠ কৰিছে। এই কেইটা মাত্ৰ ১৯ মিনিট ২ ছেকেণ্ডত ক'ব পাৰিছে। আফৱানক গুৱাহাটী ৰেহাবাৰি আচাম বুক অফ ৰেকৰ্ডছৰ মুখ্য কাৰ্যালয়ত অলপতে বঁটা প্ৰদান কৰা হয়। উমাইৰৰ পিতৃ হোজাই জিলাৰ মোৰাঝাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ডঃ শ্বৰিফুল ইছলাম আৰু মাতৃ নীলবাগানৰ নাজৰানা বেগমৰ একমাত্ৰ সন্তান। উমাইৰ আফৱানৰ নাম আছাম বুক অৱ ৰেকৰ্ডছত অন্তৰ্ভূক্ত হোৱাত বিভিন্নজনে কণমানি জনক আন্তৰিক শুভেচ্ছা জনাইছে। লগতে উমাইৰৰ পিতৃ ডঃ শ্বৰীফুল ইছলাম আৰু মাতৃ নাজৰানা বেগম (জুমি) ল লগতে আত্মীয়, কুটুম উৎফুল্ল হোৱা দেখা গৈছে। সকলোৱে কণমানি আফৱানৰ ভৱিষ্যত উজ্জ্বল কামনা কৰিছে। ইপিনে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা সভাপতি কফিল উদ্দিন বৰভূঞাই ও কণমানি জনৰ ঘৰত উপস্থিত হৈ শিশুটিৰ লগতে শিশুটিৰ পিতৃ-মাতৃক শুভেচ্ছা জনায়।

# নেৰা-নেপেৰা বৰষুণ, কৃত্ৰিম বানত আৱদ্ধ পশ্চিম যোৰহাটবাসী

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৪ আগষ্ট ঃ** নেৰা-নেপেৰা বৰষুণৰ ফলত পশ্চিম যোৰহাট অঞ্চলৰ সকলোবোৰ পথ-উপ পথ পানীত ডুব গৈছে। ২০১৪ চনত ৰাষ্ট্ৰীয় পথটো চাৰিশৰীয়া কৰাৰ পাছৰে পৰা পশ্চিম যোৰহাট অঞ্চলৰ সকলোবোৰ গাঁৱেই পানীত ডুব যোৱাৰ মূল কাৰণটো হ'ল পানী চলাচলত বাধাৰ সৃষ্টি হোৱাৰ বাবে। পুলিবৰৰ হেজাৰী গাঁও, ডেকা গাঁও, ঢাপকটা প্ৰাথমিক বিদ্যালয়ৰ পৰা পকীমূৰি, তিলিকিআমৰ শ্ৰৱণী সত্ৰৰ পথৰ কাষৰ বাসিন্দাসকল ওলাব-সোমাব নোৱৰা হৈছে। পশ্চিম যোৰহাট অঞ্চলেৰে বৈ যোৱা তৰাজানৰ পৰা কাকডোঙালৈকে ৰাষ্ট্ৰীয় পথটোৰ দুয়োকাষৰে লোকসকল অধিক সমস্যাৰ সন্মুখীন হৈছে। ৰাষ্ট্ৰীয় পথটো চাৰিশৰীয়াকৈ নিৰ্মাণ কৰাৰ পাছত পূৰ্বৰে পৰা পানী চলাচল কৰি থকা পুলবোৰৰ লগতে নৈকেইখনটো পানী চলাচলৰ বাধা হোৱাত এই সমস্যাৰ উদ্ভৱ হৈছে। ৰাষ্ট্ৰীয় পথটোৰ দুয়োকাষতে নৈকেইখনৰ লগতে জানকেইখনক পানী বৈ যাবলৈ সংযোগ কৰি দিয়াৰ ব্যৱস্থা নকৰিলে বিগত ১১ বছৰৰ দৰে আগন্তুক বছৰবোৰটো এই সমস্যাৰ উদ্ভৱ হৈয়ে থাকিব। ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী সংস্থাৰ উপৰি জিলা প্ৰশাসনক ৰাইজে সমস্যাটো সমাধানৰ বাবে বাৰম্বাৰ অনুৰোধ জনাই অহাৰ পাছতো ৰাজহ চক্ৰ বিষয়াই মণ্ডল পঠিয়াই পৰিদৰ্শন কৰায়েই দায়িত্ব সামৰাত অঞ্চলটোৰ বাসিন্দাসকল ক্ষোভিত হৈ পৰিছে। জনপ্ৰতিনিধিসকলো নীৰৱ দৰ্শক। গ্ৰাম্যাঞ্চলৰ বাসিন্দাসকলে চৌহদৰ খাল-ডোংবোৰ পুতি পকী ৱাল দিয়াৰ বাবেও পানী চলাচলত নিজেই বাধাৰ সৃষ্টি কৰি লৈছে। পঞ্চায়তে পথবোৰ পেভাৰ ব্লক দি নিৰ্মাণ কৰোঁতে পথৰ কাষত মাটি দিয়াৰ বাবেও খাল-ডোংবোৰ ক্ৰমাৎ বন্ধ হোৱাত কৃত্ৰিম বানৰ সৃষ্টি হ'বলৈ ধৰিছে। যোৰহাট জিলা প্ৰশাসনক নৱগঠিত পঞ্চায়তক সকলোবোৰ পথৰ কাষৰ খাল খান্দি পানী বোৱাই দিয়াৰ ব্যৱস্থা কৰাবলৈ ৰাইজে দাবী জনাইছে। কৃত্ৰিম বানৰ ফলত পুলিবৰৰ বৃকোদৰ শইকীয়া পৰ্বতীয়া হাইস্কুল, ৪৩৯ নং ঢাপকটা প্ৰাথমিক বিদ্যালয়, তিলিকিআমৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়, ধ'লি প্ৰাথমিক বিদ্যালয়ৰ উপৰি ৰাষ্ট্ৰীয় পথৰ কাষত থকা বহুবোৰ অঙ্গনৱাড়ী কেন্দ্ৰ কৃত্ৰিম বানৰ বাবেই বন্ধ ৰাখিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। তদুপৰি, জলজ প্ৰাণীৰ অবাধ বিচৰণ আৰু মহৰ প্ৰকোপ ক্ৰমাৎ অঞ্চলটোত বৃদ্ধি পাইছে।

## সন্দেহজনক লোকক মাকুম এৰি যাবলৈ সকীয়নী মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, মাকুম, ১৪ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যত সন্দেহজনক লোক সকলক লৈ চলি আছে বিতৰ্কৰ সৃষ্টি। কি উজনি কি নামনি, ৰাজ্যৰ বিভিন্ন প্ৰান্তত জাতীয় সংগঠনৰ লগতে জনগোষ্ঠীয় দল-সংগঠন সমূহে চলাই আহিছে সন্দেহজনক লোকৰ বিৰুদ্ধে তীব্ৰ অভিযান। তাৰ সমান্তৰালকৈ আজি নিশা মাকুম অঞ্চলৰ আশে-পাশে থকা মালিকাধীন লোকে নিজৰ কৰ্ম ক্ষেত্ৰত নিয়োজিত কৰি থোৱা ধুবুৰীৰ কিছু সন্দেহজনক লোকক মাকুম আঞ্চলিক ছাত্ৰ সন্থাই কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য জিতেন্দ্ৰ চুতীয়াৰ উপস্থিতিত মাকুম অঞ্চলৰ পৰা গুচি যাবলৈ সকীয়নী প্ৰদান কৰে। ইয়াৰ লগতে সমগ্ৰ মাকুম অঞ্চলত যি সকল ব্যক্তিয়ে সন্দেহজনক লোকক নিজৰ কৰ্মৰ ক্ষেত্ৰত নিয়োজিত কৰি ৰাখিছে, সেই সকল ব্যক্তিয়ে নিজেই নিয়োজিত কৰি ৰখা সন্দেহজনক লোকক মাকুম অঞ্চলৰ পৰা পঠিয়াই দিবলৈ সংবাদ মাধ্যমৰ যোগেদি আহ্বান জনাইছে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই।

# যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ ন্যাস বৃত্তি পৰীক্ষা ২০২৫ৰ ফলাফল ঘোষণা

**অসম বাৰ্তা, আমগুৰি, ১৪ আগষ্ট ঃ** যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অনুষ্ঠিত হোৱা শিক্ষকপ্ৰাণ তৰুণ চন্দ্ৰ চাংকাকতি আৰু শিক্ষকবন্ধু কমল দুৱৰা ন্যাস বৃত্তি পৰীক্ষা ২০২৫ ৰ ফলাফল যোৱা ৯ আগষ্টত ঘোষণা কৰা হয়। যোৰহাট মহকুমাৰ বিভিন্ন খণ্ডৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত এই পৰীক্ষাত উত্তৰ পশ্চিম খণ্ডৰ ৯৩ নং নপমুৱা প্ৰাথমিক বিদ্যালয়ৰ জ্যোতিষ্ময় দত্তই শীৰ্ষ স্থান দখল কৰে। সেইদৰে উত্তৰ পশ্চিম খণ্ডৰ ৮নং কলাখোৱা প্ৰাথমিক বিদ্যালয়ৰ মৌচুম শইকীয়াই দ্বিতীয় আৰু যোৰহাট খণ্ডৰ ৬৫২ নং বীণাপাণি প্ৰাথমিক বিদ্যালয়ৰ ইংকুপ্ৰিয়া বৰাই তৃতীয় স্থান অৰ্জন কৰে। অন্যান্য স্থানপ্ৰাপ্তৰ ভিতৰত উত্তৰ পশ্চিম খণ্ডৰ ৮ নং কলাখোৱা প্ৰাথমিক বিদ্যালয়ৰ আকাংক্ষা শইকীয়া চতুৰ্থ, পূব যোৰহাট খণ্ডৰ ৬৫ নং কপিলাচুক প্ৰাথমিক বিদ্যালয়ৰ গৌতম দত্ত পঞ্চম স্থান লাভ কৰিছে। তদুপৰি মধ্য যোৰহাট খণ্ডৰ ৮ নং বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ অৰ্পিতা লাহন আৰু ৫৫৫ নং গোঁহাই গাঁও প্ৰাথমিক বিদ্যালয়ৰ অলংকিতা বৰাই যুটিয়াভাৱে ষষ্ঠ স্থান লাভ কৰে কৰে। মধ্য যোৰহাট খণ্ডৰ ৮ নং বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ জ্যোৎস্না হাজৰিকা সপ্তম স্থান, কুমাৰভেটি প্ৰাথমিক বিদ্যালয়ৰ নিছা ৰবিদাস আৰু ৬০০ নং সুধাকৰ প্ৰাথমিক বিদ্যালয়ৰ সন্দিপন ভুঞাই যুটিয়াকৈ অষ্টম স্থান লাভ কৰিছে। যোৰহাট নগৰ খণ্ডৰ ৪৭২ নং চোলাধৰা প্ৰাথমিক বিদ্যালয়ৰ লক্ষ্মী ঘাটোৱাই নৱম আৰু উত্তৰ পশ্চিম খণ্ডৰ ৮ নং কলাখোৱা নৱৰাজ বৰাই দশম স্থান অধিকাৰ কৰে। এই পৰীক্ষাত প্ৰায় ১২০০জন পৰীক্ষাৰ্থী অৱত্তীৰ্ণ হৈছিল। প্ৰথম দহটা স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক অহা ৫ ছেপ্টেম্বৰ তাৰিখে শিক্ষক দিৱসৰ কাৰ্যসূচীত ন্যাস বৃত্তি প্ৰদান কৰা হ'ব বুলি যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদিব বৰুৱা আৰু সম্পাদক অনুপম গগৈয়ে জানিবলৈ দিয়ে।

# ডুমডুমা নগৰৰ নৱনিৰ্মিত ক্লক টাৱাৰ আৰু পুনৰ প্ৰতিষ্ঠা কৰা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তি উদ্বোধন কৰিলে মন্ত্ৰী ৰূপেশ গোৱালাই

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ আগষ্ট ঃ** ডুমডুমা পৌৰসভাই ডুমডুমা নগৰৰ মাজমজিয়াত থকা গান্ধী চৌকত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা 'ক্লক টাৱাৰ' পুনৰ স্থাপন কৰা মহাত্মা গান্ধীৰ নতুন প্ৰতিমুৰ্ত্তিটো আজি বিয়লি ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। চতুৰ্দশ বিত্তীয় আয়োগ (২০১৯ - ২০২০) আৰু পঞ্চদশ বিত্তীয় আয়োগ (২০২১ - ২০২২)ৰ পুঁজিৰে নিৰ্মাণ কৰি উলিওৱা এই ক্লক টাৱাৰ আৰু গান্ধী চৌকৰ উদ্বোধনী অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যই। ডুমডুমা পৌৰসভাৰ অভিযন্তা নিৰোদ ডেকাই পৰিচালনা কৰা উদ্বোধনী অনুষ্ঠানত তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণ, অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ ধীৰেন ডেকা আৰু প্ৰবীণ সাংবাদিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাই ও ভাষণ দি ডুমডুমা পৌৰসভা আৰু স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰূপেশ গোৱালাৰ ভূঁয়সী প্ৰশংসা কৰে। উদ্বোধনী ভাষণত মন্ত্ৰী ৰূপেশ গোৱালাই এই ক্লক টাৱাৰ আৰু গান্ধী মূৰ্তিৰ পুনৰ নিৰ্মাণ কৰিবলৈ লওতে একাংশই বিৰোধিতা কৰাৰ প্ৰসংগ উত্থাপন কৰি কয় যে আজি নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছত সেই বিৰোধিতা কৰা সকলৰ বহুতেই ইয়াত 'চেলফি' তুলিবহি। মন্ত্ৰী গোৱালাই তেওঁৰ ভাষণত ডুমডুমা নগৰ খেলপথাৰত এটা অত্যাধুনিক ইণ্ডʼৰ ষ্টেডিয়াম, পৌৰসভাৰ কাৰ্যালয়ৰ কাষতে এটা অতিথিশালা, ডুমডুমা নগৰৰ প্ৰৱেশদ্বাৰত এখন আদৰণি তোৰণ, নগৰখনৰ চুক্ৰেটিং ৮ নম্বৰত এখন আটকধুনীয়া উদ্যান আৰু উদ্যানৰ ভিতৰত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ এটি প্ৰতিমূৰ্ত্তি স্থাপনৰ কাম আৰম্ভ হোৱা বুলি উল্লেখ কৰে। তেওঁ ডুমডুমা বিধানসভা সমষ্টিত চলি থকা বিভিন্ন উন্নয়নমূলক কামৰো এটি খতিয়ান সভাত দাঙি ধৰে। অনুষ্ঠানত স্থানীয় শিল্পীসকলে কেইবাটাও সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী অৰুণজ্যোতি মৰাণ, লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাৰ প্ৰতিনিধি মুলেন্দ্ৰ মৰাণ, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ কমলেশ্বৰ কলিতা, বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অমৰজিৎ শইকীয়া, ডুমডুমাৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খান, তিনিচুকীয়া মহিলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ নীতা পাল, ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰন্ধৰা, বিশিষ্ট চিকিৎসক ডাঃ প্ৰশান্ত কুমাৰ শৰ্মা, বিশিষ্ট সমাজকৰ্মী ডাঃ প্ৰণৱ জ্যোতি ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

## বিজনীত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো

**অসম বাৰ্তা, বিজনী, ১৪ আগষ্ট ঃ** হাগ্ৰামা মহিলাৰী বেলেগক দোষ জাপি দি নিজৰ কাম কৰিব বিচাৰে। তেখেতে কৰ পৰা আহিছে, কি কৰিছে, এই কথা বিলাক কʼলে তেওঁৰ চৰিত্ৰ উদঙা খাব। বিজনীত এই মন্তব্য বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ। বিজনী এক্স আৰ্মী ফেডাৰেছন অফ ভেটেৰান্সৰ কাৰ্যালয়ৰ ৩০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হʼব লগীয়া কাৰ্যালয়ৰ আধাৰশিলা স্থাপন আৰু শিয়ালমাৰীত ৫০ লাখ টকা ব্যয় সাপেক্ষে চিলাৰায় কমিউনিটি ভৱনৰ আধাৰশিলা স্থাপন কৰি এই মন্তব্য কৰে প্ৰমোদ বড়োৱে। হাগ্ৰামা মহিলাৰীয়ে সততে প্ৰমোদ বড়োৰ বিৰুদ্ধে আক্ৰমণাত্মক মন্তব্য কৰি অহাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় তেখেতে কি কাম কৰিছে সকলো ৰাইজৰ ওচৰত আছে, কʼব লাগিলে তেখেতৰ বেয়া হʼব। তেওঁৰ কাৰ্যকাল ২০০৭/৮/৯/১০ লৈ কি হৈছিলে, অলপ ঘূৰি চাওক। সমাজৰ ভাল পৰিৱেশ নিবিচৰা নায়ক বিলাকৰ আমাক কিবা কোৱাৰ অধিকাৰ নাই। যেতিয়া তেওঁৰ চৰকাৰ আছিল ভাবুকি দিয়াই নহয় মোক মাৰি পেলাব বিচাৰিছিল, ২০২০ চনত মোৰ কনভয়ত আক্ৰমণ কৰিছিল। কিন্তু একো কৰিব নোৱাৰিলে। হাগ্ৰামা মহিলাৰীৰ ভয়-ভীত, দাদাগিৰি এইবিলাক শেষ কৰি সুস্থ সমাজ গঢ়িবলৈ আগবাঢ়ি আহিছোঁ। ২০০৯ চনত বেআইনী অস্ত্ৰ আৰু হিংসামুক্ত সমাজ লাগে বুলি কাম কৰিছিলোঁ। আজি বিটিআৰত বেআইনী অস্ত্ৰ নাই, শান্তি ঘূৰি আহিছে, এই পৰিৱেশ দেখা পাই তেওঁলোকে শান্তিৰে শুব পৰা নাই। সেই কাৰণে আবুল-তাবুল বকি আছে। মুখ্যমন্ত্ৰীয়ে ভিচিডিচিক বৰালি মাছৰ লগত তুলনা কৰাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, বৰ্তমান ভিচিডিচিৰ কোনো দুৰ্নীতি নাই। আমি পুনৰ চৰকাৰত অহাৰ পিছত ভিচিডিচিক খুউব ভালকৈ কৰিম। উক্ত আধাৰশিলা স্থাপন কাৰ্যসূচীত বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ উপৰিও কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, প্ৰমোদ বড়োৰ ৰাজনৈতিক সচিব মাধৱ ছেত্ৰী, বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰী, বিজনী পৌৰসভাৰ সভাপতি গুনেশ্বৰ গয়াৰীসহ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## বন বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দশমী দুৱৰা মৃত্যুৰ তদন্তৰ দাবী ছাত্ৰ মুক্তিৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৪ আগষ্ট ঃ** পূব অসম বন্যপ্ৰাণী সংমণ্ডল, কাজিৰঙাত কৰ্মৰত বন বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী গোলাঘাট আঠখেলীয়াৰ ঘিলাধাৰীৰ দশমী দুৱৰাই চৰকাৰী আৱাসৰ চৌদহতে আত্মহত্যাৰ ঘটনাক সহজভাৱে লʼব পৰা নাই প্ৰতিশ্ৰুতিসম্পন্ন উচ্চ শিক্ষিতা যুৱতী গৰাকীৰ পৰিয়ালে। এই আত্মহত্যাৰ ঘটনাক ৰহস্যজনক হিচাপে বিবেচিত কৰিছে তেওঁৰ ঘনিষ্ঠ বন্ধু-বান্ধৱী মহলে। গতিকে, কেৱল ২৪ বছৰীয়া এগৰাকী কম বয়সীয়া প্ৰতিভাৱান যুৱতী, তথা বন বিভাগৰ কৰ্মচাৰীৰ প্ৰকৃততে এইয়া আত্মহত্যা নে সন্দেহ কৰা ধৰণেৰেই আন কিবা! বোকাখাত আৰক্ষীৰ লগতে গোলাঘাট আৰক্ষী তথা জিলা প্ৰশাসনে এক উচিত তদন্তৰ জড়িতে যুৱতী গৰাকীৰ পৰিয়াল, বন্ধু মহল তথা ৰাইজৰ সন্দেহ আৰু ঘটনাটোৰ ৰহস্যৰ ওৰ পেলাবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিয়ে। সমগ্ৰ বিষয়টো এতিয়া ৰহস্য আৱৰ্তত আছে সেই বাবেই ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা বিষয়টোক লৈ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী জনাইছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰূপম গগৈ আৰু জিলা কাৰ্যকৰী সভাপতি অৰিন্দম তামোলীসহ এটা সজাতি দলে দশমী দুৱৰাৰ ঘৰত গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক কালি সাক্ষাৎ কৰে। সমগ্ৰ বিষয়টোক লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিয়ে গোলাঘাট জিলা আয়ুক্তক এক স্মাৰক পত্ৰ প্ৰদান কৰি সমগ্ৰ ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ লগতে এক নিৰপেক্ষ তদন্ত দাবী উত্থাপন কৰে। আনহাতে আজি ছাত্ৰ মুক্তিৰ গোলাঘাট জিলা সমিতিৰ এটা সজাঁতি দলে দশমী দুৱৰাৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালটোৰ দুখৰ সমভাগী হৈ সমবেদনা জনায়।

## ডিব্ৰুগড়ত 'ডিমেন্‌চিয়া'ৰ সজাগতা, ৰোগীৰ যত্ন আৰু শুশ্ৰূষা বিষয়ত সজাগতা সভা অনুষ্ঠিত

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৩ আগষ্ট ঃ** ডিব্ৰুগড়ৰ জ্ঞানদায়িনী মহিলা মঞ্চৰ উদ্যোগত আৰু জ্ঞানদায়িনী সভাৰ সহযোগত পূৰ্ণানন্দ পথস্থিত জ্ঞানদায়িনী মন্দিৰ প্ৰাঙ্গণত অলপতে "ডিমেনচিয়াৰ সজাগতা, ৰোগীৰ যত্ন আৰু শুশ্ৰূষা" বিষয়ক এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। ড° মঞ্জু চক্ৰৱৰ্তীৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা উক্ত সভাত সমল ব্যক্তিৰূপে উপস্থিত থাকে ডিব্ৰুগড়ৰ লাচিত নগৰ নিবাসী প্ৰদীপ কুমাৰ দেৱগোস্বামী। উল্লেখ্য যে, বৰ্তমান মানৱ সমাজত অভাৱনীয় ৰূপত বৃদ্ধি পোৱা এই ৰোগে মানসিক ভাৰসাম্যহীনতাৰ সৃষ্টি কৰিছে, যাক চিকিৎসা শাস্ত্ৰত 'ডিমেন্‌চিয়া' বুলি কোৱা হয়। উক্ত সজাগতা সভাখনিত দেৱগোস্বামীয়ে 'ডিমেনচিয়া' সম্পৰ্কে প্ৰদান কৰা সজাগতামূলক বক্তব্যই জ্ঞানদায়িনীৰ সদস্য-সদস্যাৰ লগতে উপস্থিত ৰাইজকো বহুলভাৱে উপকৃত কৰে। স্মৰ্তব্য যে, অষ্ট্ৰেলিয়াৰ 'টাচ্‌মেনিয়া' বিশ্ববিদ্যালয়ৰ পৰা ডিমেনচিয়াৰ প্ৰতিৰোধৰ বিষয়ে শিক্ষা আহৰণ কৰি অহা প্ৰদীপ কুমাৰ দেৱগোস্বামীয়ে বৰ্তমান অসমৰ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানত এই বিষয়ে বক্তৃতা প্ৰদান কৰি এই ব্যাধিবিধৰ উপশমৰ উপায় প্ৰচাৰ কৰি ৰাইজৰ সেৱা কৰি আহিছে। 'জ্ঞানদায়িনী' মহিলা মঞ্চৰ সদস্যাসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে সভাৰ



আৰম্ভণি কৰাৰ পাছতে উদ্দেশ্য ব্যাখ্যা দাঙি ধৰে মঞ্চৰ সম্পাদিকা মঞ্জু গোস্বামী ফুকনে। সভাত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন চকু বিশেষজ্ঞ ডাঃ মামণি বৰুৱাই সমল ব্যক্তিৰ পৰিচয়ৰ লগতে স্বাস্থ্য সজাগতা সম্পৰ্কেও দুৱাষাৰ কয়। সভাত জ্ঞানদায়িনী সভাৰ সম্পাদক প্ৰশান্ত শৰ্মা আৰু নাট্যকাৰ হৰেণ বুজৰবৰুৱায়ো নিজ নিজ বক্তব্য দাঙি ধৰি উপস্থিত ৰাইজক উৎসাহিত কৰে। শেষত মল্লিকা শৰ্মা বৰঠাকুৰে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায়।

## নগাঁৱত তৰ্ক প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ১৪ আগষ্ট ঃ** আগন্তুক দেশৰ ৭৯তম স্বাধীনতা দিৱস উপলক্ষে নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় নগাঁৱৰ সহযোগত এখনি তৰ্ক প্ৰতিযোগিতা যোৱা সোমবাৰে সম্পন্ন হৈ যায়। তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ কেইবাটাও দলে অংশগ্ৰহণ কৰি তৰ্ক প্ৰতিযোগিতা সফল কৰি তুলে। তৰ্ক প্ৰতিযোগিতাত বিচাৰকৰ আসন সুৱনি কৰে এল এ ডি চি এৰ অধিবক্তা জেছমিন বেগমকে প্ৰমুখ্যে কৰি আন দুগৰাকী বিচাৰক হিচাপে উপস্থিত থাকে।

## বন বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দশমী দুৱৰা মৃত্যুৰ তদন্তৰ দাবী ছাত্ৰ মুক্তিৰ

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৪ আগষ্ট ঃ** পূব অসম বন্যপ্ৰাণী সংমণ্ডল, কাজিৰঙাত কৰ্মৰত বন বিভাগৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী গোলাঘাট আঠখেলীয়াৰ ঘিলাধাৰীৰ দশমী দুৱৰাই চৰকাৰী আৱাসৰ চৌদহতে আত্মহত্যাৰ ঘটনাক সহজভাৱে লʼব পৰা নাই প্ৰতিশ্ৰুতিসম্পন্ন উচ্চ শিক্ষিতা যুৱতী গৰাকীৰ পৰিয়ালে। এই আত্মহত্যাৰ ঘটনাক ৰহস্যজনক হিচাপে বিবেচিত কৰিছে তেওঁৰ ঘনিষ্ঠ বন্ধু-বান্ধৱী মহলে। গতিকে, কেৱল ২৪ বছৰীয়া এগৰাকী কম বয়সীয়া প্ৰতিভাৱান যুৱতী, তথা বন বিভাগৰ কৰ্মচাৰীৰ প্ৰকৃততে এইয়া আত্মহত্যা নে সন্দেহ কৰা ধৰণেৰেই আন কিবা! বোকাখাত আৰক্ষীৰ লগতে গোলাঘাট আৰক্ষী তথা জিলা প্ৰশাসনে এক উচিত তদন্তৰ জড়িতে যুৱতী গৰাকীৰ পৰিয়াল, বন্ধু মহল তথা ৰাইজৰ সন্দেহ আৰু ঘটনাটোৰ ৰহস্যৰ ওৰ পেলাবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিয়ে। সমগ্ৰ বিষয়টো এতিয়া ৰহস্য আৱৰ্তত আছে সেই বাবেই ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিৰ তৰফৰ পৰা বিষয়টোক লৈ এক উচ্চ পৰ্যায়ৰ তদন্ত দাবী জনাইছে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি ৰূপম গগৈ আৰু জিলা কাৰ্যকৰী সভাপতি অৰিন্দম তামোলীসহ এটা সজাতি দলে দশমী দুৱৰাৰ ঘৰত গৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক কালি সাক্ষাৎ কৰে। সমগ্ৰ বিষয়টোক লৈ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিয়ে গোলাঘাট জিলা আয়ুক্তক এক স্মাৰক পত্ৰ প্ৰদান কৰি সমগ্ৰ ঘটনাটোৰ এক উচ্চ পৰ্যায়ৰ লগতে এক নিৰপেক্ষ তদন্ত দাবী উত্থাপন কৰে। আনহাতে আজি ছাত্ৰ মুক্তিৰ গোলাঘাট জিলা সমিতিৰ এটা সজাঁতি দলে দশমী দুৱৰাৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালটোৰ দুখৰ সমভাগী হৈ সমবেদনা জনায়।

## সামাজিক মাধ্যমত অসমীয়াক লৈ অশ্লীল মন্তব্যৰে তুচ্ছ-তাচ্ছিল্যৰ ভিডিঅ' চেয়াৰ

### লাহৰীঘাটত গ্ৰেপ্তাৰ ইউটিউবাৰ চুমি আক্তাৰ উৰফে চুৰীয়া

পূৰ্বে নৰ্তকী চুমিৰ অশ্লীল যৌন উত্তেজক নৃত্যৰ বাবে সামাজিকভাৱে বৰ্জন কৰিছিল আলিম সমাজে

**অসম বাৰ্তা, ভুৰাগাঁও, ১৪ আগষ্ট ঃ** অশ্লীল যৌনগন্ধী নৃত্যৰে মৰিগাঁও, জিলাৰ সংখ্যালঘু বসতি প্ৰধান অঞ্চলত বিতৰ্কৰ মাজত সোমাই পৰা মৰিগাঁও জিলাৰ এগৰাকী সস্ত্ৰীয়া ইউটিউবাৰে এই বাৰ অসমীয়া জাতিক লৈ সামাজিক মাধ্যমত অশ্লীল মন্তব্য কৰি আজি গ্ৰেপ্তাৰ হʼল লাহৰীঘাটত। জানিব পৰা মতে অসমীয়া জাতিক লৈ তুচ্ছ তাচ্ছিল্যৰে সামাজিক মাধ্যমত অসমীয়া জাতিক লৈ অশ্লীল মন্তব্যৰ ভিডিঅ প্ৰস্তুত কৰি চেয়াৰ কৰা এই বিতৰ্কিত মহিলা ইউটিউবাৰ গৰাকীৰ মৰিগাঁও জিলাৰ বৰছলা থানাৰ অন্তৰ্গত পটুৱাকাটা গাঁৱৰ চুমি আক্তাৰ উৰফে চুৰীয়া। কিছু দিনৰ আগতে অশ্লীল যৌনগন্ধী নৃত্যৰে বলখেল, কাবাদী খেল আদি বিভিন্ন খেলৰ দিবা-নৈশ প্ৰতিযোগিতাত ভাগ লৈ সংখ্যালঘু এলেকাত সস্ত্ৰীয়া দৰ্শকৰ মাজত উত্তেজনা সৃষ্টি কৰি যুৱ প্ৰজন্মক আকৃষ্ট কৰি সস্ত্ৰীয়া জনপ্ৰিয়তাৰ দৌৰত নামি আলিম সমাজৰো ৰোষত পৰা তথাকথিত ইউটিউবাৰ চুমি আক্তাৰে পূৰ্বে আলিম সকলৰ বিৰুদ্ধেও বিতৰ্কিত মন্তব্য কৰাৰ বাবে সামাজিক ভাৱে বৰ্জিত হৈছিল চুমি আক্তাৰ। কিন্তু তেনে পৰিস্থিতিৰ সন্মুখীন হৈয়ে তাৰ পৰা শিক্ষা নলৈ যৌনগন্ধী নৃত্যৰ নৰ্তকী ৰূপী চুমি আক্তাৰে এইবাৰ অসমীয়া জাতিটোকে লৈ অশ্লীল মন্তব্য কৰাৰ স্পৰ্ধা কৰে। অসমীয়া জাতিটোক লৈ অশ্লীল মন্তব্যৰ ভিডিঅ সামাজিক মাধ্যমত আপলোড কৰাৰ পাছতে মৰিগাঁও জিলাৰ লগতে ৰাজ্য জুৰি দল-সংগঠনৰ মাজত তীব্ৰ প্ৰতিক্ৰীয়াৰ সৃষ্টি হয়। অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদে প্ৰমোখ্য কৰি বিভিন্ন দল সংগঠনে বিতৰ্কিত চুমি আক্তাৰক গ্ৰেপ্তাৰৰ দাবী কৰে। সমান্তৰালকৈ বিৰ লাচিত সেনাকে প্ৰমোখ্য কৰি কেবাটাও সংগঠনে চুমি আক্তাৰৰ বিৰুদ্ধে মৰিগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰে। চুমি আক্তাৰৰ বিষয়টো লৈ যাতে সামাজিক বাতাবৰণ নষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সামাজিক পৰিস্থিতি অধিক অৱনতি ঘটাৰ পূৰ্বেই মৰিগাঁও আৰক্ষীৰ ব্যাপক তৎপৰতাত বৰছলা থানা আৰক্ষীয়ে বৰছলা পটুৱাকাটা গাঁৱৰ পৰা চুমি আক্তাৰক আটক কৰি সোধ পোছৰ বাবে লাহৰীঘাট থানালৈ নিয়ে। পৰৱৰ্তী সময়ত সোধ-পোছৰ অন্তত লাহৰীঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে চুমি আক্তাৰ উৰফে চুৰীয়াক। লাহৰীঘাট থানাৰ আৰক্ষীয়ে চুমি আক্তাৰক গ্ৰেপ্তাৰ কৰি আজি আদালতত হাজিৰ কৰাই। চুমি আক্তাৰ উৰফে চুৰীয়া নামৰ একালৰ যৌনগন্ধী নৃত্যৰ সস্ত্ৰীয়া নৰ্তকী তথা বৰ্তমান নিজকে ইউটিউবাৰ হিছাবে পৰিচয় দিয়া এইজনী কুসিৎ মানসিকতাৰ মহিলাৰ অন্তিম পৰিচয় হবগৈ ৰঙাঘৰ।

## দেৰগাঁৱৰ ঐতিহ্যমণ্ডিত চৰাই নামঘৰত চুৰিকাণ্ড

**অসম বাৰ্তা, দেৰগাঁও, ১৪ আগষ্ট ঃ** মঙ্গলবাৰে নিশা দেৰগাঁও সমজিলাৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত দেৰগাঁও টাউন চৰাই নামঘৰৰ মণিকূটৰ তলা ভাঙি দান-পাত্ৰৰ পৰা টকা লৈ বহু মূল্যৱান সামগ্ৰী চুৰি কৰি নিয়ে এক চুৰি চক্ৰই। এই চুৰি কাণ্ডৰ ঘটনাটো বুধবাৰে পুৱা পোহৰলৈ অহাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। বহু বছৰ পুৰণি হৰিমন্দিৰ ভাগিত দুষ্ট চক্ৰ সোমাই চুৰি কৰাক লৈ ৰাইজ আজি চিন্তিত হৈ পৰিছে। প্ৰায় তিনিশ পৰিয়াল অন্তৰ্ভুক্ত হৈ থকা হৰিমন্দিৰ ভাগি অতি সুন্দৰকৈ সজাই তুলিছিল ৰাইজে। বিগত দিনত বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে নামঘৰত ভাগিত। কিন্তু তাৰ মাজতে চুৰি কাণ্ডৰ সংঘটিত হোৱাতো অতি দুখজনক বিষয় হৈছে। উল্লেখ্য যে বিগত দিনত দেৰগাঁৱত বৃদ্ধি পাব ধৰিছে চুৰিকাণ্ডৰ ঘটনা। জানিব পৰা মতে, চোৰে নামঘৰৰ পৰা দান-পাত্ৰ ভাঙি ১৫-২০ হাজাৰ টকা সহ অন্যান্য সামগ্ৰী লৈ যায়। ৰাইজে বহু কষ্টৰে নিৰ্মাণ কৰা ঈশ্বৰ উপাসনাৰ থলি ৰাজহুৱা নামঘৰটোত এনেদৰে চোৰে সন্ত্ৰাস চলোৱাত ভক্তপ্ৰাণ ৰাইজ আবেগিক হৈ পৰিছে। ইতিমধ্যে বুধবাৰে পুৱাই ঘটনা স্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে তদন্ত আৰম্ভ কৰিছে।

## চৰাইদেউ বৰহাটত দুই কৃষক পৰিয়ালৰ বাসগৃহ জুইত ভস্মীভূত; লক্ষাধিকৰো সা - সম্পত্তি নষ্ট

**অসম বাৰ্তা, বৰহাট, ১৪ আগষ্ট ঃ** চৰাইদেউ জিলাৰ বৰহাট অঞ্চলৰ ভূএগ্ৰাখাট চুতিয়াকাৰী গাৱত আজি পুৱাৰ ভাগত দুজন খেতিয়কৰ বাসগৃহ জুইত ভস্মীভূত হয়। নিপেন গগৈ নামৰ চুতিয়াকাৰী গাঁৱৰ কৃষক জনে পুৱাৰ ভাগতে কৰ্ম সূত্ৰে ঘৰৰ পৰা ওলাই যায়। নিপেনৰ পুত্ৰ আৰু বোৱাৰীয়ে পৰিয়ালৰে সুকীয়াকৈ থকা অসুখীয়া দদায়েকৰ খবৰ লববৈ বুলি দেউতাক নিপেনৰ লগতে যায়। অন্যহাতে নিপেনৰ পত্নীয়ে পাকঘৰৰ লগতে সংলগ্ন থকা গোহাঁই ঘৰত চাকি বন্তি জ্বলোৱা কাৰ্য সমাৰ্পণ কৰি ঘৰৰ দুৱাৰ জপাই ওচৰৰ এঘৰলৈ বুলি বিশেষ কামত ওলাই যোৱাৰ পাছ মুহূৰ্ততে পুৱা প্ৰায় ন মান বজাত গোহাঁই ঘৰত পূৰ্বে ব্যৱহৃত কৰা দম হৈ থকা ধূপৰ পেকেটসমূহত কেনেবাকৈ জুই লাগে। ধূপৰ পেকেটৰ দমত লগা জুইৰ শিখাই থাপনাৰ তিনিটা দিশ বেৰি থোৱা কাপোৰত লাগে। ক্ষন্তেকৰ ভিতৰতে জুইয়ে ঘৰৰ ভিতৰত থকা সকলো বয়-বস্তু, কাপোৰ - কানি, প্ৰয়োজন নথি পত্ৰ, বাচন - বৰ্তন, আদি সকলো জ্বলাই ছাই কৰি পেলায়। জুইৰ লেলিহান শিখাই পকী ঘৰটোৰ লগত সংলগ্ন হৈ থকা কাঠৰ দুৱাৰ - খিড়িকী, বাহঁৰ চিলিঙি আৰু ঘৰটোৰ ওপৰত ব্যৱহৃত টিং জ্বলি নিপেন গগৈৰ একেটা চৌহদতে থকা ককায়েক আনন্দ গগৈৰ ঘৰলৈও জুই বিয়পি পৰে আৰু আনন্দ গগৈৰ দুটা কোঠা জুইয়ে জ্বলাই পেলায়। নিপেন গগৈ ঘৰৰ পৰা আনন্দ গগৈৰ ঘৰলৈ জুইৰ শিখা বিয়পি পৰা সময়ত আনন্দ গগৈৰ পত্নীয়ে তেওঁ লোকৰ জুই লগা কোঠা দুটাৰ পৰা সিটো মূৰলৈ থকা পাক ঘৰৰ কামত ব্যস্ত হৈ আছিল। পাক ঘৰৰ পৰা বাহিৰলৈ ওলাই আহি ঘৰত জুই লগা দেখি চিঞৰ বাখৰ কৰাত স্থানীয় ৰাইজৰ তথা গাঁও বাসী আহি লাহনি বাল্টি আদিৰে পানি সিঁচি জুই নুমোৱাৱলৈ চেষ্টা অব্যাহত ৰাখে। উপস্থিত ৰাইজৰ মাজৰ পৰা কোনোবাই বৰহাটত থকা অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়য়াক ফোন কৰি অৱগত কৰাত অগ্নি নিৰ্বাপক গাড়ী আহি জুই সম্পূৰ্ণকৈ নুমুৱাবলৈ সক্ষম হয়। ইতিমধ্যে অগ্নিত বাসগৃহ ভস্মীভূত হোৱা পৰিয়াল দুটাৰ কাষত "সন্মিলিত গগৈ ঐক্য মঞ্চ"ৰ বৰহাট আঞ্চলিক সমিতিৰ বিষয় ববীয়াৰ উপৰিও চৰাইদেউ জিলা আৰু কেন্দ্ৰীয় সমিতিৰ বিষয় ববীয়াৰ এটা প্ৰতিনিধিৰ দল গৈ উপস্থিত হৈছে। সন্মিলিত গগৈ ঐক্য মঞ্চ ফালৰ পৰা বিভিন্ন জনৰ আন্তৰিকতাপূৰ্ণ সহযোগিতাৰে আগ বঢ়োৱা বৰঙনিৰে জুইত সম্পূৰ্ণ ভাৱে ভস্মীভূত হোৱা নিপেন গগৈৰ পৰিয়ালৰ টোৱে থাকিব পৰাকৈ এটি বাঁহৰ জুপুৰি বনাই দিবৰ বাবে সমিতিৰ ফালৰ পৰা প্ৰস্তুতি চলাইছে।



## লখিমপুৰত ঝুমুৰ সম্ৰাট পদ্মশ্ৰী দুলাল মানকিৰ ওপজা দিন উদ্‌যাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৪ আগষ্ট ঃ** সদৌ অসম যোগাসন ক্ৰীড়া সন্থাই সাংস্কৃতিক গোষ্ঠী নানগিসৰ সহযোগত প্ৰতি বছৰে উদযাপন কৰি আহিছে অসমৰ ঝুমুৰ সম্ৰাট খ্যাত পদ্মশ্ৰী সন্মানেৰে বিভূষিত দুলাল মানকিৰ ওপজা দিনটো। এইবাৰো উঃ লখিমপুৰৰ অগ্ৰণী যোগাভ্যাস অনুষ্ঠান আৰ্থ যোগা ষ্টুডিঅʼৰ সৌজন্যত উঃলখিমপুৰত আয়োজন কৰা হয়। তদুপলক্ষ্যে আয়োজিত তৃতীয় বাৰ্ষিক সদৌ অসম জনজাতীয় যোগাসন ক্ৰীড়া সমাৰোহ মুকলি কৰি বন্তি প্ৰজ্বলন কৰে সন্থাৰ উপ সভাপতি প্ৰদীপ বৰঠাকুৰ হৰিপ্ৰসাদ তালুকদাৰ আৰু মন্দাকিনী দত্তই। অসমৰ বিভিন্ন জিলাৰ পৰা অহা জনজাতীয় সম্প্ৰদায়ৰ যোগাসন খেলুৱৈয়ে নিজ নিজ প্ৰতিভা প্ৰদৰ্শন কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সন্থাৰ কোষাধ্যক্ষ ৰিপুল কলিতা। অনুষ্ঠানৰ মধ্যমণি দুলাল মানকি য়ে সংগীতময় শব্দৰে সংগীতময় যোগাসাধনা আগবঢ়াই লৈ যাবলৈ অংশগ্ৰহণকাৰী সকলক আহ্বান জনায়। তেওঁ ভূপেন হাজৰিকাৰ সান্নিধ্যত লাভ কৰা উমাল সান্নিধ্যৰ কথা ব্যক্ত কৰে আৰু কেইবাটাও ভাষাত গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। ভাৰতবৰ্ষত এদিন ঝুমুৰ নৃত্য সংগীতক দুলালে প্ৰতিষ্ঠা কৰিব বুলি ১০ বছৰ বয়সতে ঘোষণা কৰাৰ কথা উল্লেখ কৰিছিল অনুষ্ঠানৰ ৰূপকাৰ তেওঁৰ বাল্যবন্ধু বিকাশ গোস্বামীৰ পিতৃ তথা দুলাল মানকিৰ শিক্ষক কবি স্বৰ্গীয় ৰাম গোস্বামীয়ে। ওপজা দিনৰ মৰম শুভেচ্ছা জনায় আয়োজক পাহাৰী দত্ত আৰু যোগ প্ৰশিক্ষক জয়লক্ষ্মী পায়েঙে। প্ৰতিযোগিতা পৰিচালনা কৰে নিৰূপম দুৱৰাই, সহযোগ কৰে জোনালী পেগু, প্ৰতিভা বৰা নন্দীনী মেদক টায়ে, কমল ডেকা, বিজন্তী নাৰ্জাৰী, ৰীতামনি চুতীয়া, জোনমনি চাংমাই, প্ৰিয়াংকী দেৱী আৰু ৰিশভ কটকীয়ে। বিভিন্ন বিভাগত দ্বাদশ বৰ্ষৰ অনুৰ্দ্ধ ছোৱালী ক্ৰমে কৃষ্ণা শইকীয়া, ৰুয়াম দি টায়ে, পুণ্যম বি টায়ে, জৰিয়ম টায়ে আৰু এঞ্জেলা পেগু, গুঞ্জন বৰি, পাৰ্লচি পেগু, ১২-১৮ বৰ্ষৰ গীতাশ্ৰী দলে কবিস্মা চিৰাং বিজয়েতা মিলি, মনিকাঞ্চন দেৱী লʼৰাৰ সত্যৰঞ্জন কুটুম, কলাত্মক শাখাত গীতাশ্ৰী, কৃষ্ণা কৰিস্মা জৰিয়ম পুণ্যম, ওঁঠৰ উৰ্দ্ধৰ ছোৱালী তনুজা পেগু ৰূপজোতি কামান ৰীমা পেগু জ্যোৎস্না মিলি মনিকা কামান, মাইকেল পাংগিং বঁটা লাভ কৰে। শিল্পী পদ্মশ্ৰী দুলাল মানকি সভাপতি বিকাশ গোস্বামীয়ে বঁটা আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰে। আৰ্থ যোগ কেন্দ্ৰ তথা স্থানীয় পাৰিজাত সাংস্কৃতিক কেন্দ্ৰৰ শিল্পী সকলে নৃত্য গীত মাত পৰিবেশন কৰে।

## মৰিয়নি সমজিলাৰ কাৰ্যালয় উদ্বোধন মন্ত্ৰী যোগেন মোহনৰ

**অসম বাৰ্তা, আমগুৰি, ১৪ আগষ্ট ঃ** যোৰহাট জিলাৰ মৰিয়নি সমষ্টিয়ে আনুষ্ঠানিকভাৱে সম জিলাৰ স্থান লাভ কৰে। যোৱা মঙ্গলবাৰে ৰাজ্যৰ পৰিবহণ মন্ত্ৰী যোগেন মহনে লাহিং গ্ৰাণ্ট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত এক সভাত ফিতা কাটি মৰিয়নি সম জিলাৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনী সভাত মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে যে আজিৰ পৰা মৰিয়নিয়ে নতুন ৰূপ লাভ কৰিলে। এতিয়া স্থানীয় ৰাইজে ভূমি, ৰাজহ, জন্ম-মৃত্যু আদি সকলো প্ৰমাণপত্ৰ একে কাৰ্যালয়ৰ পৰা লাভ কৰিব পাৰিব। ৰাজ্য চৰকাৰে এই পদক্ষেপ ৰাইজৰ সুবিধাৰ্থে গ্ৰহণ কৰিছে আৰু ইয়াৰ ফলত প্ৰতিগৰাকী মৰিয়নিবাসী যথেষ্ট উপকৃত হʼব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাট জিলা আয়ুক্ত জয় শিৱানী, সম জিলাৰ নৱনিযুক্ত আয়ুক্ত অভিজিত গগৈ, জিলা পৰিষদৰ সভাপতি সুৰজিত শইকীয়াসহ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। চৰকাৰৰ এই পদক্ষেপক সৰ্বস্তৰৰ ৰাইজে আদৰণি জনায়। বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে মন্তব্য কৰে যে সম জিলা গঠনৰ ফলত স্থানীয় ৰাইজৰ সুৰক্ষা আৰু সুবিধা দুয়োটা বৃদ্ধি পাব। তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰীক এই পদক্ষেপৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

## বহু বিতৰ্কিত অবৈধ সুৰাৰ ব্যৱসায়ী ৰাজেন ডেকা ওৰফে ৰাজেন মহন্ত নামৰ লোক এজনৰ গৃহত নলবাৰী আবকাৰী বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াৰ নেতৃত্বত অভিযান

### নলবাৰীৰ বৰক্ষেত্ৰীত নিশা তীব্ৰ উত্তেজনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৪ আগষ্ট ঃ** নলবাৰীৰ বৰক্ষেত্ৰীৰ জয়সাগৰত মুকালমুৱা আৰক্ষীৰ সহযোগত নিশা নলবাৰী আবকাৰী বিভাগে অভিযান চলায়। উল্লেখ্য যে পূৰ্বেও ৰাজেন ডেকা ওৰফে ৰাজেন মহন্ত নামৰ লোকজনে তিনি চাৰিবাৰ অবৈধ সুৰাৰ লগতে গাঞ্জাৰ অবৈধ ব্যৱসায়ৰ লগত জড়িত হোৱাৰ অপৰাধত বহুবাৰ আটক হোৱা বুলি জনাইছে স্থানীয় লোকে। আবকাৰী বিভাগৰ অভিযানৰ সময়চোৱাত স্থানীয় লোকে অঞ্চলটোত তীব্ৰ উত্তেজনাৰো সৃষ্টি কৰে। ৰাজেন ডেকা নামৰ এজন লোকজনে দীৰ্ঘদিন ধৰি অঞ্চলটোত অবৈধ বিলাতী সুৰা, গাঞ্জা আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই আছিল। অৱশ্যে ৰজেন ডেকা আৰক্ষীয়ে পূৰ্বেও আটক কৰিছিল। আৰক্ষী আৰু আবকাৰী বিভাগৰ অভিযানত লোকজনৰ গৃহত মজুত কৰি থোৱা কাৰ্টুনে কাৰ্টুনে অবৈধ বিলাতী সুৰাৰ লগতে গাঞ্জা জব্দ কৰে মুকালমুৱা আৰক্ষী আৰু নলবাৰী আবকাৰী বিভাগে। আৰক্ষীৰ আগমনৰ উমান লাভ কৰি সুযোগ বুজি পলায়ন কৰে ৰাজেন ডেকা নামৰ লোকজনে। ইতিমধ্যে মুকালমুৱা আৰক্ষীয়ে ৰাজেন ডেকাৰ পত্নীক নিজ জিম্মাত লোৱাৰ লগতে এখন চাৰিচকীয়া বাহন জব্দ কৰিছে। অভিযানকালত মুকালমুৱা আৰক্ষীয়ে জয়সাগৰৰ ৰাজেন ডেকা নামৰ লোকজনৰ বাসগৃহৰ পৰা ৫২৮ বটল অবৈধ বিলাতী সুৰা জব্দ কৰাৰ লগতে প্ৰায় ৪ কিলোগ্ৰাম গাঞ্জা জব্দ কৰে। আৰক্ষীয়ে লোকজনৰ বাসগৃহৰ পৰা AS-01FQ-1311 নম্বৰৰ এখন চাৰিচকীয়া বাহনো জব্দ কৰে। লোকজনে দীৰ্ঘদিন ধৰি নিজৰ বাসগৃহৰ পৰা গোপনে বিলাতী সুৰা আৰু গাঞ্জাৰ অবৈধ ব্যৱসায় চলাই আহিছিল। স্থানীয় লোকে ৰাজেন মহন্তৰ লগত নলবাৰী আবকাৰী বিভাগৰ লোকেৰে মিতিৰালিৰ অভিযোগ উত্থাপন কৰিছে। এই বিষয়ক লৈ উত্তেজিত ৰাইজে ৰাজেন ডেকাৰ দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ মʼবাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হʼব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন